

গুৱাহাটী আৰু
ডিব্রুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩২০ ■ গুৱাহাটী ■ বুধবাৰ, ২৯ জুন, ২০২২, ১৪ আহাৰ, ১৯৪৪ শক   RNP/GH/248/2114-2017   গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in   ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XII ISSUE NO. 320 Dainandin Barta ■ Guwahati, Wednesday ■ 29 June, 2022   ■ RNI REGD. NO. ASSASS/2010/39449   Total Pages =12 ■ Rs. 10.00 Only

## কলিয়াবৰৰ ৰাজপথত দুৰ্ঘটনাত ৪ যুৱকৰ সলিল সমাধি





### হোণ্ডাই অউৰা বাহন পথৰ কাষৰ খাৰৈত বাগৰি চাৰি যুৱকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৮ জুন ঃ** কলিয়াবৰত আজি পুৱা এক শোকাৱহ দুৰ্ঘটনা সংঘটিত হয়। য'ত অতি কৰুণভাৱে চাৰিজন যুৱকে প্ৰাণ হেৰুৱায়। গুৱাহাটীৰ পৰা যোৰহাট অভিমুখী এখন গাড়ী অতিমাত্ৰা বৰষুণৰ ফলত নিয়ন্ত্ৰণ হেৰুৱাই ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে পানীৰে ভৰি থকা এটা দ খাৰৈত সোমাই যায়। গাড়ীখনৰ ভিতৰত পাঁচজন ছাত্ৰ আছিল। এজন বাহনখনৰ পৰা ওলাই আহিবলৈ সক্ষম হ'ল যদিও বাকীকেইজন গাড়ীৰ ভিতৰৰ পৰা ওলাব নোৱাৰি মৃত্যুমুখত পৰে। কলিয়াবৰ মহকুমাৰ বাগৰি আৰক্ষী চকীৰ অন্তৰ্গত কাঞ্চনজুৰিত মঙলবাৰে পুৱা প্ৰায় ৭.৩০ বজাত সংঘটিত এক শোকাৱহ দুৰ্ঘটনাত চাৰিগৰাকীকৈ উদীয়মান যুৱকৰ সলিল সমাধি ঘটা মৰ্মান্তিক ঘটনাই ৰাইজক শোকস্তব্ধ কৰি তুলিছে। ঘটনাৰ ■ ৮ পৃষ্ঠাত



*১৬০ খন বিচনাযুক্ত কাছাৰ কেন্সাৰ হাস্পতাল আৰু ৰিচাৰ্চ চেণ্টাৰত পানীত বাবে ৰাস্তাতে ৰোগীক এগৰাকী নাৰ্চে কেম'থেৰাপী দি থকা সময়ৰ ছবি*

### অসম লোক সেৱা আয়োগ

## অজন্তা নাথক অধ্যক্ষৰ পদত নিযুক্তি

### উৎফুল্ল জামুগুৰিবাসী



**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৮ জুন ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ খাদৈচুক গাঁও নিবাসী তথা ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা অজন্তা নাথক অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি প্ৰদান কৰাত উৎফুল্ল হৈ পৰিছে জামুগুৰিবাসী। বিগত কেইবা বছৰ ধৰি লোক সেৱা আয়োগৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ অন্তত আজি অসম চৰকাৰে এক ■ ৮ পৃষ্ঠাত

### লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ শিশু আৰু মাতৃ মংগল বিভাগত নৱজাতকৰ সাল-সলনি কাণ্ড

## দুগৰাকী নাৰ্ছক নিলম্বন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৮ জুন ঃ** লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ শিশু আৰু মাতৃ মংগল কেন্দ্ৰত শিশু সাল-সলনিৰ ঘটনাক কেন্দ্ৰ কৰি আজিও জিলাখনত চাঞ্চল্য অব্যাহত আছে । এই ঘটনা সংক্ৰান্তত কৰ্তব্যত গাফিলতি কৰাৰ বাবে ইতিমধ্যে দুগৰাকী নাৰ্ছক ■ ৮ পৃষ্ঠাত

### বাক্সাত বানপৰিস্থিতি পৰ্যবেক্ষণ মন্ত্ৰী যোগেন মহনৰ

## ৰাজ্যত বান সাহায্যৰ বাবে প্ৰয়োজন হ'ব ডেৰশ কোটি টকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৮ জুন ঃ** ৰাজ্যৰ বানপৰিস্থিতি মোকাবিলা কৰাৰ কাৰণে ৰাজ্য চৰকাৰৰ হাতত আছে পৰ্যাপ্ত পৰিমাণৰ ধন। ইতিমধ্যে উপায়ুক্ত কাৰ্যালয়সমূহত বান ■ ৮ পৃষ্ঠাত

## ছাগলীয়ে খালে গছপুলি প্ৰচণ্ড মাৰপিট, আহত ৪

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৮ জুন ঃ** নগৰবেৰা থানাৰ অন্তৰ্গত কল্যাণপুৰত আজি মামা-ভাগিনৰ মাজত প্ৰচণ্ড মাৰপিট সংঘটিত হোৱা ঘটনাই অঞ্চলজুৰি চাঞ্চল্য বিয়পিছে। জানিব পৰা মতে ছাগলীয়ে তামোল ■ ৮ পৃষ্ঠাত

### নূপুৰ শৰ্মাৰ মন্তব্যক সমৰ্থন কৰাটোৱেই হ'ল কাল



## ৰাজস্থানত যুৱকক শিৰশ্চেদ

### তীব্ৰ উত্তেজনা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ জুন ঃ** বিজেপিৰ অপসাৰিত নেত্ৰী নূপুৰ শৰ্মাই হজৰত মহম্মদৰ বিৰুদ্ধে কৰা মন্তব্য সমৰ্থন কৰাৰ বাবেই ৰাজস্থানৰ এজন যুৱকক মঙলবাৰে বিয়লি দুজন লোকে শিৰশ্চেদ কৰি হত্যা কৰে। নিহত লোকজন পেছাত দৰ্জী। তেওঁ বিজেপি নেত্ৰী নূপুৰ শৰ্মাৰ বক্তব্যক সমৰ্থন কৰি ছ'চিয়েল মিডিয়াত পোষ্ট দিছিল। আৰক্ষীয়ে ■ ৮ পৃষ্ঠাত





## জি-৭ শীৰ্ষ সন্মিলনত ভাৰতৰ কাৰ্বন নিৰ্গমনৰ পৰিসংখ্যা দাঙি ধৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ জুন ঃ** জি-৭ শীৰ্ষ সন্মিলনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্নত দেশে কাৰ্বন নিৰ্গমনৰ বাবে ভাৰতকে ধৰি উন্নয়নশীল দেশক কৰি অহা দোষাৰোপৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে। মোদীয়ে জলবায়ু, শক্তি, খাদ্য সুৰক্ষা, স্বাস্থ্য, লিংগ সমতা আদি বিষয়ত জি ছেভেনৰ অংশীদাৰ দেশ তথা আমন্ত্ৰিত আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰাৰ উপৰি কেইবাখনো দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰে। মোদীয়ে সন্মিলনত বিশ্বৰ নেতাসকলৰ সৈতে আলোচনা ফলপ্ৰসু হোৱা বুলি প্ৰকাশ কৰিছে। জি-৭ শীৰ্ষ সন্মিলনত সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধিৰ সন্মুখত শক্তি ক্ষেত্ৰখনত ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহৰ ভূমিকা ■ ৮ পৃষ্ঠাত

# জলমগ্ন গহপুৰ

### হাহাকাৰ পৰিস্থিতি ঃ উদ্ধাৰ অভিযান অব্যাহত
### প্ৰশাসনৰ ঃ ছয়দুৱাৰ মহাবিদ্যালয়ত এবুকু পানী



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি আৰু গহপুৰ, ২৮ জুন ঃ** মঙলবাৰে বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাত হঠাৎ বাঢ়নী পানীয়ে কালৰূপ ধাৰণ কৰে। সোমবাৰে ধাৰাসাৰ বৰষুণ দিয়াৰ ফলত উত্তৰ অঞ্চলৰ পাহাৰীয়া তিনিখন নৈ ক্ৰমে ব্ৰহ্মাজান, চত্ৰং, বালিজান নৈৰ বাঢ়নী পানীয়ে তাণ্ডৱ সৃষ্টি কৰাৰ ফলত এক হাহাকাৰ পৰিস্থিতি সৃষ্টি হয় গহপুৰৰ বিভিন্ন অঞ্চলত। আনফালে, ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে নিদ্ৰা হৰিছে গহপুৰবাসীক। বিশেষকৈ এই বাঢ়নী পানীয়ে গহপুৰ ছয়দুৱাৰ মহাবিদ্যালয়, ভোলাগুৰি চাহ বাগিচাৰ অধিকাংশ অঞ্চল পানীত ডুব গৈছে। বৰ্তমানো বহু গাঁও পানীৰ তলত থকাৰ লগতে বহু বান্ধ ছিঙি যোৱাৰ উপক্ৰম হৈছে গহপুৰ মহকুমাত। আনহাতে, হেলেম-ব্ৰহ্মাজান মথাউৰি ভঙাৰ ফলত ৫খনকৈ গাঁৱত ভয়ংকৰ বানপানীৰ সৃষ্টি হয়। চাৰিওফালে মাথোঁ পানী আৰু পানী। বিশেষকৈ হেলেম ■ ৮ পৃষ্ঠাত

## বজালী-বৰপেটাৰ বানৰ খবৰ ল'লে মুখ্যমন্ত্ৰীয়ে

### বৰপেটা চহৰৰ মাজেৰে বৈ যোৱা হাৰিজান খনন কৰি বৃহত্তৰ অঞ্চলটোক ভৱিষ্যতে বানমুক্ত কৰি ৰখাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী
### বানৰ প্ৰকোপ কমাৰ পিছতে আৰম্ভ হ'ব পহুমাৰা নৈৰ মথাউৰি সবলীকৰণৰ কাম ঃ মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বজালী আৰু বৰপেটা জিলাৰ বিভিন্ন ঠাই পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে আশ্ৰয় শিবিৰত থকা লোকসকলৰ লগত মত-বিনিময় কৰে। প্ৰশাসনে আগবঢ়োৱা বান সাহায্য সম্পৰ্কতো মুখ্যমন্ত্ৰীয়ে বুজ লয়। মুখ্যমন্ত্ৰীয়ে বজালী জিলাৰ পাটাছাৰকুছিস্থিত কুঁৱাৰা অঞ্চলটো পৰিদৰ্শন কৰি কালদিয়া নৈৰ বানৰ কবলত পৰা ■ ৮ পৃষ্ঠাত



### চৰকাৰক প্ৰশ্ন মেঘালয়ৰ ৰাজ্যপাল সত্যপাল মালিকৰ

## চাৰি বছৰৰ পিছত তেওঁলোকলৈ কোনে ছোৱালী বিয়া দিব

### অগ্নিবীৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ জুন ঃ** চৰকাৰৰ সাংবিধানিক পদবীত থকাৰ পিছতো দেশৰ ভালেমান গুৰুত্বপূৰ্ণ বিষয়ত মাত মাতি আহিছে বৰ্তমান মেঘালয়ৰ ৰাজ্যপাল সত্যপাল মালিকে। ৰাজ্যপাল সত্যপাল মালিকে শেহতীয়াকৈ অগ্নিবীৰ আঁচনিক লৈ সৰৱ হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰে চাৰিবছৰীয়া ঠিকাৰ ভিত্তিত তিনিওটা প্ৰতিৰক্ষা বাহিনীতে জোৱান নিয়োগৰ যি সিদ্ধান্ত লৈছে সেই সিদ্ধান্তৰ বিৰুদ্ধে দেশৰ বিভিন্ন প্ৰান্তত হিংসাত্মক প্ৰতিবাদ হৈছে। বহুতে এই আঁচনিখনক আদৰণি জনোৱাৰ লগতে বহুতে আকৌ বিৰোধিতাও কৰিছে। শেহতীয়াকৈ নানান সময়ত দেশৰ জ্বলন্ত সমস্যাক লৈ ■ ৮ পৃষ্ঠাত

### নগাঁৱৰ ৰহা আৰু কামপুৰৰ বানবিধ্বস্ত অঞ্চল পৰিভ্ৰমণ কৃষিমন্ত্ৰী অতুল বৰাৰ

## বান ক্ষতিগ্ৰস্ত কৃষকক কঠীয়া যোগান ধৰিব চৰকাৰৰ কৃষি বিভাগে



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুন ঃ** বান ক্ষতিগ্ৰস্ত কৃষকক কঠীয়া যোগান ধৰিব চৰকাৰৰ কৃষি বিভাগে। তাৰ বাবে কঠীয়া সিঁচাৰ ব্যৱস্থা কৰিছে কৃষি বিভাগে। এই বক্তব্য কৃষিমন্ত্ৰী অতুল বৰাৰ। মঙলবাৰে মন্ত্ৰীগৰাকীয়ে ৰহা আৰু কামপুৰৰ বিভিন্ন বানবিধ্বস্ত অঞ্চলত উপস্থিত হৈ বানে ধুৱাই নিয়া ■ ৮ পৃষ্ঠাত

### বানত বিধ্বস্ত হোৱা লোকসকলৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰিবৰ বাবে প্ৰায় ১৫০টা পৰিয়ালক ৩৮০০ টকাৰ চেক বিতৰণ মন্ত্ৰী অতুল বৰাৰ

### শুৱালকুছিত যুৱ ব্যৱসায়ীৰ শিল্প বচাওক অভিযান

## যন্ত্ৰচালিত শালৰ বস্ত্ৰ বিক্ৰী বন্ধ কৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৮ জুন ঃ** বস্ত্ৰ নগৰী শুৱালকুছিৰ লগতে অসমৰ চৌদিশে ■ ৮ পৃষ্ঠাত

### একনাথ সিন্দেৰ দাবী, শীঘ্ৰে গুৱাহাটী এৰিব সিন্দে বাহিনীয়ে

## আমাৰ সৈতে ৫০জন বিধায়কৰ সমৰ্থন আছে



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুন ঃ** শিৱসেনাৰ বিসম্বাদী শিবিৰৰ নেতা একনাথ সিন্দেই তেওঁৰ সৈতে ৫০জন বিধায়ক আছে বুলি দাবী কৰিছে। সেই মৰ্মে তেওঁলোকেই চৰকাৰ গঠন কৰিবলৈ সক্ষম বুলিও সিন্দেই ইংগিত দিছে। সাংবাদিকৰ আগত সিন্দেই কয়- 'আমি এতিয়াও শিৱসেনাত আছোঁ আৰু ■ ৮ পৃষ্ঠাত

### কাহিলিপাৰাস্থিত ভাউৰী দেৱী চেৰাউগী শ্ৰৱণ বাধাগ্ৰস্ত চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন মন্ত্ৰী পীযূষ হাজৰিকাৰ

## দিব্যাংগ ছাত্ৰ-ছাত্ৰীৰ বাবে কৰণীয়খিনি কৰিব ঃ মন্ত্ৰী হাজৰিকা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুন ঃ** শেহতীয়াকৈ অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত মন্ত্ৰী পীযূষ হাজৰিকাই আজি গুৱাহাটীৰ কাহিলিপাৰাস্থিত ভাউৰী দেৱী চেৰাউগী শ্ৰৱণ বাধাগ্ৰস্ত চৰকাৰী ■ ৮ পৃষ্ঠাত

### ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ বানাক্ৰান্ত অঞ্চলত স্বাস্থ্য পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ সক্ৰিয় পদক্ষেপ গ্ৰহণ

## স্বাস্থ্য পৰিস্থিতিৰ মূল্যাংকনৰ বাবে ৰাজ্যিক স্বাস্থ্য দল গঠন



### তিনি দিন ধৰি বৰাক উপত্যকা পৰিদৰ্শন কৰি যাৱতীয় কাৰ্যব্যৱস্থাৰ তদাৰক সঞ্চালক ড° এম এছ লক্ষ্মীপ্ৰিয়াৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুন ঃ** বানপানীৰ সময়ত আৰু বানপানীৰ পিছত সৃষ্টি হ'ব পৰা স্বাস্থ্য সম্পৰ্কীয় জটিলতাৰ মোকাবিলা কৰাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত কেইবাটাও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ মিছন সঞ্চালক, ড° এম এছ লক্ষ্মীপ্ৰিয়াই এনে পৰিস্থিতিৰ মোকাবিলাৰ বাবে বিভাগটোৰ কাম-কাজ যাতে সুচাৰুৰূপে সম্পন্ন হয় তাৰ বাবে নিজেই তিনি দিন ধৰি বৰাক উপত্যকা পৰিদৰ্শন কৰি ■ ৮ পৃষ্ঠাত

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত

প্ৰাক্ প্ৰাথমিক শিক্ষক পদত নিযুক্তিৰ দাবী

# গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল সংযোগী শিক্ষা কৰ্মী সন্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৮ জুন ঃ** ৰাজ্য চৰকাৰ আৰু শিক্ষা বিভাগৰ দ্বাৰা বাৰম্বাৰ উপেক্ষা তথা বঞ্চনাৰ বলি হৈ অহা সংযোগী শিক্ষাকৰ্মীসকলে এইবাৰ ন্যায় বিচাৰি আদালতৰ কাষ চাপিবলৈ বাধ্য হৈছে। পুনৰ শিক্ষক পদত নিযুক্তিৰ দাবীত সদৌ অসম শিক্ষাকৰ্মী সন্থাই উপায়ন্তৰ হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছে। সদৌ অসম শিক্ষাকৰ্মী সংস্থাৰ সভাপতি নুৰজামাল আৰু সম্পাদক মনোজ নেৱাৰে এই সন্দৰ্ভত জ্ঞাত কৰিছে। সন্থাটোৰ সভাপতি আৰু সম্পাদকে সংবাদ মাধ্যমক আক্ষেপ প্ৰকাশ কৰি অৱগত কৰে যে শিক্ষক হিচাবে স্থায়ী নিযুক্তিৰ দাবীত সংযোগী শিক্ষাকৰ্মীসকলে ২০০৯ চনৰে পৰা আন্দোলনৰ পথ বাচি ল'বলগীয়া হৈছে যদিও কোনো এখন চৰকাৰে বিষয়টোত আন্তৰিকতাৰে প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰা নাই। উল্লেখ্য যে বিদ্যালয় বহিৰ্ভূত ৬-১৪ বছৰ বয়সৰ ভিতৰৰ শিশুসকলক বিদ্যালয়লৈ আনি পাঠদান কৰোৱাৰ নিমিত্তে শিক্ষাকৰ্মীসকলক নিযুক্তি দিয়া হৈছিল। ৰাজ্যখনৰ বহুসংখ্যক নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত সংলগ্ন সংযোগী শিক্ষাকেন্দ্ৰত ২০০৫ চনৰ পৰা ২০১২ চনৰ ৩১ মাৰ্চলৈ শিক্ষাকৰ্মীসকলে ধাৰাবাহিক পাঠদান কৰি আহিছিল। কিন্তু নিয়মীয়া পাৰিতোষিক বন্ধ হৈ পৰাৰ লগতে সৰ্বশিক্ষা মিছনৰ ভূমিকা সন্তোষজনক নোহোৱাত বিগত সময়ত পাঠদানৰ পৰা আঁতৰি আহি সংযোগী শিক্ষাকৰ্মীসকলে ভিন্নসময়ত ইটোৰ পাছত সিটো প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰণিধানযোগ্য যে ২০১৬ চনৰ ১৬ ফেব্ৰুৱাৰীত তদানীন্তন শিক্ষামন্ত্ৰী শৰৎ বৰকটকীৰ আমন্ত্ৰণত শিক্ষা বিভাগ আৰু সৰ্বশিক্ষা মিছনৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত অসম সচিবালয়ত সংযোগী শিক্ষাকৰ্মী সন্থাৰ সৈতে এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হৈছিল আৰু উক্ত আলোচনাত ভৱিষ্যতে "ক" শ্ৰেণী অথবা প্ৰাক্‌প্ৰাথমিক শিক্ষক পদত নিযুক্তি দিব লগা হ'লে সংযোগী শিক্ষাকৰ্মীসকলক প্ৰথম অগ্ৰাধিকাৰ দিয়া হ'ব বুলি সিদ্ধান্ত লোৱা হৈছিল। কিন্তু সকলো ফুটুকাৰ ফেন হ'ল। মূলতঃ শিক্ষক পদত নিযুক্তিৰ যোগ্যতাৰ প্ৰশ্নক লৈ বিগত সময়ত বিষয়টো তল পৰি লয়। পৰৱৰ্তী সময়ত চৰকাৰে শিক্ষক নিযুক্তিৰ বেলিকা আৰোপ কৰা যোগ্যতাৰ আওতালৈ আহিবলৈ আৰ্থিক অনাটনৰ মাজতো সাঁচতীয়া ধন খৰচ কৰি যথেষ্টসংখ্যক শিক্ষাকৰ্মীয়ে ডি এল এড ডিগ্ৰীধাৰীও হৈছিল। ৰাজ্য চৰকাৰে ডি এল এড ডিগ্ৰী থকা সংযোগী শিক্ষাকৰ্মীসকলক বিশেষ টেট অনুষ্ঠিত কৰি প্ৰাথমিক বিদ্যালয়ত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব বুলিও চৰ্চা চলিছিল। অৱশেষত অনেক জল্পনা-কল্পনা আৰু অনুনয়-বিনুনয়ৰ মাজেদি চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ লগত হোৱা আলোচনা-বিলোচনাৰ অন্তত বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ নিৰ্দেশ মৰ্মে যোৱা ৩ অ'ক্টোবৰত বিশেষ টেট পৰীক্ষা অনুষ্ঠিত হয়। অতি পৰিতাপৰ বিষয় এইয়ে উক্ত বিশেষ টেটত চৰকাৰে কোনোধৰণৰ বিশেষ সুবিধা নিদি আক্ৰোশমূলকভাৱে নিৰাশাজনক ফলাফলহে দিয়ে। তুলনামূলকভাৱে কঠিনকৈ পৰীক্ষা পতা বুলি অভিযোগ উঠা এই টেট পৰীক্ষাত নগণ্যসংখ্যক পৰীক্ষাৰ্থীহে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰ পাছত শিক্ষাকৰ্মীসকলে বিষয়টোৰ সন্দৰ্ভত শিক্ষামন্ত্ৰী আৰু বিভাগীয় কৰ্তৃপক্ষৰ সৈতে কেইবাবাৰো আলোচনাত মিলিত হৈছিল যদিও কোনোধৰণৰ সুফল লাভ নকৰিলে। সিফালে বছৰ বছৰ ধৰি চাকৰিৰ বাবে অপেক্ষা কৰোতে কোনো কোনো শিক্ষাকৰ্মীৰ বয়সৰ উৰ্দ্ধ সীমা অতিক্ৰম কৰাৰ উপক্ৰম ঘটা বাবে তেওঁলোকক বাৰুকৈয়ে উদ্বিগ্ন কৰি তুলিছে। সেয়ে শিক্ষাকৰ্মী সন্থাৰ সভাপতি-সম্পাদকদ্বয়ে চৰকাৰ-শিক্ষা বিভাগৰ বিৰুদ্ধে ক্ষোভ উজাৰি লগতে উল্লেখ কৰে যে পদে-পদে লাঞ্ছিত-বঞ্চিত হৈ প্ৰাক্ প্ৰাথমিক শিক্ষক পদত নিযুক্তি পোৱাৰ স্বাৰ্থত ইতিমধ্যে গুৱাহাটীৰ উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে তথা এটা গোচৰ ৰুজু কৰি (গোচৰ নম্বৰ হ'ল - W.P.[C] No-২৬৮১/২০২২) এইক্ষেত্ৰত অগ্ৰসৰ হৈছে। গোচৰটোৰ প্ৰথম শুনানি হোৱা বুলিও সন্থাৰ নেতাদ্বয়ে জানিব দিছে।

# উচ্চ মাধ্যমিক-উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ জুন ঃ** সদ্য ঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা কোচ ৰাজবংশী সম্প্ৰদায়ৰ ছাত্ৰ ছাত্ৰীক আজি সম্বৰ্ধনা জনোৱা হয়। কামৰূপ জিলাৰ বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ অন্তৰ্গত এলেকাৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ ছাত্ৰ ছাত্ৰীক আজি বকোৰ চিলাৰায় ভৱনত শুভেচ্ছা আৰু সন্মান জনাবলৈ আয়োজন কৰে এক সম্বোৰ্ধনা অনুষ্ঠানৰ। সংগঠনটোৰ সভাপতি বিষ্ণু ৰাম দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা অনুষ্ঠানটোৰ আত ধৰে সম্পাদক বিপুল তালুকদাৰে। বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ উদ্যোগত আয়োজন কৰা সম্বোৰ্ধনা অনুষ্ঠানখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মুখ্য উপদেষ্টা গৌৰাংগ চৌধুৰীয়ে। অনুষ্ঠানৰ আদৰণী ভাষণ দিয়ে গুৱাহাটী জিলা কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়ে। সম্বৰ্ধনা অনুষ্ঠানত বৃহত্তৰ অঞ্চলটোৰ কোচ ৰাজবংশী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক-অভিভাৱিকাসকল উপস্থিত থাকে। কৃতী ছাত্ৰ-ছাত্ৰীক কোচ ৰাজবংশী আউচা, সম্বৰ্ধনাৰ মানপত্ৰ আৰু মহৎ লোকৰ জীৱনীৰ কিতাপ প্ৰদান কৰে।



কলিয়াবৰ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ সন্তোষজনক ফলাফল

# ৪গৰাকী ছাত্ৰীৰ খুচুৰা বিক্ৰী বিষয়ত ১০০ শতাংশ নম্বৰ লাভ




**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৮ জুন ঃ** ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ নিয়মীয়া শিক্ষক তথা অনান্য আনুসঙ্গিক সমস্যাৰ দুৰ্দিনৰ মাজতে পূৰ্বৰ দৰে এইবাৰো কলিয়াবৰৰ অন্যতম কন্যা শিক্ষানুষ্ঠান কলিয়াবৰ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ে সন্তোষজনক ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ উচ্চতৰ মাধ্যমিক কলা শাখাত অৱতীৰ্ণ হোৱা মুঠ ১২১ গৰাকী ছাত্ৰীৰ ১২০ গৰাকী ছাত্ৰী উত্তীৰ্ণ হয়। ইয়াৰে ৫৫ গৰাকী ছাত্ৰী প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। চাৰিগৰাকী ছাত্ৰীয়ে খুচুৰা বিক্ৰী বিষয়ত ১০০% নম্বৰ লাভ কৰে। ছাত্ৰীকেইগৰাকী ক্ৰমে— পৰিকংকনা বৰা, পৰিস্মিতা বৰা, পাৰমিতা বৰঠাকুৰ আৰু নিমিকংকনা মুক্তিয়াৰ। উল্লেখ্য যে নিয়মীয়া শিক্ষকৰ অভাৱৰ পাছতো পূৰ্বৰে পৰা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা আমন্ত্ৰিত শিক্ষকৰ জৰিয়তে উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। এইবাৰো ইয়াৰ ব্যতিক্ৰম নহ'ল।

# আখতাৰ হুছেইনৰ স্মৃতিচাৰণ সভা আৰু সোঁৱৰণী গ্ৰন্থ আৰু উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৮ জুন ঃ** পশ্চিম নলবাৰীৰ আখতাৰ হুছেইন স্মৃতিচাৰণ অনুষ্ঠান আয়োজক সমিতিৰ উদ্যোগত আৰু পৰিয়ালৰ সহযোগত সমাজ সংগঠক, শিক্ষক আখতাৰ হুছেইনৰ সজল স্মৃতিত দেওবাৰে চামতাৰ এফ আলী আহমেদ হাইস্কুলত ৰাজহুৱা স্মৃতিচাৰণ আৰু সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰা হয়। বিশিষ্ট সমাজকৰ্মী তথা আখতাৰ হুছেইন স্মৃতিচাৰণ অনুষ্ঠান আয়োজক সমিতিৰ সভাপতি ইয়াকুব আলীৰ পৌৰোহিত্যত তথা স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ বিষয়ববীয়া নুৰুল ইছলাম আৰু ইনামুল মজিদে আঁত ধৰা স্মৃতিচাৰণ সভাত গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ৰফিকুল ইছলাম, নলবাৰীৰ দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা কৃতী শিক্ষক ৰমানাথ বৰুৱা, বিশিষ্ট শিক্ষাবিদ আজিজৰ ৰহমান, বিশিষ্ট সমাজকৰ্মী তথা এফ আলী আহমেদ এম ই মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আনোৱাৰ হুছেইনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি প্ৰয়াত শিক্ষাবিদগৰাকীৰ স্মৃতিচাৰণ কৰে। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী তথা সোঁৱৰণী গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি মইনুল আলীয়ো উপস্থিত থাকে। ইয়াৰ পূৰ্বে পুৱা গছপুলি ৰোপণ কৰে বিশিষ্ট সমাজকৰ্মী কবি মজুমদাৰ, আব্দুল হাছমী, অৱসৰপ্ৰাপ্ত কৃষি সম্প্ৰসাৰণ বিষয়া ফাইজুল ৰহমান, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কলচুম বেগম, স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী অতুল বৰ্মন, এফ আলী আহমেদ হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়নুৰ আলী আদিয়ে।

# লাহৰীঘাট ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত 'শান্তিপূৰ্ণ সত্যাগ্ৰহ' আন্দোলন কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ জুন ঃ** নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ নিৰ্দেশ মৰ্মে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে সমষ্টি ভিত্তিত ৰূপায়ন কৰা শান্তিপূৰ্ণ সত্যাগ্ৰহ আন্দোলন কাৰ্যসূচীৰ চলাৰ সমান্তৰালকৈ কালি মৰিগাঁও জিলাৰ লাহৰীঘাট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত লাহৰীঘাট ব্লক কংগ্ৰেছৰ উদোগত অৰ্ধশতাধিক কংগ্ৰেছ কৰ্মী লগতে এনএছইউআইৰ কৰ্মীসকলে আন্দোলনৰ কাৰ্যসূচী ৰূপায়ন কৰে। হাতে হাতে প্লেকাৰ্ড লৈ চৰকাৰী বিৰোধী বিভিন্ন শ্ল'গানৰে কাৰ্যসূচী পালন কৰে। কাৰ্যসূচীত ব্লক কংগ্ৰেছৰ সভাপতি লগতে এন এছ ৰাই আশ্বিকুল ইছলাম উপস্থিত থাকি অগ্নিপথ আচনি বিৰোধিতা কৰে। লক্ষণীয় বিষয় যে কংগ্ৰেছৰ পূৰ্ব বিভিন্ন কাৰ্যসূচীৰ তুলনাত আজিৰ কাৰ্যসূচীত উপস্থিতি কম আছিল।

# ধুবুৰী জিলাৰ হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৩.৫ শতাংশ উত্তীৰ্ণৰে সাফল্য

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৮ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাত ঐতিহ্যময় হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ৯৩.৫ শতাংশ উত্তীৰ্ণৰে সাফল্য কঢ়িয়াই আনে। ফকিৰগঞ্জ অঞ্চলৰ অতি পুৰণি মৌলানা আব্দুল হামিদ খান ভাসানী স্মৃতি বিজড়িত বিদ্যালয়খনে পূৰ্বে পৰাই দেখুৱাই আহিছে ভাল ফলাফল। এইবেলিও ৮৩গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ৭৬গৰাকীয়ে প্ৰথম আৰু দ্বিতীয়, তৃতীয় বিভাগত উত্তীৰ্ণ হবলৈ সক্ষম হয়।



ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নথকা সত্বেও আশা ব্যঞ্জক ফলাফলে উৎফুল্ল হৈ পৰিছে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে।

# ৰে'লৰে উৰণ-সেতু নিৰ্মাণ আৰু অন্যান্য বিষয় সন্দৰ্ভত ৰে'লৱেৰ বিষয়ববীয়াৰে প্ৰশাসনৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৮ জুন ঃ** ৰঙিয়া চহৰৰ দুটাকৈ ব্যস্ত পথত দুখন ৰে'লৰে অভাৰব্ৰীজ নিৰ্মাণ আৰু অন্যান্য কেতবোৰ বিষয় সন্দৰ্ভত ৰঙিয়াৰ মহকুমাধিপতিৰ কাৰ্যালয়ত সোমবাৰে এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। মহকুমাধিপতি জাৰিৰ ৰাহুল সুৰেশৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰঙিয়া সংমণ্ডলৰ বিষয়ববীয়াসকলৰ লগতে লোক নিৰ্মাণ (পথ) বিভাগ, ৰাজহ বিভাগ, ৰঙিয়া পৌৰসভাৰ বিষয়ববীয়াসকলে চহৰখনৰ এছ কে-১২ আৰু এছ কে-১৪ নং ৰে'ল গে'ট দুখনৰ স্থানত উৰণ-সেঁতু নিৰ্মাণ কৰা তথা নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠাৰ পিছত সংশ্লিষ্ট গে'ট দুখন বন্ধ কৰা সন্দৰ্ভত নিজৰ মতামত আগবঢ়ায়। ভৱিষ্যতৰ ক্ৰমবৰ্ধমান যান-বাহনৰ বোজা বহন কৰিব পৰাকৈ প্ৰস্তাৱিত উৰণ-সেঁতু দুখন সম্ভৱস্থলত আহল-বহলকৈ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰিবলৈ মহকুমাধিপতিগৰাকীয়ে লোক নিৰ্মাণ বিভাগক পৰামৰ্শ আগবঢ়ায়। আনহাতে ৰঙিয়া চহৰত দিনৰ ভাগত গধুৰ মালবাহী বাহনৰ প্ৰৱেশ নিয়ন্ত্ৰিত কৰাৰ পদক্ষেপ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। আনহাতে ৰে'লৰে, লোক নিৰ্মাণ(পথ) বিভাগ আৰু ৰঙিয়া পৌৰসভাৰ সন্মিলিত উদ্যোগত অনতিপলমে ৰঙিয়া চহৰৰ, বিশেষকৈ ৰে'লৰে অধ্যুষিত অঞ্চলসমূহৰ বাট-পথ,নলা-নৰ্দমা,জলাশয় আদিৰ এক বিস্তৃত জৰীপ চলোৱা সন্দৰ্ভতো আজিৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই ক্ষেত্ৰত এৰিয়েল চাৰ্ভেৰ বাবে মহকুমা প্ৰশাসনে প্ৰয়োজনীয় ড্ৰোনৰ যোগান ধৰিব বুলি মহকুমাধিপতিগৰাকীয়ে জানিবলৈ দিয়ে।পাৰস্পৰিক স্বাৰ্থজড়িত আন কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়েও আলোচনাত স্থান পোৱা আজিৰ এই বৈঠকত ৰঙিয়াৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, কাৰ্যবাহী দণ্ডাধীশ চম্পক ডেকা, চক্ৰ বিষয়া লীনা পাৰে, লোক নিৰ্মাণ (পথ)সংমণ্ডল, ৰঙিয়াৰ কাৰ্যবাহী অভিযন্তা দীপক বৈশ্য, উত্তৰ-পূব সীমান্ত ৰে'লৰে, ৰঙিয়াৰ মাণ্ডলিক অভিযন্তা গৌৰৱ সিঙকে ধৰি সংশ্লিষ্ট বিভাগসমূহ আৰু মহকুমা প্ৰশাসনৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

# এশ শতাংশ উত্তীৰ্ণৰে জিলিকিল চামতাৰ ইডেন ভেলী একাডেমী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৮ জুন ঃ** নলবাৰী জিলাৰ চামতাস্থিত আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ইডেন ভেলী একাডেমীয়ে সদ্য ফলাফল ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে পূৰ্বৰ সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শিক্ষানুষ্ঠানখনৰপৰা কলা শাখাত ১১৩ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ২০ গৰাকীয়ে ষ্টাৰ নম্বৰ, ৫২ গৰাকীয়ে প্ৰথম বিভাগ, ৩৭ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু চাৰিগৰাকী পৰীক্ষাৰ্থীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয় । বিজ্ঞান শাখাত শিক্ষানুষ্ঠানখনৰপৰা ১১১গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণহৈছিল ।ইয়াৰে ৪৮ গৰাকীয়ে ষ্টাৰনম্বৰ, ৫৫গৰাকীয়ে প্ৰথম বিভাগ আৰু ৮ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। একেদৰে বাণিজ্য শাখাত মুঠ ১০ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে তিনি গৰাকীয়ে প্ৰথম বিভাগ আৰু সাত গৰাকীয়ে দ্বিতীয় বিভাগ লাভ কৰে। উল্লেখ্য সদ্য ফলাফল ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাতো শিক্ষানুষ্ঠানখনে এশ শতাংশ উত্তীৰ্ণৰ কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছিল।

কলিয়াবৰৰ ডিজেল জেনেৰেটৰ নিৰ্মাণকাৰী উদ্যোগত অঘটন

# কলিয়াবৰৰ এটা উদ্যোগত কৰ্মৰত অৱস্থাত হোৱা এক দুৰ্ঘটনাত কৰ্মীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৮ জুন ঃ** কলিয়াবৰৰ এটা উদ্যোগত কৰ্মৰত অৱস্থাত হোৱা এক দুৰ্ঘটনাত কৰ্মীৰ মৃত্যু হয়। কলিয়াবৰৰ ডিজেল জেনেৰেটৰ নিৰ্মাণকাৰী উদ্যোগত সংঘটিত হয় এই অঘটন। মহাৰাষ্ট্ৰৰ পুনেস্থিত কিৰ্লোস্কাৰ অইল ইঞ্জিনছ লিমিটেডৰ অনুমোদিত কলিয়াবৰ ডীজেল জেনেৰেটৰ নিৰ্মাণকাৰী উদ্যোগ পাৱাৰলাইন গ্ৰীনত হোৱা এক দুৰ্ঘটনাত এজন কৰ্মচাৰীৰ মৃত্যু হয়। আজি পুৱা নলতলিৰ আৰিমৰাত থকা অসম ঔদ্যোগিক বিকাশ নিগমৰ ঔদ্যোগিক আন্তঃগাঠনি কেন্দ্ৰ চৌহদত থকা গ্ৰীন পাৱাৰলাইন নামৰ উদ্যোগটোত বিদ্যুৎ শাখাৰ এগৰাকী কৰ্মী বৈদ্যুতিক সা-সৰঞ্জাম মেৰামতি কৰাৰ সময়ত ওপৰৰ পৰা তললৈ পৰি যোৱা মৃত্যু হয়। কুলদীপ নাথ নামৰ কৰ্মীজনক ততাতৈয়াকৈ তেজপুৰলৈ চিকিৎসাৰ বাবে লৈ যোৱা হয় যদিও চিকিৎসকে নাথক মৃত ঘোষণা কৰে। মৃত নাথৰ ঘৰ মঙ্গলদৈ চিপাঝাৰ বুলি জানিব পৰা গৈছে। কৰ্মৰত অৱস্থাত সুৰক্ষা সঁজুলি ব্যৱহাৰ নকৰাৰ ফলতেই এই দুৰ্ঘটনা সংঘটিত হয় বুলি সন্দেহ কৰা হৈছে। এই সন্দৰ্ভত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ সন্থা, কলিয়াবৰ সমিতিয়ে মৃত কৰ্মীজনক উচিত ক্ষতিপূৰণৰ লগতে উদ্যোগটোৰ কৰ্মীসকলৰ সুৰক্ষাৰ সঠিক সুৰক্ষা ব্যৱস্থা ল'বলৈ দাবী জনায়।

# বিদ্যুৎস্পৃষ্ট হৈ শ্যাম কৈৰালা নামৰ যুৱকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ২৮ জুন ঃ** ২৭ জুনত ঢেকিয়াজুলি সমষ্টিৰ পশ্চিম প্ৰান্তৰ তথা ওৰাঙৰ সমীপৰ শইকিয়া চুবুৰীত এক কৰুণ ঘটনা সংঘটিত হয়। নিজ ঘৰৰ পিছফালৰ বাৰাণ্ডাত সংযোগ কৰা বৈদ্যুতিক মটৰত বিদ্যুৎস্পৃষ্ট হৈ শ্যাম কৈৰালা নামৰ যুৱকৰ আকস্মিক মৃত্যু হয়। পুৱা ৮ মান বজাত মটৰৰ ওচৰত ঢলি পৰা দেখা পাই ততাতৈয়াকৈ আত্মীয়ই ওৰাং প্ৰাথমিক চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৪৭ বছৰ। সুদৰ্শন চেহেৰাৰ সকলোৰে প্ৰিয় যুৱকজনৰ মৃত্যুত অঞ্চল জুৰি গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত শ্যাম কৈৰালাই পত্নীৰ লগতে দুগৰাকী কন্যা সন্তানক ইহ সংসাৰত এৰি থৈ যায়।

# ভাষা আন্দোলনৰ শ্বহীদ অনিল বৰাৰ ৫০ সংখ্যক স্মৃতি দিৱসৰ প্ৰস্তুতি

## স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৮ জুন ঃ** ভাষা আন্দোলনৰ ছহিদ অনিল বৰাৰ ৫০সংখ্যক স্মৃতি দিৱসটি ৭ অক্টোবৰত উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। নগাঁৱৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত 'পলাশনী সাংস্কৃতিক মঞ্চ আৰু ক্ৰীড়া সন্থা'ৰ উদ্যোগত আৰু ভাৰতীয় জনতা যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ সৌজন্যত ছহিদগৰাকীৰ স্মৃতি দিৱস বিস্তৃত কাৰ্যসূচীৰে উদযাপনৰ চিন্তা-চৰ্চা কৰা হৈছে। দিৱসৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব। সেয়ে লেখক-লেখিকাসকলৰ পৰা স্মৃতিগ্ৰন্থৰ বাবে ছহিদ অনিল বৰা আৰু অসমীয়া ভাষা সম্পৰ্কীয় লেখা আহ্বান কৰা হৈছে। লেখাসমূহ সদানন্দ বৰা, সম্পাদক, স্মৃতিগ্ৰন্থ, সাং আৰু ডাক ঃ পলাশনী, নগাঁও, অসম- এই ঠিকনালৈ পঠাবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে। এই সন্দৰ্ভত সবিশেষ জানিবৰ বাবে ফোন নং- ৯৪৩৫১৬১১০০ৰ সৈতে যোগাযোগ কৰিবলৈ জনোৱা হৈছে।

# ধুবুৰীৰ ফকিৰগঞ্জৰ শাৰীৰিকভাৱে সক্ষম আৰমান আলীৰ সাফল্যত আছুৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৮ জুন ঃ** শাৰীৰিকভাৱে বিশেষ সক্ষম আৰমান আলী। থাকিবলৈ নাই ভাল এখন ঘৰ। পিতৃয়ে দিন মজুৰি কৰি আৰু মাতৃয়ে দৰ্জীৰ কাম কৰি কোনোমতে চলাব লগা হৈছে ঘৰ সংসাৰ। দৰিদ্ৰ ঘৰৰ সন্তান আৰমান আলী শাৰীৰিকভাৱে বিশেষ সক্ষম। তথাপি মনত আছে বহু হেপাহ, আছে বুকু ভৰা সপোন। সদ্য ঘোষিত হায়াৰ চেকেণ্ডেৰী পৰীক্ষাত কলা শাখাত ৬৫%লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ফকিৰগঞ্জত কঢ়িয়াই আনে সুনাম। এইগৰাকী মেধাৱী ছাত্ৰ তথা শাৰীকভাবে বিশেষ সক্ষম আৰমান আলী হৈ পৰিছে আন দহজনৰ বাবে অনুপ্ৰেৰণা। আৰমানৰ সফলাত আজি দঃ শালমাৰা মানকাচৰ জিলা ছাত্ৰ সন্থাৰ সম্পাদক শৰীফুল ইছলাম প্ৰধানীয়ে সম্বৰ্ধনা জনায়। লগতে এগৰাকী মেধা শক্তিক আগবঢ়ায় নিবলৈ সকলোৰে সহায় কামনা কৰে প্ৰধানীয়ে।



# ৰূপহী ৰঙিয়া গ্ৰুপৰ সৌজন্যত ৰাভা সংগীত প্ৰতিযোগিতা




**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৮ জুন ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি ৰঙিয়াৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান ৰূপহী ৰঙিয়া ফেচবুক গ্ৰুপে আয়োজন কৰিছিল সদৌ অসম ভিত্তিত ৰাভা সংগীত প্ৰতিযোগিতা। শেহতীয়া বান পৰিস্থিতিৰ বাবে উক্ত প্ৰতিযোগিতাখনিৰ দিন পিছুৱাই দি ২০জুনৰ পৰিৱৰ্তে ২৭ জুনত অনুষ্ঠিত কৰা হয়। ৰঙিয়াৰ ঐতিহাসিক কৃষক শ্বহীদ ভৱনত আয়োজন কৰা এই প্ৰতিযোগিতাৰ কাৰ্য্যসূচী অনুসৰি প্ৰথমে বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰে স্থানীয় বিধায়ক ভবেশ কলিতাই। প্ৰতিযোগিতাৰ উদ্বোধনী কৰে খণ্ড উন্নয়ন বিষয়া সমীপ ডেকাই, প্ৰতিযোগিতাৰ আৰম্ভণি কৰে ৰীতাশৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষা ড° ৰুণুমী দত্ত ডেকাই আৰু ৰূপহী ৰঙিয়া গ্ৰুপৰ শিশু শিল্পী কুমাৰ ভৱজিৎ কাশ্যপে গোৱা শীৰ্ষ গীতটি মুকলি কৰে অধিবক্তা চৈয়দ মোস্তাফা আহমেদে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ অন্তত ক্ৰমে প্ৰথম দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে অংকুৰ শৰ্মা, দেৱাশীষ ডেকা আৰু বনশ্ৰী ডেৰীয়ে।আনহাতে নিচুকনি বটা পাবলৈ সক্ষম হয় জিজ্ঞাসা কাশ্যপ আৰু ধীৰাজ ডেকাই। ৰূপহী ৰঙিয়া গ্ৰুপৰ সভাপতি অৰূপ দাস, সম্পাদক অৰূপজ্যোতি নাথ, ভৃগু নাথ, নিৰেণ মেধীয়ে প্ৰতিযোগিতাখন সফলভাৱে আয়োজন কৰাত সহযোগিতা আগবঢ়োৱা আটাইলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

# পঞ্চম স্থানপ্ৰাপ্ত ছাত্ৰী শ্বানাজ আনজুম য়াচমিনক আম আদমি পাৰ্টীৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৮ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পঞ্চম স্থানৰে টীয়ক তথা যোৰহাট জিলা লৈ নাম উজ্জ্বলাবলৈ সক্ষম হোৱা কাকজান কমাৰ খাটোৱাল পুৰনি গাঁৱৰ মঃ মুকিবুৰ ৰহমান আৰু মাতৃ মফিদা বেগমৰ জীয়ৰী বেন গাৰ্ডেন হাইস্কুলৰ ছাত্ৰী শ্বানাজ আনজুন য়াচমিনক কাকজান কমাৰ খাটোৱালস্থিত বাসগৃহত উপস্থিত হৈ আম আদমি পাৰ্টীৰ কাৰ্যকতা হিৰেন বৰা, নয়নজ্যোতি কলিতা, প্ৰশান্ত কলিতা, উৎপল ভূএঞা, ৰাজু তামুলী, মহেন্দ্ৰ বৰা, দেৱেশ্বৰ হাজৰিকা, প্ৰশান্ত হাজৰিকা কে প্ৰমুখ্যে কৰি কেইবাজনো কাৰ্যকতা গৈ ছাত্ৰী গৰাকী হৰোদৈয়া জাপি, গামোচা, সম্বৰ্ধনা দি অভিনন্দন জ্ঞাপন কৰে। লগতে আম আদমি পাৰ্টি দলটোৰ কাৰ্যকতাই ছাত্ৰীগৰাকী উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে অনাগত দিনত সহায় সহযোগিতা আগবঢ়োৱাৰ কথা ব্যক্ত কৰে।



# জুবিন গাৰ্গ ফেন্ ক্লাব - এনাজৰী 'এক নীৰৱ বান্ধোন' টংলাৰ উদ্যোগত বানপীড়িতক সহায়

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ২৮ জুন ঃ** বৰ্তমান সমগ্ৰ অসম বানৰ কবলত। বানপানীৰ ফলত বহু লোকৰ ঘৰ-বাৰী, জীৱ-জন্তুকে ধৰি সমগ্ৰ মানবজাতিৰ বৃহৎ ক্ষতিসাধন হোৱা দেখা পোৱা গৈছে। বানৰ ফলত বহুতেই নিজৰ ঘৰখন হেৰুৱাইছে, বহুতে নিজৰ আপোনজনক হেৰুৱাইছে। মুঠতে চাৰিওফালে এক বিস্তৰ ক্ষতি। তেনেক্ষেত্ৰত বৰ্তমানেও নিজৰ ঘৰখনত যাব পৰা পৰিবেশ গঢ়ি নুঠাত বহুতেই বহু স্থানত গৰু-ছাগলীৰ সৈতে একেলগে শিবিৰ পাতি বসবাস কৰি থকা পৰিলক্ষিত হৈছে। সমান্তৰালভাৱে ওদালগুৰি-দৰং জিলাকে ধৰি অসমৰ বিভিন্ন অঞ্চলত এনে মৰ্মান্তিক দৃশ্যসমূহ দেখিবলৈ পোৱা গৈছে। এই দুৰ্যোগৰ সময়চোৱাত বানপীড়িত অঞ্চলসমূহৰ লোকসমূহক চৰকাৰী পক্ষই সহায়ৰ হাত আগবঢ়োৱাৰ লগতে বহুতেই ব্যক্তিগতভাৱে, বিভিন্ন দল-সংগঠন, ফেন ক্লাব, স্বেচ্ছাসেৱী সংগঠনসমূহেও শলাগিব লগীয়া কাৰ্য হাতত লৈ আহিছে।




সমান্তৰালভাৱে বিগত সময়ৰ দৰে ওদালগুৰি জিলাৰ অন্তৰ্গত টংলাৰ জুবিন গাৰ্গ ফেন ক্লাৱ আৰু এনাজৰী 'এক নীৰৱ বান্ধোন' নামৰ স্বেচ্ছাসেৱী সংগঠনৰ যুৱকসকলে যুটীয়াভাৱে আগবাঢ়ি আহিছে এই দুৰ্যোগৰ সময়ত আৰ্তজনক সহায়ৰ উদ্দেশ্যেৰে। তেওঁলোকে টংলা চহৰৰ দোকান-বজাৰ, ৰাস্তা-ঘাটকে ধৰি বিভিন্ন স্থানত ৰাইজৰ পৰা সহায় বিচাৰি ফুৰিছে বিগত সপ্তাহজুৰি। তেওঁলোকে সহায় বিচৰা পদ্ধতিটোক 'সুৰ বাহিনী' নামেৰে নামাকৰণ কৰি গীত-মাত প্ৰদৰ্শনৰ জৰিয়তে সহায় বিচৰা প্ৰক্ৰিয়াটোক সকলোৰে সলাগ লোৱাৰ লগতে সমূহ টংলাবাসী ৰাইজে সহযোগিতা আগবঢ়াইছে। অহা জুলাই মাহৰ প্ৰথম সপ্তাহ পৰ্যন্ত তেওঁলোকৰ এই কাৰ্যসূচী চলাই থাকিব বুলি জনাই জুবিন গাৰ্গ ফেন ক্লাৱ, টংলাৰ সভাপতি ৰিপুল বড়োই। ইয়াৰ জৰিয়তে ৰাইজে আগবঢ়োৱা বিভিন্ন দান-বৰঙণিৰ লগতে তেওঁলোকেও নিজাববীয়াকৈ পাৰ্যমানে অসমৰ বিভিন্ন বানপীড়িত সকলৰ ওচৰত গৈ সহায়ৰ হাত আগবঢ়াব বুলি জনায়। আনহাতে কোনো হৃদয়বান লোকে যদি তেওঁলোকৰ জৰিয়তে এই দুৰ্যোগৰ সময়ত অকনমান হ'লেও সহায় কৰিব বিচাৰে তেন্তে ৭০৯৯৫৪৫৪৫০ নম্বৰটোত যোগাযোগ কৰিবলৈ অনুৰোধ জনায়।

# ৰাশিফলত আজিৰ দিনটো

**১৪ আহাৰ, বুধবাৰ, ২৯ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা অমাৱস্যা, নক্ষত্ৰ ঃ আৰ্দ্ৰা, জন্ম ৰাশি ঃ মিথুন**
**সূৰ্যোদয়- ৪-৩৭-৩৫ সূৰ্যাস্ত- ৬-১৫-১৬**



■ **মেষ ঃ** মাতৃৰ আশীৰ্বাদ ■ **বৃষ ঃ** পৰিশ্ৰম ■ **মিথুন ঃ** আপোনজনৰ কাষত ■ **কৰ্কট ঃ** শিক্ষাত সুনাম ■ **সিংহ ঃ** প্ৰেমত আনন্দ ■ **কন্যা ঃ** শিক্ষাৰ্থীৰ আনন্দ ■ **তুলা ঃ** ভাগ্য পৰিৱৰ্তন ■ **বৃশ্চিক ঃ** ৰোগ নিৰ্মূল ■ **ধনু ঃ** নতুন ব্যৱসায় ■ **মকৰ ঃ** ৰাজহুৱা ব্যস্ততা ■ **কুম্ভ ঃ** পদোন্নতি ■ **মীন ঃ** ধনৰ নাটনি।

# ইউনিটেৰিয়ান জাতীয় বিদ্যালয়ত ১০০ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰূপহীহাট, ২৮ জুন ঃ** ২০০৫ চনত জুৰীয়াৰ উদমাৰিত প্ৰতিষ্ঠিত হোৱা ইউনিটেৰিয়ান জাতীয় বিদ্যালয় (ছিনিয়ৰ ছেকেণ্ডৰী স্কুল) য়ে প্ৰত্যেকবাৰৰ দৰে এইবাৰো উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ দুয়োটা পৰীক্ষাৰ ফলাফলত ১০০ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। উল্লেখ্য ৭ জুনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইউনিটেৰিয়ান জাতীয় বিদ্যালয়ৰ পৰা ৩৭জন ছাত্ৰ-ছাত্ৰীয়ে ১ম আৰু ২য় বিভাগত উত্তীৰ্ণ হৈ এই অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছিল। ৩ শিক্ষাৰ্থীয়ে ষ্টাৰ আৰু ৫ শিক্ষাৰ্থীয়ে ডিষ্টিংচন পোৱা বাতৰিয়ে এই অঞ্চলৰ শিক্ষিত সমাজৰ মাজত আনন্দৰ জোৱাৰ আনিবলৈ সক্ষম হৈছিল। কালি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা হোৱাৰ লগে লগে দেখা যায় যে এই পৰীক্ষাতো এজনী ছাত্ৰীয়ে ষ্টাৰ নম্বৰ প্ৰাপ্তিৰে এই ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। কালি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা হোৱাৰ লগে লগে সমগ্ৰ নগাঁও জিলাৰ লগতে এই বিদ্যালয়তো আতচবাজী কৰি শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীয়ে বিজোয়েত্‌সৱ পালন কৰা দেখা গৈছে। বিদ্যালয়ৰ অধ্যক্ষ ছফিকুল ইছলাম, উপাধ্যক্ষ শ্বেইখ আব্দুল্লাহ তথা সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰবল কষ্টৰ ফলত বছৰে বছৰে এনে ফলাফলৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত
২৯ জুন, ২০২২ ■ বুধবাৰ ■ গুৱাহাটী ■ ১৪ আহাৰ ১৯৪৪ শক





# সাম্প্ৰতিক বানৰ ক্ষয়-ক্ষতিৰ পৰ্যালোচনা অভিভাৱক মন্ত্ৰী পাটোৱাৰীৰ



## ক্ষয়-ক্ষতিৰ প্ৰতিবেদন প্ৰস্তুত কৰোঁতে কোনো প্ৰকৃত বান ক্ষতিগ্ৰস্ত যাতে বাদ নপৰে সেইটো নিশ্চিত কৰাৰ নিৰ্দেশ অভিভাৱক মন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুন ঃ** কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি জিলাখনৰ বিধায়কসকল ক্ৰমে ভৰেশ কলিতা, সুমন হৰিপ্ৰিয়া, হেমাঙ্গ ঠাকুৰীয়া, ৰেকিবুদ্দিন আহমেদ, নন্দিতা দাসৰ উপস্থিতিত আমিনগাঁওস্থিত সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত জিলাখনৰ সাম্প্ৰতিক বানত হোৱা ক্ষয়-ক্ষতি, সহায্য, উদ্ধাৰ অভিযান ইত্যাদিৰ সামগ্ৰিক পৰ্যালোচনা কৰে। বৈঠকৰ আৰম্ভণিতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত প্ৰণৱ দত্ত গোস্বামীয়ে জিলাখনৰ বানৰ ক্ষয়-ক্ষতি, প্ৰশাসনে প্ৰদান কৰা সাহায্য আৰু উদ্ধাৰ অভিযান, জিলাখনে বান পানীৰ সময়ত জিলা গুদাম ঘৰৰ ব্যৱস্থা, হাজো আৰু কএগু ৰাজহ চক্ৰত ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ সহযোগত প্ৰথমবাৰৰ বাবে ড্ৰোণৰ জৰিয়তে সাহায্য প্ৰদান, কল চেণ্টাৰ সক্ৰিয়কৰণ, 'ৰং তৰাৰ মেলা' ইত্যাদিৰ দৰে সাহায্য শিবিৰত শিশুসকলৰ মনোৰঞ্জনমূলক শিক্ষা প্ৰদানৰ বিষয়সমূহ সামৰি এক বিস্তৃত প্ৰেজেণ্টেচন প্ৰদান কৰে। উপায়ুক্ত কৈলাস কাৰ্তিক এনেও জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ সাবিশেষ সামৰি বক্তব্য প্ৰদান কৰে। উপায়ুক্তগৰাকীয়ে লগতে অৱগত কৰে যে অহা ১ আৰু ৮ জুলাইত অনুষ্ঠিত হ'বলগীয়া জিলা দুৰ্যোগ প্ৰাধিকৰণৰ বৈঠকত মানসম্পন্ন পৰিচালনা বিধি (এছ অ' পি) অনুসৰি জিলাখনৰ বানৰ ক্ষতিৰ প্ৰতিবেদন প্ৰস্তুত কৰি ১০ জুলাইৰ ভিতৰত দাখিল কৰা হ'ব। বৈঠকত পৰিৱেশ আৰু বন ইত্যাদি বিভাগৰ মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে যি ঠাইত পানী এতিয়াও আছে তাত সাহায্য বিতৰণ অব্যাহত ৰখাৰ উপৰি যিসকল লোক এতিয়াও বানপানীৰ বাবে নিজ গৃহলৈ যাব পৰা নাই তেওঁলোকক গ্ৰীষ্ম বন্ধ চলি থকা কেইদিন বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰত ৰখাৰ উপৰি উপযুক্ত সা-সুবিধা প্ৰদানৰ নিৰ্দেশ দিয়ে। তদুপৰি বানৰ ক্ষতিৰ প্ৰতিবেদন প্ৰস্তুত কৰাৰ দিশত মানসম্পন্ন পৰিচালনা বিধি (এছ অ' পি) অনুসৰি কোনো যোগ্য বান ক্ষতিগ্ৰস্ত যাতে বাদ নপৰে সেইটো নিশ্চিত কাৰৰ পদক্ষেপ লবলৈ সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে বান ক্ষতিগ্ৰস্ত এলেকাত ভ্ৰাম্যমাণ স্বাস্থ্য শিবিৰ, পশু চিকিৎসা শিবিৰ, পৰ্যাপ্ত ব্লিচিং পাউদাৰ ইত্যাদি বিতৰণৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ লগতে বান ক্ষতিগ্ৰস্ত কৃষকসকলে যাতে মানসম্পন্ন কঠীয়াৰ বীজ লাভ কৰে তাৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। বৈঠকত জিলাখনৰ বিধায়কসকলেও নিজৰ নিজৰ সমষ্টিৰ ক্ষয়-ক্ষতি তথা ল'বলগীয়া ব্যৱস্থাৰাজি সম্পৰ্কত পৰামৰ্শ আগবঢ়ায়। জিলাখনৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে সাম্প্ৰতিক বানৰ সময়ত জিলা প্ৰশাসনে লোৱা সক্ৰিয় ভূমিকাৰ শলাগ লোৱাৰ উপৰি এই ধাৰা বানপানীৰ পিছৰ সময়ছোৱাতো অব্যাহত ৰখাৰ বাবে কয়। আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়,ৰঙিয়া মহকুমা আৰক্ষী বিষয়া, অতিৰিক্ত উপায়ুক্ত সকল, ৰাজহ চক্ৰ বিষয়া সকল, সহকাৰী আয়ুক্ত সকল আৰু জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া সকল উপস্থিত থাকে।

## বানপীড়িত অসমত পে'ট্ৰলজাত সামগ্ৰীৰ নিৰৱচ্ছিন্ন যোগান সুনিশ্চিত ইণ্ডিয়ান অইলৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুন ঃ** দক্ষিণ অসমৰ ব্যৱসায়িক প্ৰাণকেন্দ্ৰ শিলচৰে এমাহৰ ভিতৰতে দ্বিতীয়বাৰৰ বাবে বানপানীৰ সন্মুখীন হ'বলগীয়া হয়। অসমৰ সৰ্বমুঠ ৩৫খন জিলাৰ ভতৰত ৩২খনেই বানপানীৰ দ্বাৰা প্ৰভাৱিত হৈছে যদিও এইক্ষেত্ৰত শিলচৰ সৰ্বাধিক পৰিমাণে ক্ষতিগ্ৰস্ত হোৱা পৰিলক্ষিত হৈছে। বিগত সময়ছোৱাত সংঘটিত হোৱা ভূমিস্খলনৰ ফলত শিলচৰ ইয়াৰ সংযোগী পথসমূহৰ পৰাও বিচ্ছিন্ন হৈ পৰিছে। বিদ্যুৎ আৰু মোবাইল সংযোগকে ধৰি ৰাজহুৱা সেৱাসমূহ ব্যাহত হৈ পৰিছে আৰু এনডিআৰএফ, সেনা আৰু বায়ু সেনাৰ দৰে কেন্দ্ৰীয় সংস্থাসমূহ মোতায়েন কৰিবলগীয়া হৈছে। ইণ্ডিয়ান অইলে সক্ৰিয়ভাৱে এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰি প্ৰভাৱিত এলেকাসমূহত এলপিজি আৰু পেট্ৰ'ল-ডিজেলৰ নিৰৱচ্ছিন্ন যোগান নিশ্চিত কৰিছে। শিলচৰৰ ওচৰত আমাৰ নতুনকৈ স্থাপিত মইনোৰবণ্ড ডিপোটো ত্ৰাণকৰ্তা হিচাপে প্ৰমাণিত হৈছে আৰু আঞ্চলিক ভিত্তিত ইন্ধনৰ চাহিদা পূৰণ কৰাৰ উপৰিও স্থানীয় প্ৰশাসনৰ দ্বাৰা নিৰৱচ্ছিন্ন সাহায্য অভিযান নিশ্চিত কৰা হৈছে। নিৰন্তৰ বিদ্যুৎ কৰ্তনৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মোবাইল টাৱাৰ অপাৰেটৰসকললৈ ডিজেলৰ যোগানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলৈ নিৰ্দেশ দিয়া হয় যাতে যোগাযোগ মাধ্যমসমূহ কাৰ্যক্ষম কৰি ৰাখিব পৰা যায়। আমাৰ ডিলাৰ আৰু ডিষ্ট্ৰিবিউটৰ নেটৱৰ্কে আৱদ্ধ চালক/যাত্ৰীসকলৰ বাবে খাদ্য আৰু পানী যোগান ধৰাৰ বাবে যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছে। একেদৰে, নাওবোৰক ডেলিভাৰী ভেনৰ সলনি ব্যৱহাৰ কৰি নাওৰ জৰিয়তে ঘৰে ঘৰে এলপিজি বিতৰণ অব্যাহত ৰখা হৈছে। ইয়াৰ ফলত অসমত মাত্ৰ ১.০৩ দিনৰ এল পি জি চিলিণ্ডাৰৰ বেকলগ আৰু শিলচৰৰ আশে-পাশে থকা অধিক গুৰুতৰভাৱে বানাক্ৰান্ত তিনিখন জিলাত ১.৭ দিনৰ অলপ বেছি বেকলগ লাভ কৰা হয়। এই সংকটময় পৰিস্থিতিত ইণ্ডিয়ান অইলৰ সমগ্ৰ দলটোৰ প্ৰচেষ্টা, মুখ্যতঃ ফ্ৰন্টলাইন কৰ্মচাৰী, ঠিকা কৰ্মী, টিটি দল, নিৰাপত্তাৰক্ষী, এলপিজি ডেলিভাৰী কৰা ব্যক্তিসকল আৰু অন্যান্য অংশীদাৰসকলক লৈ গঠিত আমাৰ ফ্ৰন্টলাইন কৰ্মীসকলে অভূতপূৰ্ব পৰিস্থিতিৰ সন্মুখীন হয় আৰু অঞ্চলটোত অত্যাৱশ্যকীয় পেট্ৰ'লিয়াম সামগ্ৰীৰ নিৰৱচ্ছিন্ন যোগান নিশ্চিত কৰে। ইণ্ডিয়ান অইল হৈছে তেল, গেছ, পেট্ৰ'কেমিকেল, আৰু বিকল্প শক্তিৰ উৎসৰ প্ৰায় সকলো ক্ষেত্ৰতে উপস্থিতি বৰ্তাই ৰখা এক বৈচিত্ৰ্যময়, সংহত শক্তি উদ্যোগ। ২০২১-২২ বিত্তীয় বৰ্ষত ২৪,১৮৪ কোটি টকাৰ মুঠ লাভৰ সৈতে ইণ্ডিয়ান অইল হৈছে দেশৰ সৰ্ববৃহৎ আৰু আটাইতকৈ বিশ্বাসী কৰ্প'ৰেট গোষ্ঠী, যিয়ে এক বিলিয়নতকৈও অধিক ভাৰতীয়ৰ জীৱনক প্ৰভাৱিত কৰে। ৩৩,৫০০ তকৈ অধিক কৰ্মশক্তি, বিস্তৃত শোধন-প্ৰক্ৰিয়া, বিতৰণ আৰু বিপণন আন্তঃগাঁথনি তথা উন্নত উন্নয়নমূলক সুবিধাৰ সৈতে ইণ্ডিয়ান অইলে উপভোক্তা স্পৰ্শবিন্দুৰ ক্ৰম বিস্তাৰিত নেটৱৰ্কৰ জৰিয়তে দেশৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ লোকক শক্তিৰ ব্যৱহাৰৰ সুযোগ প্ৰদান কৰিছে, যি বৰ্তমান ৫০,০০০ৰো অধিক।

## দুই নম্বৰ, স্থান লাভত ব্যৰ্থ চাহিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ২৮ জুন ঃ** আৰ্থিক দৈন্যই শিক্ষাৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হব নোৱাৰে। তাকেই প্ৰমান কৰি দেখুৱালে সৰভোগৰ চাহিল হুছেইন নামৰ মেধাৱী ছাত্ৰগৰাকীয়ে। সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ কলা শাখাত চাহিল হুছেইনে ৯৪.০২শতাংশ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। মাত্ৰ দুই নম্বৰৰ বাবে স্থান লাভৰ পৰা বিৰত থাকিবলগীয়া হ'ল সৰভোগৰ মেধাৱী ছাত্ৰ চাহিল হুছেইন। সৰভোগৰ চকচকা বজাৰৰ প্ৰয়াত মহিবুল হুছেইন আৰু চুফিয়া বেগমৰ পুত্ৰ চাহিল হুছেইনে সৰভোগৰ আগশাৰীৰ শিক্ষানুষ্ঠান বাডছ একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ প্ৰতিটো বিষয়তে লেটাৰ নম্বৰসহ মুঠ ৪৭১ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। অতি দৰিদ্ৰ পৰিয়ালৰ সন্তান চাহিলে দৰিদ্ৰতাক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি একানপতীয়া প্ৰচেষ্টাৰ বলত এই সাফল্য বুটলিবলৈ সক্ষম হৈছে। তেওঁৰ এই সংগ্ৰামত সাৰথি আছিল মাত্ৰ মাতৃ চুফিয়া বেগম আৰু আইতাক খুছিয়া বেগম। ঘৰত উপাৰ্জনকাৰী বুলিবলৈ পুৰুষ এজনো নাই। মাতৃ আৰু আইতাকে ইটো-সিটো কাম কৰি দুই-এপইচা অৰ্জন কৰি চাহিলক পঢ়াই আছে। চাহিলে চেষ্টাত অকনো ত্ৰুটি নকৰি সীমিত সম্পদেৰে প্ৰচেষ্টা চলাই থাকি এই উন্নত ফলাফল লাভ কৰিছে। উল্লেখ্য, হাইস্কুল শিক্ষান্ত পৰীক্ষাতো সুক্ষ্যাতিৰে উত্তীৰ্ণ হোৱাত সৰভোগৰ বাডছ একাডেমী নামৰ ব্যক্তিগত শিক্ষানুষ্ঠানখনে সহায়ৰ হাত আগবঢ়াই চাহিলক বিনামূলীয়াকৈ পঢ়াৰ দায়িত্ব লয়। সৰভোগৰ বাডচ অকাদেমিৰ পৰাই এই সাফল্য লাভ কৰিবলৈ সক্ষম হোৱাত চাহিলে শিক্ষানুষ্ঠান খনৰ স্বত্বাধিকাৰী সুজিত কুমাৰ দাসকে ধৰি প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। মেধাৱী ছাত্ৰ চাহিলে নিজৰ সাফল্যত সন্তুষ্টি প্ৰকাশ কৰে যদিও স্থান লাভৰ পৰা বঞ্চিত হোৱা বাবে আক্ষেপো প্ৰকাশ কৰে। চাহিলে এই সাফল্যৰ কৃতিত্ব আইতাক আৰু মাকৰ উপৰিও অকাদেমিৰ শিক্ষাগুৰু সকলক প্ৰদান কৰে। উচ্চ শিক্ষা আহৰণৰ ক্ষেত্ৰত সন্মুখীন হ'ব লগা প্ৰবল আৰ্থিক সংকটৰ কথা ভাবি চাহিলৰ পৰিয়ালটো দিশহাৰা হৈ পৰিছে। যদিও অধ্যৱসায়কে একমাত্ৰ সাৰথি কৰি লৈ সদ্যহতে স্নাতক মহলাত নামভৰ্তি কৰিব আৰু ভৱিষ্যতে এগৰাকী প্ৰশাসনিক বিষয়া হোৱা আশা মনত পুহি ৰাখিছে।

## বড়মপুৰৰ চাৰিখন সাপ্তাহিক বজাৰৰ বাবে নিবিদা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৮ জুন ঃ** বড়মপুৰ উন্নয়ন খণ্ডৰ অধীনস্থ চাৰিখন সাপ্তাহিক বজাৰৰ কাৰণে আজি নিবিদা আহ্বান কৰা হয়। বজাৰ চাৰিখন হ'ল ক্ৰমে বড়মপুৰ, ননৈৰ শ'লমাৰী, বামুণী আৰু চাপানালা সাপ্তাহিক বজাৰ। জানিব পৰা মতে, প্ৰতি এবছৰৰ অন্তৰে অন্তৰে মহলদাৰৰ দায়িত্বভাৰৰ বাবে লোৱা এই নিবিদা প্ৰক্ৰিয়াত এইবাৰ ১৩গৰাকী লোকে অংশগ্ৰহণ কৰে। অহা এক বা দুই জুলাইত এই নিবিদা প্ৰক্ৰিয়াৰ ফলাফল ঘোষণা কৰা হ'ব বুলি জানিব পৰা গৈছে।





# বড়মপুৰৰ শ্বহীদ উদ্যানৰ ৰাজহুৱা ভৱনত থকাৰ সুবিধা নাই বানাক্ৰান্তৰ

## বিধায়কৰ অনুমতি নথকাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৮ জুন ঃ** নগাঁও জিলাৰ বড়মপুৰত '৪২ৰ চাৰি শ্বহীদৰ স্মৃতিত নিৰ্মাণ কৰা শ্বহীদ উদ্যানৰ গাতে লাগি থকা নৱনিৰ্মিত ৰাজহুৱা ভৱনটোৰ বাৰাণ্ডাত প্ৰায় এসপ্তাহ ধৰি অস্বাস্থ্যকৰ পৰিৱেশত দিন কটাবলগীয়া হৈছে পাঁচটা বানাক্ৰান্ত পৰিয়ালে। জানিব পৰা মতে, কপিলী নদীৰ বানত সৰ্বস্বান্ত হোৱা ননৈ ঘাগৰীয়াল গাঁৱৰ এই পৰিয়ালকেইটাই বিগত প্ৰায় এমাহ ধৰি পশুধনসহ বিভিন্ন স্থানত কটাবলগীয়া হৈছে। শেহতীয়াকৈ তেনে স্থানতো বাঢ়নী পানীৰ বাবে ছয় দিন পূৰ্বে আহি বড়মপুৰ শ্বহীদ উদ্যানৰ বাৰাণ্ডাতে কটাবলৈ বাধ্য হৈছে পৰিয়ালকেইটাই। পৰিয়ালকেইটাই জনোৱা মতে, তেওঁলোকৰ যাৱতীয় বয়-বস্তুসমূহ ৰাখিব পৰাকৈ নৱনিৰ্মিত ভৱনটোৰ এটা কোঠা খুলি দিবলৈ পঞ্চায়ত প্ৰতিনিধিক অনুৰোধ জনাইছে যদিও এই পৰ্যন্ত কোনো ধৰণৰ ব্যৱস্থা নোলোৱাৰ অভিযোগ উঠিছে। এই সম্পৰ্কত আজি বড়মপুৰ আঞ্চলিক পঞ্চায়ত সভানেত্ৰীগৰাকীৰ সৈতে যোগাযোগ কৰাত জানিবলৈ দিয়া মতে, স্থানীয় বিধায়কগৰাকীয়ে ভৱনটোৰ কোঠা খুলিবলৈ অনুমতি নিদিয়াৰ বাবে তেওঁলোকক ভিতৰত আশ্ৰয় ল'বলৈ দিব পৰা নাই। যাৰ বাবে বানাক্ৰান্ত পৰিয়ালকেইটাই এক অবৰ্ণনীয় পৰিৱেশত আৰু নিৰাপত্তাহীনতাৰ মাজেৰে দিন কটাব লগা হৈছে।



উল্লেখ্য যে, উল্লিখিত ভৱনটো বহু বছৰ ধৰি পৰিত্যক্ত হৈ থকাৰ পাছত শেহতীয়াকৈ চূণ-তেল ঘঁহি ন-ৰূপত সজাই তোলা হৈছে আৰু এই ভৱনটোকে আনুষ্ঠানিকভাৱে এই পৰ্যন্ত মুকলি কৰা হোৱা নাই বাবেই এইসকল বানাক্ৰান্ত থকাৰ সুবিধাৰ পৰা বঞ্চিত হৈছে নেকি তাকে লৈ সচেতন মহলত সৰৱ চৰ্চা চলিছে।

**ই-নিলাম জাননী**

**পানীত আক্ৰান্ত প্ৰায় ১৪,৭৫০ কেজি ধান; ১৬,০০০ কেজি চাউল; ১২,০০০ কেজি ভুচি; ২২,৫০০ কেজি তুঁহ আৰু স্পেয়াৰ পাৰ্টছ ইত্যাদি**

আগ্ৰহী ক্ৰয় কৰোঁতাক অংশগ্ৰহণৰ বাবে আহ্বান জনোৱা হৈছে য'ত ই-নিলাম হ'ব "পানীত আক্ৰান্ত প্ৰায় ১৪,৭৫০ কেজি ধান; ১৬,০০০ কেজি চাউল; ১২,০০০ কেজি ভুচি; ২২,৫০০ কেজি তুঁহ আৰু স্পেয়াৰ পাৰ্টছ ইত্যাদি"। এই সামগ্ৰীসমূহ "য'ত আছে", "যি ধৰণে আছে" ভিত্তিত বিক্ৰী কৰা হ'ব আৰু "আপত্তিবিহীনভাৱে" আৰু সামগ্ৰীসমূহ আছে **মেচাৰ্ছ ক্ৰাইয়োফৰ্মা ইণ্ডাষ্ট্ৰিছ প্ৰাঃ লিঃ** ত। সামগ্ৰীসমূহ পৰ্যবেক্ষণ কৰিব পাৰিব মেচাৰ্ছ ক্ৰাইয়োফৰ্মা ইণ্ডাষ্ট্ৰিছ প্ৰাঃ লিঃ, এআইডিচি চৌহদ, নং ২, নাথকুছি টিহু, নলবাৰী, অসম ঠিকনাত, তাৰিখ **২৯-০৬-২০২২ৰ পৰা ০৬-০৭-২০২২লৈ, সময়-পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ** যিকোনো কৰ্মদিনত কেৱল। অনুগ্ৰহ কৰি যোগাযোগ কৰিব পাৰিব পৰ্যবেক্ষণৰ বাবে শ্ৰী জ্যোতিষ্মান বৰা, মোবাইল নং- **৯৮৬৪১১৩৩৫১**।

**ই-নিলাম অনুষ্ঠিত হ'ব ০৭-০৭-২২**

অনুগ্ৰহ কৰি যোগাযোগ কৰিব পাৰে শ্ৰীমতী অঞ্জুম চৈয়দ, মোবাইল নং-**৮৩৬৯৬৫২০৮৮**, প্ৰপত্ৰ আহৰণ কৰিবলৈ সন্নিৱিষ্ট থকা ই-নিলামৰ চৰ্তাৱলীসহ, বা ডাউনলোড কৰিব পাৰিব ৱেবছাইট ঃ https://www.sealthedeal.co.in/.

নিলামত ভাগ লওতাসকলে বন্ধ খামত চুক্তি প্ৰেৰণ কৰিব লাগিব পঞ্জীয়ন কাৰ্যালয়ৰ ঠিকনালৈ- বিপনী নং. ১৪৮, পকেট চি-২, চেক্টৰ ৫, ৰোহিনী, দিল্লী- ১১০০৮৫।

**প্ৰ-পত্ৰ আৰু ইএমডি ডিমাণ্ড ড্ৰাফট দাখিলৰ অন্তিম তাৰিখ ঃ ০৬-০৭-২২**

# নগৰীয়া বানপানী সন্দৰ্ভত কোকৰাঝাৰ জিলা উপায়ুক্তৰ পৰ্যালোচনা বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৮ জুন ঃ** কোকৰাঝাৰ জিলাৰ উপায়ুক্ত আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ বৰ্ণালী ডেকাৰ অধ্যক্ষতাত সোমবাৰে উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত কোকৰাঝাৰ জিলাৰ নগৰীয়া বানপানীৰ কাৰিকৰী সমিতিৰ সদস্যসকলৰ সৈতে এক পৰ্যালোচনা তথা প্ৰস্তুতি বৈঠক অনুষ্ঠিত হয়। বৈঠকখনত ৩০নং পূব কোকৰাঝাৰ (জনজাতি) বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰী, অতিৰিক্ত উপায়ুক্ত, কোকৰাঝাৰ পৌৰ পৰিষদৰ অধ্যক্ষ, সংশ্লিষ্ট বিভাগৰ মুৰব্বী আৰু লগতে কোকৰাঝাৰৰ কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আৰু বি বি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সমল ব্যক্তিসকলে উপস্থিত থাকে। বৈঠকত উপায়ুক্ত বৰ্ণালী ডেকাই কোকৰাঝাৰ চহৰত বানপানীৰ বৰ্তমানৰ অৱস্থাৰ বিষয়ে বুজ লয় আৰু কোকৰাঝাৰ চহৰত আকস্মিক বানপানী আৰু পানী জমা হোৱাৰ কাৰণসমূহ পৰ্যালোচনা কৰে আৰু ইয়াৰ বাবে কোকৰাঝাৰ পৌৰ পৰিষদৰ অধ্যক্ষ, জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু নগৰ আৰু দেশ পৰিকল্পনাৰ উপ-সঞ্চালকৰ পৰা বিভিন্ন বিভাগে গ্ৰহণ কৰা ব্যৱস্থাসমূহ জানি লয়। বিস্তৃতভাৱে আলোচনা কৰাৰ পিছত কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকাই কোকৰাঝাৰ চক্ৰ বিষয়া, জলসিঞ্চন আৰু জল সম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা, নগৰ আৰু দেশ পৰিকল্পনাৰ সহকাৰী সঞ্চালক, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা কাৰ্যসূচী বিষয়া (ডিপিঅ')ক কোকৰাঝাৰ পৌৰ পৰিষদৰ অধ্যক্ষৰ নেতৃত্বত যৌথভাৱে সমীক্ষা চলাবলৈ আৰু এসপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ কয়। তেওঁ লগতে জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাক ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ (এছডিএমএফ) নিয়ম অনুসৰি কোকৰাঝাৰ চহৰৰ পৰা কৃত্ৰিম বানপানী উলিয়াবলৈ নিৰ্ধাৰিত ট্ৰলী মাউণ্টেড পাম্প স্থাপনৰ বাবে এটা প্ৰকল্প প্ৰস্তুত কৰিবলৈ আৰু কোকৰাঝাৰ চহৰৰ মাজেৰে পাৰ হৈ যোৱা ৰে'লপথৰ কালৰ্ভাট বহল কৰাৰ লগতে চিটি ইনফ্ৰা ডেভেলপমেণ্ট ফাণ্ডৰ অধীনত নলা বিপনী নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিবলৈ কয়। তেওঁ কোকৰাঝাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়াক ৰে'ল বিভাগৰ সৈতে সমন্বয় স্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে আৰু স্থানীয় বিধায়ক লৰেন্স ইছলাৰীক বিষয়টো বিটিচি কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ উপৰি, কোকৰাঝাৰ কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আৰু বি বি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধিত্ব কৰা সমল ব্যক্তিসকলক কোকৰাঝাৰ চহৰত পানী জমা হোৱা সমস্যাৰ দীৰ্ঘম্যাদী সমাধান বিচাৰিবলৈ তেওঁলোকৰ গৱেষণা পণ্ডিত আৰু জ্যেষ্ঠ শিক্ষাৰ্থীসকলক অন্তৰ্ভুক্ত কৰি কোকৰাঝাৰ চহৰ অঞ্চল পৰিদৰ্শন কৰি অধ্যয়ন কৰিবলৈ অনুৰোধ জনায়। কোকৰাঝাৰ চহৰৰ নাগৰিকক সামাজিক মাধ্যম আৰু অন্যান্য মাধ্যমৰ জৰিয়তে আৱৰ্জনা নিষ্কাশন সম্পৰ্কীয় বিষয়সমূহৰ ওপৰত সংবেদনশীল কৰি সজাগতা সৃষ্টি কৰিবলৈও উপায়ুক্তই কোকৰাঝাৰ পৌৰ পৰিষদৰৰ অধ্যক্ষক অনুৰোধ জনায়।

**PRESS NOTICE**

The Superintending Engineer, P.W.D., Guwahati Building Circle-I, Fancy Bazar, Guwahati-1 on behalf of the Governor of Assam invites item rate bids in electronic tendering system for the work "Construction of Yoga & Naturopathy Centre at Sathikarpa, Palasbari, Kamrup under United Fund Scheme for the year 2020-21" with an approximate value of work of Rs.1,93,74,901.00 from APWD Building registered contractor of Class-I (A,B,C), having upto date registration and requisite experience in similar nature of work. Details of the bids may be seen at e-procurement portal website: www.assamtenders.gov.in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov.in for participating in the bidding process.

**Note:-**
1. Any modification of tender may be seen in the P.W.D. portal www.assamtenders.gov.in

Sd/-
Superintending Engineer, P.W.D.,
Guwahati Building Circle-I,
Fancy Bazar, Guwahati-1

Janasanyog /C/5466/22




# নগাঁৱত শীৰ্ষ স্থানেৰে সাফল্যৰ ধাৰাবাহিকতা অটুট ৰাখিলে নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে

## মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক বাতাৱৰণ, শিক্ষক-শিক্ষয়িত্ৰীৰ কঠোৰ পৰিশ্ৰম, ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতাৰ বাবে এয়া সম্ভৱ হৈছে ঃ দিলীপ বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সাতগৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম দহটা শীৰ্ষ স্থানৰ ভিতৰত স্থান লাভৰে পুনৰ উজলি উঠিল ৰামানুজন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল। পূৰ্বৰ সাফল্যৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখি ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ খনৰ সাতগৰাকী ছাত্ৰ-ছাত্ৰীয়ে কলা আৰু বিজ্ঞান শাখাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান শাখাৰ পৰা চাৰিগৰাকী আৰু কলা শাখাৰ পৰা তিনিগৰাকীয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান শাখাৰ পৰা স্থান লাভ কৰিছে ক্ৰমে এলড্ৰিন নাথ (চতুৰ্থ স্থান), বৈভৱ সোণোৱাল (সপ্তম স্থান), বিকীৰন নাথ(নৱম স্থান)প্ৰীতম সৰকাৰ(নৱম স্থান)। আনহাতে কলা শাখাত তৃতীয় স্থান লাভ কৰিছে নিলয় কুৰ্মীয়ে লগতে ষষ্ঠ আৰু দশম স্থান লাভ কৰিছে ক্ৰমে উপাসনা শইকীয়া, মেঘনা বৰাই। ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে বিগত বছৰসমূহত উন্নত ফলাফলৰে ৰাজ্যবাসীৰ দৃষ্টি আৰ্কষণ কৰিব সক্ষম হৈছে। অসমৰ বিভিন্ন স্থানৰ পৰা অহা ছাত্ৰ-ছাত্ৰীয়ে ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত অধ্যয়ন কৰি আহিছে। ২০০৫ চনত নগাঁও চহৰৰ এটি ভাৰাঘৰত প্ৰতিষ্ঠা হোৱা ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল (তেতিয়া ৰামানুজন কনিষ্ঠ মহাবিদ্যালয় আছিল)ৰ শিক্ষা বৰ্ষ আৰম্ভ কৰাৰ তিনি বছৰ পিছতেই ব্যাপক সফলতা প্ৰৰ্দশন কৰিবলৈ সক্ষম হয়। ২০০৮ চনত ৰামানুজনৰ ছাত্ৰী পল্লৱী কোঁৱৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত ৰাজ্যৰ ভিতৰত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়।তাৰ পিছৰ বছৰত ৰামানুজনৰ ছাত্ৰ ধীৰাজ কুমাৰ বৰাই বিজ্ঞান শাখাত সপ্তম স্থান লাভ কৰে। ২০১৩ বৰ্ষত ৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান আৰ কলা শাখাত শীৰ্ষ স্হান লাভ কৰে। ২০১৪ বৰ্ষত ৫গৰাকী,২০১৫বৰ্ষত ৭ গৰাকী, ২০১৬ বৰ্ষত ৪গৰাকী, ২০১৭ বৰ্ষত ৭গৰাকী, ২০১৮ বৰ্ষত ৫ গৰাকী, ২০১৯ বৰ্ষত ৭ গৰাকী আৰু ২০২০ বৰ্ষত ১৯ গৰাকী আৰু চলিত বৰ্ষত ৭ গৰাকীয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে ২০১৯ বৰ্ষত বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰত প্ৰথম স্থানন দখলৰে ৰামানুজনৰ ছাত্ৰ বিতোপন আৰন্ধৰাই নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। লগতে ২০২০ বৰ্ষত কলা শাখাত প্ৰথম স্থান দখলৰে নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিছিল ৰামানুজনৰ শ্ৰদ্ধা বৰগোহাঁয়ে। নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ এনে সফলতাৰ আঁৰত আছে শিক্ষা অনুষ্ঠানৰ শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে অধ্যক্ষ দিলীপ বৰাৰ অধ্যৱসায়। শিক্ষা অনুষ্ঠানখনৰ এনে সফলতাৰ সম্পৰ্কত দিলীপ বৰাই কয় যে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়ত্ৰী সকলৰ মাজত যি নিবিড় সম্পৰ্ক শিক্ষানুষ্ঠান খনৰ সফলতাৰ অন্যতম কাৰণ। মহাবিদ্যালয়খনৰ সুস্থ শৈক্ষিক বাতাৱৰণ আছে। অধ্যক্ষজনে কয় উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰত্যেক বছৰত স্থান লাভ কৰাৰ মূলমন্ত্ৰ বুলি কলে ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত টিউচন নোলোৱা, মবাইল ব্যৱহাৰ কেৱল প্ৰয়োজনত কৰা, মটৰ চাইকেল আদি ব্যৱহাৰৰ পৰা বিৰত থকা ইত্যাদি । মহাবিদ্যালয়খনত এনে ফলাফল সম্ভৱ হৈছে উপাধ্যক্ষ সংগীতা বৰা বৰুৱাৰ কঠোৰ পৰিশ্ৰমৰ লগতে শিক্ষক, শিক্ষয়িত্ৰীসকলৰ কঠোৰ শ্ৰমৰ বাবে। তেওঁ লগতে কয় অসমত বৰ্তমান সুস্থ শৈক্ষিক বাতাৱৰণ সৃষ্টি হৈছে। গতিকে প্ৰত্যেকগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে কঠোৰ পৰিশ্ৰম আৰু সহৃদয়তাৰে অসমৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰৰ ভিতৰত প্ৰথম স্থানত থাকিব পৰাকৈ গঢ়ি তোলাৰ দায়িত্ব ল'ব বুলি মোৰ আশা। উল্লেখ্য, কৰ'না মহামাৰীৰ বাবে এইবাৰ সৰহসংখ্যক দিনেই অনলাইন ক্লাছ হৈছিল। সীমিত দিনহে মহাবিদ্যালয়ত অফলাইন ক্লাছ হৈছিল। তাৰ বাবে ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ দিলীপ বৰা তথা প্ৰত্যেক গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ কঠোৰ পৰিশ্ৰম ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতাৰ বাবেই ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ স্থান লাভৰ যি পূৰ্বৰ ধাৰাবাহিকতা সেয়া অক্ষুন্ন ৰাখিবলৈ সক্ষম হ'ল।

## ঘোগৰগাঁৱত পানীত পৰি যুৱকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৮ জুন ঃ** বড়মপুৰ ১নং ঘোগৰগাঁৱৰ এজন যুৱকৰ আজি পানীত পৰাৰ ফলত মৃত্যু হয়। মৃত যুৱকজনৰ নাম পবিত্ৰ বৰা (৩২)। জানিব পৰা মতে আজি পুৱাতে তেওঁ ঘোগৰ জলাহত মাছ মাৰিবলৈ গৈছিল যদিও বহু সময়লৈ ঘৰলৈ উভতি অহা নাছিল । পিছত স্থানীয় লোকে তেওঁক পানীৰ পৰা উদ্ধাৰ কৰি ততাতৈয়াকৈ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ লৈ যায় যদিও ইতিমধ্যে তেওঁৰ মৃত্যু হয়।

Affordable Health Mission
GNRC
Quality • Value • Trust
জিএনআৰচি টেলিমেডিচিন সেৱা
ঘৰতে বহি এতিয়া আপুনি পাব পাৰে
জিএনআৰচিৰ বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা পৰামৰ্শ
আজিয়েই ডাউনল'ড কৰক
GNRC Telehealth App
(Google Play store ত উপলব্ধ)
যোগাযোগ ঃ 1800-345-0022
info@gnrchospitals.com
www.gnrchospitals.com

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৯ জুন ■ ২০২২ ■ ১৪ আহাৰ ■ গুৱাহাটী

## ৰাজ্যত জলপ্ৰলয় ঃ নাই বিজ্ঞানসন্মত আঁচনি

অসমত বানে যি ধৰণে প্ৰলয়ৰ সৃষ্টি কৰিলে সেয়া কাৰো অবিদিত নহয়। বানে সৃষ্টি কৰা প্ৰলয়ৰ মাজত কক্‌বকাইছে অসমৰ জনসাধাৰণ। ডিমা হাচাও জিলাৰ লগতে নামনি অসম, মধ্য অসম, বৰাকত এইবাৰ বানপানীয়ে সৃষ্টি কৰিলে অভূতপূৰ্ব দুৰ্যোগৰ। বৰষুণৰ পৰিমাণ হ্ৰাস পালেও বহু জিলা, বহু অঞ্চল আজিও ডুবি আছে বানত। ঘৰ-দুৱাৰ, আপোনজনক বানত হেৰুৱাই বহুজনে ৰাজপথত আশ্ৰয় শিবিৰতে থাকি কৰিবলগীয়া হৈছে আৰ্তনাদ। ইতিমধ্যে চলিত বানতে মৃত্যুক সাবটি ল'লে ১১০জনকৈ লোকে। প্ৰতি বছৰে হোৱা বানপানীয়ে অসমৰ জনসাধাৰণৰ বিস্তৰ ক্ষতি কৰি আহিছে। প্ৰতি বছৰে লাখ লাখ লোকে হেৰুৱাইছে ঘৰ, ভূমি, শস্য, খেতিপথাৰ। প্ৰতি বছৰৰ বানৰ প্ৰলয়ৰ পিছতো কিন্তু আজিলৈকে অসমৰ বান সমস্যাৰ নোলাল কোনো স্থায়ী সমাধান সূত্ৰ। দল-সংগঠনৰ দাবীৰ পিছতো অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা নকৰিলে কেন্দ্ৰই। স্বাধীনতাৰ পিছত কেইবাখনো চৰকাৰ কেন্দ্ৰত শাসনভাৰ হাতত লৈ গাদীত বহিলে যদিও কোনো এখন চৰকাৰেই অসমৰ বান সমস্যাটোক গাপ দি নিজৰ গাদীখনহে ৰক্ষা কৰি নীৰৱ দৰ্শক হৈ থাকিল। বানপানীয়ে অসমত কি ৰূপত দুৰ্যোগৰ সৃষ্টি কৰি আহিছে সেয়া খোদ চৰকাৰী তথ্যতে উন্মোচন হৈছে। যোৱা সাত বছৰত অৰ্থাৎ ২০১৬ চনৰ পৰা ২০২২ চন পৰ্যন্ত কেৱল বানপানীত ৰাজ্যখনৰ ৬১২জনকৈ লোকে মৃত্যুক সাবটি ল'ব লগা হৈছে। অসম চৰকাৰৰ তথ্য অনুসৰি বানত ২০১৬ চনত মৃত্যুৰ সংখ্যা ৬৪জন আছিল, তাৰ পিছৰ বছৰত অৰ্থাৎ ২০১৭ চনত ১৬০জনলৈ বৃদ্ধি পায়, ২০১৮ চনত ৪৫জন, ২০১৯ চনত ১০১জন, ২০২০ চনত ১২৪জন ২০২১ চনত আঠজনৰ বিপৰীতে চলিত বছৰটোত আজিৰ দিনলৈ প্ৰকাশ পোৱা মতে ১১০জনকৈ লোকে মৃত্যুক সাবটি লৈছে। চৰকাৰী তথ্য অনুসৰি ২০১৬ চনৰ পৰা ২০২১ চনলৈ ৰাজ্যখনৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা অধিক হৈছে মৰিগাঁও জিলাত। জিলাখনত সংখ্যা হিচাপত ৮৫জন লোকৰ মৃত্যু হৈছে। সেইদৰে বৰপেটা, ধেমাজি, গোৱালপাৰা আৰু লখিমপুৰত ক্ৰমে ৪৮, ৩৮ আৰু ২৫জন লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। মৃত্যুৰ লগে লগে প্ৰতি বছৰে বানৰ সৈতে যুঁজ দি কৃষিকৰ্ম সম্পাদন কৰিব লগা হৈছে। অসমৰ কৃষক সমাজে বানৰ সৈতে যুঁজ দি সৰ্বস্বান্ত হৈছে। তথ্য অনুসৰি ২০২১ চনলৈ ৰাজ্যখনৰ ৯ লাখ হেক্টৰ শস্যভূমি বানপানীত ক্ষতিগ্ৰস্ত হৈছে। এনেদৰে বানত যোৱা কেইবা বছৰত লাখ লাখ হেক্টৰ শস্যভূমি বানত ক্ষতিগ্ৰস্ত হৈছে। আৰু ইয়েই উদঙাই দিছে প্ৰতি বছৰে অসমৰ বানৰ ভয়ংকৰ ৰূপৰ ছবিখন। ইয়াৰ পিছতো কেন্দ্ৰীয় চৰকাৰৰ এই সমস্যাৰ প্ৰতি আওকাণত ৰাজ্যবাসী স্বাভাৱিকতে চিন্তিত। কাৰণ আজিলৈ চৰকাৰে কোনো বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণৰ পৰা বিৰত থকাটোহে চিন্তনীয়। উল্লেখ কৰিব পাৰি যে ৬০-৭০ দশকতে নিৰ্মাণ কৰা মথাউৰিটোৱে প্ৰতি বছৰে বান প্ৰতিৰোধী যুঁজ দি আহিছে অসমে। এই মথাউৰিবোৰৰে বান প্ৰতিৰোধ কৰাটো অস্বাভাৱিক হৈছে, কাৰণ প্ৰতি বছৰে হোৱা বানপানীত বিভিন্ন জিলাত মথাউৰিবোৰৰ বিস্তৰ ক্ষতি হৈ আহিছে। এনে ক্ষতিৰ পিছত পুনৰ নিৰ্মাণ, মেৰামৰি কৰা ব্যৱস্থাৰেই প্ৰতি বছৰে বান সমস্যাৰে মোকামিলা কৰি আহিছে চৰকাৰে। কিন্তু তৎসত্ত্বেও বানত ৰাজ্যবাসীয়ে কক্‌বকাই কটাই আহিছে নিজৰ ঘৰ-দুৱাৰ, খেতিপথাৰকে ধৰি জীৱনৰ সৰ্বস্ব হেৰুৱায়। চৰকাৰৰ তথ্য মতেই বিগত সাত বছৰত ছশৰো অধিক লোকৰ মৃত্যু, ছবছৰত ৯ লাখৰো অধিক হেক্টৰ শস্যভূমি ক্ষতি হোৱাৰ পিছত ৰাজ্যবাসীৰ দুয়োখন চৰকাৰৰ বান সমস্যাৰ কথাটোৰ প্ৰতি উদাসীন ভাবৰ স্পষ্ট প্ৰকাশ হৈছে। নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পক লৈ ৰাইজৰ আশংকাৰ মাজতে ভূটানত বৃহৎ নদীবান্ধ নিৰ্মাণৰ খবৰ প্ৰকাশ পোৱাৰ পিছত স্বাভাৱিকতে ৰাইজৰ মনত উৎকণ্ঠা বঢ়াটো স্বাভাৱিক। এনে ক্ষেত্ৰত সমস্যা সমাধানৰ পথ সুদূৰপ্ৰসাৰী।

# অসমীয়া সমাজত বিয়া তেতিয়া আৰু এতিয়া



■ অমল চন্দ্ৰ কোঁৱৰ

বিয়া। অসমীয়া সমাজত বিয়া এক সামাজিক উৎসৱ বুলি ক'ব পাৰি। অসমীয়া সমাজৰ বিভিন্ন জাতিৰ লোকসকলে নিজ নিজ পৰম্পৰা অনুসৰি বিয়া পাতে। কিন্তু তাহানিৰ বিয়া আৰু আজিৰ বিয়াৰ মাজত এক বুজাব নোৱৰা পাৰ্থক্য আহি পৰিছে। কোৱা হয় জন্ম, মৃত্যু আৰু বিবাহ, এই তিনিওটা কোনেও নিজে সৃষ্টি কৰি ল'ব নোৱাৰে। অৰ্থাৎ জন্ম, মৃত্যু আৰু বিবাহ বিধিৰ বিধান বুলি কোৱা হয়। জন্ম বা মৃত্যু যেনেকৈ বিধিৰ বিধান অৰ্থাৎ কোনেও ইচ্ছা মতে জন্ম হ'ব নোৱাৰে বা মৃত্যুও হ'ব নোৱাৰে ঠিক তেনেকৈ কোনেও নিজ ইচ্ছা অনুসৰি বিবাহ হ'ব নোৱাৰে বুলি অসমীয়া সমাজত এক লোক-বিশ্বাস আছে। অসমীয়া সমাজত বিবাহ হ'ল এক সম্প্ৰীতিৰ সমন্বয়ৰ উৎসৱ। কোনো সম্পৰ্কীয় লোক বা বন্ধু-বান্ধৱী বা লগৰ সমনীয়া কিবা কাৰণত ঘৰৰ পৰা দূৰত থাকিলে এই বিবাহ উৎসৱতে এক লগ হোৱাৰ এক সুন্দৰ সুযোগ পায় আৰু এই বিবাহ উৎসৱতে বহুটো নতুন মানুহৰো চিনাকি হয়। মুঠৰ ওপৰত বিবাহ হ'ল অসমীয়া লোকৰ সামাজিক দায়বদ্ধতা আৰু নীতি-নিয়মবোৰ সদাচাৰে পালন কৰা এক উৎসৱ। আমি সৰু হৈ থাকোঁতে কাৰোবাৰ বিয়াৰ বাবে মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালী বিবাহৰ উপযুক্ত হ'লে দৰা বা কইনা চোৱা-চিতা কৰিবৰ বাবে সমন্ধীয় লোকক বা বন্ধুবৰ্গক খাটনি ধৰিছিল আৰু তেওঁলোকে দৰাৰ বাবে কইনা আৰু কইনাৰ বাবে দৰা ঘৰৰ লগত যোগাযোগ কৰি দিছিল। যাক অসমীয়া সমাজত 'ঘটক' বুলি কোৱা হয়। এয়া আছিল অসমীয়া সমাজৰ এক সামাজিক পৰম্পৰা। ঘৰৰ পৰিয়ালে সকলো দিশ বিবেচনা কৰি দৰা-কইনা ঠিক কৰাত ব্যস্ত হৈ পৰিছিল আৰু এদিন নিজৰ ল'ৰা বা ছোৱালীৰ বিবাহ কাৰ্য সম্পন্ন হৈছিল। অসমীয়াত এটা প্ৰথা আছিল দৰা-কইনা পছন্দ হোৱাৰ পাছত কোনোৱা জ্যোতিষীৰ ওচৰত 'ৰাহি-যোৰা' চাইছিল। যদি দৰা-কইনা পছন্দ হৈছে কিন্তু ৰাহি-যোৰা অহা নাই তেতিয়া অসমীয়া সমাজৰ সেই বিয়া নহৈছিল। ৰাহি-যোৰা মিলিলেহে অসমীয়া সমাজত বিবাহ হৈছিল। অসমীয়া সমাজত বিয়া পতাটো এটা প্ৰচলিত নিয়ম আৰু ল'ৰা-ছোৱালীক বিয়া পাতি দিয়াটো মাক-দেউতাকৰ এটা গধুৰ দায়িত্ব আৰু সমাজৰো এটা দায়িত্ব আছিল। সফল পিতৃ-মাতৃৰ বাবে নিজৰ ল'ৰা-ছোৱালীক পঢ়া-শুনা কৰি যেনেকৈ একোটা চাকৰি যোগাৰ কৰি দিয়াটো দায়িত্ব আছিল ঠিক তেনেকৈ সন্তানৰ উপযুক্ত বয়স হ'লে বিয়া পাতি দিয়াটো এটা দায়িত্ব বুলি ভাবিছিল। অসমীয়া সমাজত বিশেষকৈ গ্ৰাম্য সমাজত ৰাইজক সাক্ষাৎ কৰি নিজৰ সন্তানৰ বিয়া পতাটো এটা গৌৰৱৰ কথা আছিল।

আজিকালি বিয়া ঠিক আগৰ দৰে হৈ থকা নাই। প্ৰায়েই বিয়াৰ বাবে ল'ৰাই নিজৰ পছন্দৰ ছোৱালী আৰু ছোৱালীয়ে নিজৰ পছন্দৰ ল'ৰা আগতীয়াকৈ চাই থয়। আগৰ দৰে মাক-দেউতাকে দৰা-কইনা পছন্দ কৰা বা 'ঘটক' বিচাৰিব নালাগে। নিজেই নিজৰ পছন্দ কৰাৰ পাছতহে অভিভাৱকক জনায় আৰু অভিভাৱকে তাহানিৰ দৰে ৰাহি-যোৰা চোৱাৰ নিয়ম বা ঘৰৰ পৰিয়ালৰ পছন্দ-অপছন্দৰ কথা এই বিয়াত নাথাকে। আজিকালি প্ৰায়েই ফেচবুক হোৱাট্‌ছএপৰ যোগেদি চিনাকি হৈ পিছলৈ দুয়োৰে বিবাহৰ প্ৰস্তাৱ দি পিছত নিজ নিজ ঘৰত বিয়াৰ কথা কয়। তাহানিৰ দিনত গাঁৱত কাৰোবাৰ ঘৰত বিয়া হ'লে গাঁৱৰ ডেকা-বুঢ়াই বিয়া ঘৰত বিয়াৰ দহ-পোন্ধৰ দিনৰ পূৰ্বৰে পৰাই ৰভা দি এক আনন্দমুখৰ পৰিৱেশ সৃষ্টি কৰি থাকে। আজিকালি কাৰোবাৰ ঘৰত বিয়া হ'লে 'টেণ্ট হাউছ'ক ঠিকা দিয়ে বিয়াৰ 'পেণ্ডেল'ৰ বাবে। তাহানিতে গাঁও বা চহৰত কাৰোবাৰ বিয়া হ'লে ওচৰৰ ডেকা ল'ৰাই অতিথিক আপ্যায়নৰ বাবে সাজু হৈ পৰিছিল আৰু বিয়াৰ আগদিনাৰ পৰাই বিয়া ঘৰত আহি পিছদিনাৰ বিয়াৰ খোৱা-বোৱা যাৱতীয় ব্যৱস্থা কৰিছিল। আজিকালি নগৰ কি চহৰ সকলো বিয়াৰ অতিথিক আপ্যায়নৰ বাবে আছে 'কেটাৰিং পাৰ্টী'। যাৰ বাবে পূৰ্বৰ সেই বিয়াৰ মাদকতা নাই আৰু ওচৰ-চুবুৰীয়াৰ আন্তৰিকতা নাই। কেতিয়াবা দেখা যায় কিবা কাৰণত দৰা-কইনা পছন্দ হ'লে যদি দৰা-কইনা সংঘ বা অনা সংঘ পৰিয়ালৰ হয় তেতিয়া দুয়োটা পৰিয়ালেই বিয়াখন পতাত কিছু অসুবিধাৰ সৃষ্টি হয়। কিন্তু কিবা কাৰণত যদি সেই বিয়াখন হৈ যায় তেতিয়া দুয়োটা পৰিয়ালে পাছত মিলা-প্ৰীতিৰে অহা-যোৰা কৰে। প্ৰাচীন হিন্দু শাস্ত্ৰ মতে বিবাহ আঠ প্ৰকাৰৰ। যেনে- দৈৱ, ব্ৰাহ্ম, আৰ্য আৰু প্ৰজাপত্য বিবাহ। এই চাৰি প্ৰকাৰৰ উৎকৃষ্ট বিবাহ আৰু আন চাৰি প্ৰকাৰৰ বিবাহ হ'ল অসুৰ বিবাহ, গন্ধৰ্ব বিবাহ, ৰাক্ষস বিবাহ আৰু পিশাচ বিবাহ। পিছৰ চাৰি প্ৰকাৰৰ বিবাহক নিকৃষ্ট বিবাহ বুলি কোৱা হয়। আমাৰ সমাজত অৱশ্যে ব্ৰাহ্ম আৰু প্ৰজাপত্য বিবাহ প্ৰচলনহে আছে। যি পদ্ধতি বিবাহ দৰা আৰু কইনা সন্মতিসাপেক্ষে অনুষ্ঠিত হয়। যি বিবাহক সমাজত অতি জনপ্ৰিয় এক উৎসৱ বুলি ক'ব পাৰি। এই বিবাহক এহাল উপযুক্ত বয়সৰ যুৱক-যুৱতীক যুগ্ম জীৱন পালন কৰিবলৈ ৰাজহুৱাকৈ অনুমতি প্ৰদান কৰা হয় আৰু দুয়োকে আশীৰ্বাদো দিয়া হয়। যি বিবাহত দৰা-কইনা দুয়ো



পক্ষই এক উলহ-মালহেৰে, ধুম-ধামেৰে আয়োজন কৰে আৰু পাছত দুয়োপক্ষই মিতিৰ হিচাপে সম্বন্ধ ৰাখে। অসমীয়া সমাজত আহোম সম্প্ৰদায়ৰ লোকসকলে 'চকলং' প্ৰথাৰে এশ এগচি বন্তি জ্বলাই হেংদাঙক সাক্ষী কৰি বিবাহ কাৰ্য সমাপন কৰে আৰু অন্যান্য সম্প্ৰদায়ৰ লোকসকলে 'হোম' পুৰি আৰু শংকৰ সংঘৰ লোকসকলে নামেৰে বিবাহ কাৰ্য সমাপন কৰে। এয়াই হ'ল অসমীয়া সমাজৰ বিবাহ প্ৰথা। আগৰ দিনত বিয়াৰ এক বিশেষ চিন্তা আছিল- ৰন্ধা-বঢ়া। আগতে গাঁৱৰ ৰাইজে মিলি বিবাহৰ খাদ্য-সামগ্ৰী ৰন্ধা-বঢ়া কৰিছিল। আজিকালি গাঁও কি চহৰ সকলোতে কাৰিকৰে ৰন্ধা-বঢ়া কৰে। আগতে সামাজিক নীতি-নিয়ম মতে গাঁও অঞ্চলত গাঁৱৰ ৰাইজে ৰভা দিয়াৰ লগতে বিয়া দিনা অতিথিক আপ্যায়নৰ বাবে কলপটুৱাৰ দুক বনাইছিল আজিকালি প্লাষ্টিক ডিছ আহিল। এতিয়া পূৰ্বৰ পৰম্পৰা ভংগ কৰি কোনে কিমান সুন্দৰকৈ 'পেণ্ডেল' বনাই ৰঙা-নীলা লাইট জ্বলাব পাৰে তাৰ অঘোষিত প্ৰতিযোগিতা চলে। অতিথিক আপ্যায়নৰ কথাত কোনে কিমান দামী দামী খানা খুৱাব পাৰে তাৰো এক প্ৰতিযোগিতা নচলা নহয়। মুঠৰ ওপৰত এতিয়া বিবাহ বুলি ক'লে পূৰ্বৰ সেই মাদকতা নাই। আছে মাথোঁ খাদ্য আৰু পেণ্ডেলৰ এক জাক-জমকতাৰ প্ৰতিযোগিতা। বিবাহ বুলি ক'লে এতিয়া পূৰ্বৰ সেই মৰম-চেনেহ নাই। আছে মাথোঁ বিবাহৰ দিনা যেনে-তেনে উপস্থিতি থাকি বিবাহ বাহৰত এখন্তেক দেখা দি পৰিয়ালক যেনে-তেনে মুখখন দেখুওৱা।

*ফোন ঃ ৭০০২৯-২৬০৭০*

# আকৌ বান আহিছে ঃ ৰূপহী নৈৰ আঁত ধৰি...

## (ৰূপহী-পহুমাৰা যেতিয়া ওফন্দি উঠে)

■ ৰাছিদুল হক আহমেদ

এয়া যেন বানৰ সময়। আমাৰ মাতৃভূমি অসমী আইৰ সৰহসংখ্যক জিলা এতিয়া বানৰ কবলত। বছৰৰ এই সময়খিনিতে একাংশৰ জীৱনলৈ নামি আহে কাল অমানিশা। বানপীড়িত ৰাইজৰ এতিয়া নাজল-নাথল অৱস্থা। নাই থাকিবলৈ ঘৰ, নাই খাবলৈ অন্ন, এতিয়া জীৱন এক দুৰ্বিষহ। সপোনৰ ঘৰখন যেতিয়া বানপানীৰ কবলত, ঘৰ, আঁচ-বাব এতিয়া পানীৰ প্ৰবল সোঁতত, অতি কষ্টৰে চপোৱা সোণগুটি (ওহোৱা ধান)খিনি পানীৰ তলত, আদৰৰ শিশু দুটি এমুঠি অন্নৰ বাবে যেতিয়া ক্ৰন্দনৰত, মাকজনীয়ে টুলুঙা নাও এখনত যেতিয়া ভাতমুঠি বনোৱাৰ বাবে আপ্ৰাণ চেষ্টাত মগ্ন। আপুনি কল্পনা কৰিব পাৰিবনে? সেই পৰিয়ালটিৰ দুৰৱস্থাৰ কথা। এয়া কেৱল এটি পৰিয়ালৰ কাহিনী নহয়, এয়া এতিয়া আমাৰেই অসম মূলকৰ হাজাৰ হাজাৰ পৰিয়ালৰ এক ৰূঢ় বাস্তৱ। আমি ভাষাৰে বৰ্ণনা কৰিবলৈ আজি অপাৰগ, সকলো কথা বৰ্ণনা কৰিব নোৱাৰি। মাথোঁ কল্পনা কৰক এনেকুৱা পৰিৱেশতো যেতিয়া ভূতৰ ওপৰত দানহ পৰা দি বৰুণ দেৱতাই ধৰালৈ ধাৰাসাৰ বৃষ্টি নমাই আনিব, ওহঃ কি এক দুৰ্বিষহ। এইখিনি লিখাৰ পৰতেই মনৰ অজানিতে চকুযুৰি চলচলীয়া হৈ গৈছে, বুকুখনো বৰকৈ বিষাইছে। সেই বুলি আমাৰ কলম স্তব্ধ নহ'ব। আজি লিখিম, অসমবাসীক জনাম, জনাম বিশ্ববাসীক লগতে জনাম আপোনাকো। আমাৰ দেশে ১৯৪৭ চনৰ ১৫ আগষ্টতেই যদিও স্বাধীনতা লাভ কৰিলে, পিছে প্ৰকৃত অৰ্থত আমিবোৰ আজিও স্বাধীন নে? এই প্ৰশ্নটোৱে আপোনাৰ মনতো কেতিয়াবা দোলা দি পাইছে নে? স্বাধীনতা লাভ কৰাৰ আজি ৭৫ বছৰ হৈ গ'ল, সৰহ সময়খিনিতে কংগ্ৰেছ দলে শাসন কৰিলে। পিছে উত্তৰ-পূব তথা বিশেষকৈ অসমৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগী আজিও সন্দেহৰ আৱৰ্তত। চীনৰ আক্ৰমণৰ সময়ত কোৱা জৱাহৰলাল নেহৰুৰ কথা আজিও মনে মনে ভাবো, প্ৰকৃততে সেয়াই আছিল নেকি কংগ্ৰেছৰ অসম প্ৰেম। পৰৱৰ্তী সময়ত কেন্দ্ৰত মোৰাৰজী দেশাইৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে অকংগ্ৰেছী চৰকাৰ গঠন হ'ল, তাৰ পিছতো অন্যান্য দলৰ সন্মিলিত চৰকাৰ আহিল। পিছলৈ বিজেপি নেতৃত্বাধীন অটল বিহাৰী বাজপেয়ী চৰকাৰ, ২০০৪ চনত পুনৰ মনোমোহন সিং নেতৃত্বাধীন ইউ পি এ চৰকাৰ। আমাৰ অসমে দিলে দেশক প্ৰধানমন্ত্ৰী, পিছে প্ৰধানমন্ত্ৰীয়ে অসমবাসীক দিলে কি? এয়াহে এক লাখটকীয়া প্ৰশ্ন। তাহানিৰ পৰাই অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবৰ বাবে বিভিন্ন দল-সংগঠনৰ পৰা আৰম্ভ কৰি সাধাৰণ জনতায়ো দাবী কৰি আহিছে। নাই, কোনো চৰকাৰৰে এইক্ষেত্ৰত কাণসাৰ নাই। সমান্তৰালভাৱে অসমতো সময়ে সময়ে চৰকাৰ পৰিৱৰ্তন হৈছে, পিছে বানপানীৰ সমস্যা আজিও সমস্যা হৈয়ে জীয়াই আছে। জনতাক সপোনৰ অসম উপহাৰ দিম বুলি প্ৰতিশ্ৰুতি দি, এইবাৰ শাসনলৈ আহিল নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰ। সমানে সমানে অসমতো বিজেপি নেতৃত্বাধীন সৰ্বানন্দ সোণোৱালৰ চৰকাৰ, এতিয়া ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰ। ভাষণৰ ফুলজাৰিৰে জনতাৰ মন জয় কৰিবলৈ সক্ষম হ'লেও, জনতাৰ সমস্যাসমূহ সমাধান কৰাত আজিও চূড়ান্তভাৱে ব্যৰ্থ চৰকাৰ। বানপানীৰ বিষয়টো যিহেতু কেন্দ্ৰীয় চৰকাৰৰ আউটিত, ৰাজ্য চৰকাৰে প্ৰৱল চাপ সৃষ্টি কৰিব নোৱৰাৰ সমান্তৰালভাৱে কেন্দ্ৰীয় চৰকাৰৰ উদাসীন মনোভাবৰ বাবেই আজিও অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা নহ'ল। যাৰ ফলত উজাগৰে দিন পাৰ কৰিব লগা হৈছে অসমী আইৰ সতি-সন্ততিসকল। চৰকাৰৰ জলসম্পদ বিভাগটোৱে বাৰিষাৰ সময়তহে তৎপৰতা দেখুৱাই দুই-এঠাইত কাম কৰি কেমেৰাৰ সন্মুখত নানা ধৰণৰ আভুৱা-ভাঁৰি সস্তীয়া জনপ্ৰিয়তা লোৱাত ব্যস্ত থাকে। পিছে আজি আমি ৰূপহী-পহুমাৰা নৈ-পৰীয়া ৰাইজৰ কিছু কৰুণ গাথা আপোনালোকৰ সন্মুখত উপস্থাপন কৰাৰ চেষ্টা কৰিম।

বজালী জিলাৰ ভবানীপুৰ খণ্ডৰ ১১৫নং ধুমাৰ পথাৰ গাঁও পঞ্চায়তৰ সোঁ-মাজেৰে বৈ গৈছে ৰূপহী নামৰ নৈখন। ভূটানৰ পাদদেশৰ পৰা বৈ অহা ৰূপ-লাৱণ্যৰে ভৰপূৰ ৰূপহী নৈখন কঁঠালমুৰীঘাট নামৰ ঠাইত পহুমাৰা নৈৰ সৈতে সংযোগ হৈছে। আৰু আমি সেই সংযোগস্থলীৰ নিচেই কাষৰ বাসিন্দা। ৰূপহী নৈখনৰ সংযোগে যেন পহুমাৰা নৈখনৰ শক্তি দুগুণে বৃদ্ধি কৰিছে। বাৰিষা কালত যেতিয়া দুয়োখন নৈৰ পানী ফেনে-ফোটোকাৰে বাঢ়ি আহে তেতিয়াই নৈপৰীয়া ৰাইজৰ জীৱনলৈ নামি আহে ঘোৰ অমানিশা। প্ৰতি বছৰে বান আহে, বানে ৰুদ্ৰমূৰ্তি ধাৰণ কৰাৰ ফলত সৰ্বসাধাৰণ ৰাইজক সৰ্বস্বান্ত কৰি পেলায়। এইবাৰো তাৰ ব্যতিক্ৰম নহয়। চৰকাৰৰ এছডিআৰএফ-এনডিআৰএফ বাহিনীয়ে উদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে। যদিও মানুহখিনিক উদ্ধাৰৰ চেষ্টা চলাইছে, পিছে ঘৰচীয়া জীৱ-জন্তুৰ বিননী কোনে বুজিব। কিদৰে জীয়াই আছে ঘৰৰ গৰুহাল, গাইজনী, ছাগলী-ভেৰা আদি কৰি হাঁহ-কুকুৰা আদি। ৰূপহী নৈখনৰ বাঢ়নী পানীৰ ফলত হলংবাৰী, কঁঠালমুৰীঘাট, বতিয়ামাৰী, চেংলীমাৰী, মাধপুৰ, পাণপাৰা, শিলাপাটনী আদিৰ একাংশ অঞ্চল এতিয়া বানৰ কবলত। যদিও সাধাৰণতে আমাৰ অঞ্চলটোক ওখ অঞ্চল হিচাপে গণ্য কৰা হয়, তাৰ পিছতো বছৰটোৰ প্ৰথম বানপানীয়ে যি এক পৰিৱেশৰ সূচনা কৰিলে, এয়া নিশ্চয়কৈ এক চিন্তাৰ বিষয়,গভীৰ উদ্বেগৰ বিষয়। জিলা প্ৰশাসনে যদিও তৎপৰতা অব্যাহত ৰাখিছে, তথাপি সেয়া যে পৰ্যাপ্ত নহয় সেয়া বাৰুকৈ উপলব্ধি কৰিছে বানপীড়িত ৰাইজে।

আজি বৰকৈ মনত পৰিছে সেই খহনীয়াপীড়িত গাঁওসমূহৰ কথা। বছৰে বছৰে যেতিয়া নিজৰ আপোন ঘৰখন চকুৰ সন্মুখতে খহনীয়াৰ কবলত পৰে, জীয়াই থকাৰ তাড়নাই যেতিয়া অন্য স্থানলৈ অনিচ্ছা সত্ত্বেও যাবলৈ নিয়তীয়ে বাধ্য কৰে আকৌ যেতিয়া বাৰিষা কালত বান আহে। তেতিয়া সেই পৰিয়াল-গাঁওখনৰ বাকী থাকে কি? আনফালে সেই একেই মানুহখিনিকে যেতিয়া 'বিদেশী' বোলা শব্দটোৰে অপমানিত, নিৰ্যাতিত কৰা হয়। চহৰৰ ওখ ওখ অট্টালিকাত শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থাকি নিজকে জাতিৰ ৰক্ষক বুলি ভবাবোৰৰ এবাৰ এইবোৰ কথা ভাবিবলৈ চেষ্টা কৰিছেনে? নাই কৰা, নকৰে আৰু কৰাৰ দৰকাৰ আছে বুলিও অনুভৱ নকৰে। সেয়া যি কি নহওক, বানপানীৰ কোনো ধৰ্ম নাই, নাই কোনো বৰ্ণ। বানপানী যেতিয়া আহে তেতিয়া সকলোকে এক দুৰ্বিষহ জীৱন দি থৈ যায়। সেয়েহে আমি সকলোৱে একেলগে বানপানীৰ পৰা নিজকে বচাই ৰখাৰ বিজ্ঞানসন্মত নীতি গ্ৰহণ কৰিব লাগিব। অন্ততঃ নিজৰ ঘৰখন, নিজৰ গাঁওখন আৰু অসমখনক ৰক্ষাৰ স্বাৰ্থত। লগতে আমি আজিও এই লেখাৰ জৰিয়তে অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ লগতে তাৎক্ষণিকভাৱে এক স্পেচিয়েল পেকেজ দিবৰ বাবে দাবী জনালোঁ।

*ফোন ঃ ৯১০১৬-২১৪৩২*

◆◆◆সমান্তৰালভাৱে অসমতো সময়ে সময়ে চৰকাৰৰ পৰিৱৰ্তন হৈছে, পিছে বানপানীৰ সমস্যা আজিও সমস্যা হৈয়ে জীয়াই আছে। জনতাক সপোনৰ অসম উপহাৰ দিম বুলি প্ৰতিশ্ৰুতি দি, এইবাৰ শাসনলৈ আহিল নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰ, সমানে সমানে অসমতো বিজেপি নেতৃত্বাধীন সৰ্বানন্দ সোণোৱালৰ চৰকাৰ, এতিয়া ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰ। ভাষণৰ ফুলজাৰিৰে জনতাৰ মন জয় কৰিবলৈ সক্ষম হ'লেও, জনতাৰ সমস্যাসমূহ সমাধান কৰাত আজিও চূড়ান্তভাৱে ব্যৰ্থ চৰকাৰ◆◆◆

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### শিক্ষকসকল LIC ৰ এজেণ্ট হ'ব নালাগে আৰু লগতে– (সেইটোৱেই সমস্যা নে?)

অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ এক তাৎপৰ্যপূৰ্ণ মন্তব্য। মন্তব্যটোত সমৰ্থন জনালোঁ। হয় তেখেতে শিক্ষকসকলক লৈ এটা গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। 'শিক্ষকে LIC ৰ এজেণ্ট হ'ব নালাগে।' যি জ্ঞানৰ পোহৰ বিলাই, জ্ঞানৰ জ্যোতিৰে নিজকে আলোকিত কৰাৰ উপৰি সমাজক জ্যোতিময় কৰি তোলে তেৱেঁই শিক্ষক। স্বাভাৱিকতে বৰ্তমান শিক্ষকৰূপী আমাৰ গুৰুসকল হৈছে সমাজৰ প্ৰত্যাশা, জ্ঞানৰ তপস্বী, নমস্য বুদ্ধিদীপ্ত ব্যক্তিত্ব। এই মহান শিক্ষকসকলেই নিজৰ মেধা আৰু প্ৰজ্ঞাৰ জৰিয়তে অজ্ঞানতা দূৰ কৰি সামাজিক মূল্যবোধ আৰু নৈতিকতাৰ বিকাশ ঘটাব পাৰে। তেওঁৰ উদ্ভাৱনী কৰ্মই শিক্ষাৰ্থীক গৱেষণাৰ ক্ষেত্ৰত আত্মবিশ্বাস বৃদ্ধি কৰে। গতিকে জাতিৰ মেৰুদণ্ড এই শিক্ষকসকল হৈছে সমাজ-সভ্যতাৰ আলোক। শিক্ষকসকল licৰ এজেণ্ট হ'ব নালাগে– কথাষাৰ মানি লৈছো বা সহমত প্ৰকাশ কৰিছো। মুখ্যমন্ত্ৰী মহোদয়, যেনেদৰে এজেণ্ট হ'ব নালাগে ঠিক তেনেদৰে ৰাজনৈতিক দলৰ দায়িত্বত থাকিব নালাগে। মই ভাবো licৰ এজেণ্ট হৈ policy ৰ বাবে যিমান সময় যাব তাতকৈ বেছি ৰাজনৈতিক সভা-মিটিঙত বেছি সময় যাব। কাৰণ আজিকালি ৰাজনৈতিকভাৱে গাঁৱৰ তোলনী বিয়াৰ পৰা মানুহ মৰিলে শ্মশানলৈ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। তাৰ উপৰি সঘনাই বিভিন্ন আঁচনিৰ হিতাধিকাৰীৰ তালিকা বনোৱা, দলৰ সহযোগ নিধিৰ বাবে পইচা তোলা, সদস্য ভৰ্তি কৰা, চৰকাৰৰ বৰ্ষপূৰ্তিত বাছ ভৰাই মানুহ নিয়া, দিল্লীৰ পৰা নেতা আহিলে ঘৰে ঘৰে গৈ মানুহক মিটিঙত যাবলৈ দিয়া, মন্ত্ৰী, এম এল এ আহিলে সভাৰ আয়োজন কৰা, নিৰ্বাচনৰ সময়ত ঘৰে ঘৰে গৈ ভোট খোজা, পঞ্চায়তত গৈ সভাপতিৰ সৈতে বিভিন্ন সভা-সমিতিত যোগদান কৰা আদি বিভিন্ন কাম থাকে দায়িত্বত থকা শিক্ষকসকলৰ। গতিকে মুখ্যমন্ত্ৰী মহোদয় সন্মানীয় শিক্ষকসকলক ৰাজনৈতিকভাৱে মুক্ত কৰিব লাগে। ধৰ্ণা দিব নালাগে বা দিলেও দেওবাৰ অথবা গৰমৰ বন্ধত দিব লাগে। কথা হ'ল ধৰ্ণা কিয় দিয়ে। ধৰ্ণা দিব লগা হয় কিয়। নিশ্চিতভাৱে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ কিবা সমস্যা থাকে। আৰু সেই সমস্যাসমূহ সমাধান কৰাৰ দায়িত্ব চৰকাৰৰ থাকে। গতিকে ধৰ্ণাৰ পৰিৱেশ নোহোৱাৰ আগত সমস্যাবোৰ সমাধান কৰাৰ দায়িত্ব আপোনালোকৰ। নহ'লেতো প্ৰাপ্য বিচাৰি ধৰ্ণা দিবই। আমিও বিচাৰো ধৰ্ণাবিহীন হওক অসমৰ শৈক্ষিক ক্ষেত্ৰখন। শিক্ষকসকল Licৰ এজেণ্ট হ'ব নালাগে। ঠিক তেনেদৰে হাতত বুম লৈ সাংবাদিকো হ'ব নালাগে। নহ'লে নিউজৰ পিছত দৌৰি থাকিব লাগে। আজিকালি TRPৰ দিন, গতিকে শিক্ষকসকলে যেতিয়া সাংবাদিক হ'ব ব্ৰেকিং নিউজৰ পিছত দৌৰিবই। নহ'লে চেনেলবোৰে TRP কেনেদৰে পাব। সাংবাদিক হ'লেওতো বিভিন্ন সময়ত নিউজৰ পিছত যাব লাগিব। (বিচাৰিলে আপোনালোকৰ চেনেলত পাব) কাৰণ নিউজ স্কুলৰ সময় লক্ষ্য কৰি নাহে অথবা যিকোনো ঘটনা স্কুলৰ সময়ত নঘটাকৈ নাথাকে। সাংবাদিক হ'লেতো হাতত বুম লৈ দৌৰিবই লাগিব, নহ'লে নেতাসকল কেনেকৈ হিৰো হ'ব। হাতত বুম লৈ নিউজৰ পিছত দৌৰাই সাংবাদিকৰ কৰ্ম। সাংবাদিকে বুম লৈ দৌৰি নাথাকিলে নেতাসকলে দিয়া প্ৰতিশ্ৰুতিবোৰ ৰাইজৰ আগত কোনে উপস্থাপন কৰিব। এইটো এটা গুৰুত্বপূৰ্ণ বিষয় মুখ্যমন্ত্ৰী মহোদয়। আৰু এনে বিষয় বহু আছে-

মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ পিছতহে এইবোৰ প্ৰসংগ আহে বাকী দিনবোৰত এইবোৰ কথা ক'ত যায়। এনে এজন মন্ত্ৰী, বিধায়কৰ নাম কওক যাৰ সন্তানে চৰকাৰী স্কুলত মধ্যাহ্ন ভোজন খাইছে। এনে এজন মন্ত্ৰী, এম এল এৰ নাম জানিব বিচাৰো যাৰ সন্তানে চৰকাৰে দিয়া ইউনিফৰ্ম পিন্ধি চৰকাৰী স্কুললৈ যায়। আনকি একাংশ শিক্ষকৰ সন্তানেও দেখা নাই চৰকাৰী স্কুলৰ বাৰাণ্ডা। নিজে পঢ়োৱা বিদ্যালয়খনত কিয় পঢ়াবলৈ ভয় কৰে একাংশ শিক্ষকে। নিজক লৈ কিবা সন্দেহ থাকে নেকি নে কিবা অন্য প্ৰসংগ। এইবাৰ ফলাফলত ১০০জন ছাত্ৰ-ছাত্ৰীৰ মাজত ৪৩জনেই ফেইল কৰিছে। তাৰেই অধিকাংশ চৰকাৰী খণ্ডৰ। ক'ত কেৰোণ আছে? ১০টা স্থানত ৫৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে স্থান পাইছে। তাৰে ৪৯জন ব্যক্তিগত বিদ্যালয়ৰ। প্ৰায়সংখ্যক বিদ্যালয়ে গুণোৎসৱত A grade প্ৰাপ্ত। তাৰ পিছতো কিয় ফেৰ মাৰিব নোৱাৰে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সৈতে। সমস্যা কোনখিনিত? ব্যক্তিগত বিদ্যালয়ৰ অনুশাসন আৰু শৈক্ষিক পদ্ধতি বেলেগ নেকি? যাৰ বাবে চৰকাৰী বিদ্যালয়ে ফেৰ মাৰিব নোৱাৰে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ অভিভাৱকসকল বেছি সচেতন নেকি নিজৰ সন্তানক লৈ। যাৰ ফলত ফলাফল ভাল হয়। উত্তীৰ্ণৰ অনুপাতে চৰকাৰী মহাবিদ্যালয়ত নামভৰ্তি কৰিব পৰাকৈ আসনৰ ব্যৱস্থা থাকিব নে? নে ব্যক্তিগতমুখী হ'ব লাগিব ছাত্ৰ-ছাত্ৰীসকল? ক'ভিডক দোহাই দি নৱম শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীক পৰীক্ষা নপতাকৈ উত্তীৰ্ণ কৰি দিয়াৰ বাবেই নেকি ফেইলৰ সংখ্যা ১০০জনৰ ৪৩জনেই ফেইল কৰিলে। ক'ভিডৰ সময়ছোৱাত যি অনলাইন প্ৰক্ৰিয়াৰ জৰিয়তে পাঠদান হৈছিল। সেই পাঠদান প্ৰক্ৰিয়াত কিবা ব্যাঘাত হৈছিল নেকি চৰকাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ? চৰকাৰী বিদ্যালয়ৰ শিক্ষা পদ্ধতি আৰু ব্যক্তিগত বিদ্যালয়ৰ শিক্ষা পদ্ধতি ক'ত পাৰ্থক্য? যাৰ ফলত ফলাফলৰ তাৰতম্য? ছাত্ৰ-ছাত্ৰীৰ সৈতে ব্যক্তিগত বিদ্যালয়ৰ শিক্ষকে বেছিকৈ কষ্ট কৰে নেকি? ইয়াৰ উত্তৰবোৰ ক'ত পাম। দিব পাৰিবনে চৰকাৰে উত্তৰ? নে চৰকাৰী স্কুল বুলি মধ্যাহ্ন ভোজন, বিনামূলীয়া ইউনিফৰ্ম, গুণোৎসৱ আৰু দুটামাৰ ভাল লগা বিল্ডিঙক লৈ গৌৰৱ কৰিব।

■ দিগন্ত ভৰালী

*ফোন ঃ ৮৬৩৮০-১৩৩১৮*

### নাপায় নে নালাগে

■ সত্যজিত গগৈ

আমাৰ সমাজ ব্যৱস্থাত বিভিন্ন সময়ত বহু ক্ষেত্ৰত নাপায় শব্দটো বহুলভাৱে ব্যৱহাৰ হোৱা দেখা যায়। প্ৰকৃততে নাপায় শব্দটো পুৰণি কালত অধিক ব্যৱহাৰ হৈছিল। কিয়নো সেই সময়ত সকলো সঁচা হৈছিল। যিটো কোৱা হৈছিল, সেইটো সঁচাকৈয়ে হৈ উঠিছিল। সেয়েহে কোনো কোনো ক্ষেত্ৰত নাপায় শব্দৰ ব্যৱহাৰ হৈছিল। কিন্তু পিছলৈ যুগ পৰিৱৰ্তনৰ লগে লগে নাপায় শব্দই আমাৰ সমাজত ভয় হিচাপে প্ৰচলিত হ'বলৈ ধৰিলে। উদাহৰণ স্বৰূপে নামঘৰত গা নোধোৱাকৈ সোমাব নাপায়, ডাঙৰক টানকৈ কথা ক'ব নাপায়, কাজিয়া কৰিব নাপায় ইত্যাদি। এই নাপাইৰ সলনি নালাগে শব্দৰ ব্যৱহাৰ হ'ব লাগে। যিহেতু নামঘৰত গা-পা ধুই চাফা হৈ শুদ্ধ মন এটা লৈ সোমালে নিজকে পৱিত্ৰ যেন অনুভৱ হয় আৰু নিজকে আধ্যাত্মিকতাত বিলীন হৈ যাব পাৰি। জ্যেষ্ঠজনক সদায় সন্মান কৰিব লাগে বুলি আমি সৰুৰে পৰা শিকি আহিছো। সেয়েহে টান কথা ক'লে জ্যেষ্ঠজনৰ সন্মানত আঘাত কৰাৰ লগতে নিজৰো বেয়া চৰিত্ৰটো উদঙাই দিয়া হয়। কাজিয়া কৰিলে কাৰোবাৰ কিবা লাভ হয় নে? নিশ্চয় নহয়। বৰঞ্চ লোকচানহে হয়। কাজিয়াৰ ফলত দুয়ো ফৈদৰ মাজত মিত্ৰতা নাথাকে। তদুপৰি কাজিয়াই নিজৰ বেয়া চৰিত্ৰৰ বিষয়ে সমাজত জনোৱাত সহায় কৰে। গতিকে তিনিওটা উদাহৰণৰ পৰা আমি এটা কথাই বুজিলো যে নাপায় শব্দটোৱে আমাক এটা ভয়ৰ মাজত ৰাখে। যাৰ দ্বাৰা সমাজ এখন সুন্দৰকৈ পৰিচালিত হোৱাত সহায়ক হয়। আচলতে নাপায় শব্দ ব্যৱহাৰৰ যোগেদি আমি উপৰোক্ত কৰ্মসমূহ কৰিব নালাগে বুলি সূচাইছে। যিবোৰ কথা বা কামে আমাৰ সমাজত আঘাত হানিব পাৰে। কাৰোবাৰ জীৱনৰ প্ৰতি ভাবুকি আহিব পাৰে বা আত্মসন্মানত আঘাত হ'ব পাৰে। তেনে কথা বা কাম নকৰাই ভাল।

### আমিবোৰে বৰকৈ পাহৰো

গুৱাহাটী পানীৰ তলত, অসমৰ বহুকেইখন টাউন কৃত্ৰিম বানপানীৰ কবলত কেইদিনমান ধৰি। আমাৰ উপায় নাই, বছৰ বছৰ ধৰি একেবোৰেই সমস্যা। সমস্যাবোৰ আহিলে আমিবোৰ সমালোচক হওঁ, দুদিনমান পাছত কোনোবাই সান্ত্বনা দিয়ে অথবা দিয়ে প্ৰতিশ্ৰুতি। আমিবোৰে পাহৰি থাকো সমস্যাৰ কথা। বহুতৰ ঘৰত এৰ্কঁকাল পানী, তথাপি প্ৰতিবাদ কৰিব নোৱাৰে চৰকাৰৰ ঘৰত, কাৰণ তেওঁ হিতাধিকাৰী। পানীত কক্‌বকাই দোষ দিয়ে বৰষুণক। এবাৰ পানী কমিলেই সকলো পাহৰে। খৰালি নৰ্দমা খান্দিবলৈ কোনেও জোৰ নকৰে, বাৰিষা নলাৰ বোকাই ৰাস্তা পিছল কৰে, বৰষুণে বোকাবোৰ পুনৰ নলালৈ নিয়ে। আমি কিন্তু সময়ত কথাবোৰ পাহৰো। আমাৰ পাহৰা বেমাৰটোৰ কথা ৰজাঘৰীয়াই ভালকৈ জানে বাবে ন ন প্ৰতিশ্ৰুতিৰে, সুন্দৰ অভিনয়ৰে কোনোবাই আমাক ইচ্ছা মতে ঠগিব পাৰে। চৰকাৰী স্কুলৰ মেট্ৰিকৰ ৰিজাল্ট বেয়া হৈছে। আমি খুব গালি দিছো মাষ্টৰক। এবাৰো প্ৰশ্ন কৰিব পৰা নাই কিয় বাৰ মাহত তেৰটা অন্য কামত ব্যস্ত কৰি ৰাখে চৰকাৰী স্কুলৰ শিক্ষকক। কাৰণ আমিবোৰে সোনকালে পাহৰো কথাবোৰ। কোনজন শিক্ষামন্ত্ৰীৰ দীঘলীয়া কাৰ্যকালত ইমানবোৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় খোলাৰ অনুমতি পালে আমি মনত পেলাব নোৱাৰোঁ, কাৰণ আমি পাহৰো। চৰকাৰী চিকিৎসালয়ত চিকিৎসা বেয়া হোৱা বুলি ডাক্তৰক ঠিকেই খেদি যাব জানো, কিন্তু দুৰ্বল আন্তঃগাঁথনি কিয় বুলি কাকো নোসোধো, কাৰণ আমি বৰকৈ পাহৰো। কথাৰ ফুলজাৰিয়ে আমাৰ মগজুক ইতিমধ্যেই দহিলে। টোলগেটখন বহাবৰ সময়ত প্ৰতিবাদ কৰোঁ, কোনেও গুৰুত্ব নিদিয়াত আঁতৰি আহোঁ। ৰাস্তাটো কিয় ভাল নহ'ল বুলি সুধিবলৈ ভয় কৰোঁ, টেক্স দিওঁহে দিওঁ। কাৰণ সময় অলপ গ'লেই কথাবোৰ পাহৰো। হিন্দু-মুছলমান, অসমীয়া-অনাঅসমীয়া আদি বিষয়বোৰত আমোদ পাই সামাজিক মাধ্যমত তাল-আফাল কৰোঁ, কিমান বছৰ এনেকৈ পাৰ হ'ল তাৰ হিচাপ পাহৰোঁ। এনেকুৱা বহু কথাই অতি সোনকালে আমি পাহৰো। আমাৰ পাহৰা বেমাৰটোৰ চিকিৎসা আছেনে নাই তাকো নাজানো...

■ প্ৰণৱ চক্ৰৱৰ্তী

*ফোন ঃ ৯৮৬৪১-৪৯৬৬৪*

# অধ্যাপক নগেন শইকীয়াক সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'ত্ৰিধাৰা'ৰ বিপুল সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৮ জুন ঃ** সাহিত্য জগতৰ অন্যতম ভোটাতৰা, অসমীয়া মানুহৰ ইতিহাস স্ৰষ্টা, বৰেণ্য কথাশিল্পী অধ্যাপক ড° নগেন শইকীয়াক সমাজিক-সাংস্কৃতিক অনুষ্ঠান 'ত্ৰিধাৰা'ৰ তৰফৰ পৰা ২৭ জুনৰ সন্ধিয়া তেখেতৰ নিজা বাসগৃহত আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানটিত উপস্থিত থাকি বৰেণ্য সাহিত্যিকগৰাকীৰ ব্যক্তিত্ব আৰু কৃতিত্বৰ বিষয়ে আলোকপাত কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা আৰু বিশিষ্ট সাহিত্যিক তথা ত্ৰিধাৰাৰ মুখ্য উপদেষ্টা ড° কৰবী ডেকা হাজৰিকাই। অনুষ্ঠানত ত্ৰিধাৰাৰ উপদেষ্টাদ্বয় মৃণাল কুমাৰ বৰুৱা আৰু যাদৱ বৰাই 'ত্ৰিধাৰা'ৰ বৰ্ণময় কৰ্মসূচীৰ বিষয়ে সমৱেতসকলক অৱগত কৰে। অনুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বীৰেন বৰুৱা, বিশিষ্ট সাংবাদিক ৰতন হাজৰিকা, শইকীয়াৰ সহধৰ্মিণী লাৱণ্য শইকীয়াকে ধৰি ত্ৰিধাৰাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত সম্বৰ্ধনা গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক নগেন শইকীয়াই কয় যে অসমীয়া মোৰ জ্ঞান, ধ্যান আৰু প্ৰাণ। অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰতি প্ৰৱল প্ৰত্যাহ্বান আজিও আছে। নতুন চামে দায়বদ্ধতাৰে এইক্ষেত্ৰত কাম কৰিবলৈ মন বান্ধিব লাগে। জাতীয় জীৱনৰ স্বকীয়তা বিনষ্ট হ'ব পৰা কোনো কাম কোনেও যাতে কৰিব নোৱাৰে তাৰ বাবেও সকলো সজাগ থাকিব লাগে। নৱগঠিত অনুষ্ঠান 'ত্ৰিধাৰা'ক পৰিৱেশ্য কলাৰ বৰ্ণিল ক্ষেত্ৰখনত পৰিকল্পিতভাৱে কাম কৰি যাবলৈ আহ্বান জনায়। ডিব্ৰুগড়ৰ জীৱনজ্যোতি দাস, উৎপল বৰপাত্ৰৰ লগতে ত্ৰিধাৰাৰ সদস্য-সদস্যাসকল। সাহিত্যৰ লগতে সত্ৰীয়া সংস্কৃতিৰো বহুতো গুৰুত্বপূৰ্ণ কথা বাৰ্তা



আলোচনা কৰাৰ লগতে শইকীয়া ছাৰৰ শুভেচ্ছামূলক বক্তব্যই আমাৰ সকলোৰে মন চুলে। লগতে উপস্থিত প্ৰতিজন বিশিষ্ট ব্যক্তিৰ শুভেচ্ছাই আমাৰ মনবোৰ জীপাল কৰি তুলিলে। ভাগ্যশ্ৰী সেনাপতি আৰু বৰষা ডেকা দুটি মনপৰশা গীত আৰু ভাস্কৰ শইকীয়াৰ মাটি আখৰা পৰিৱেশনে প্ৰাণৱন্ত কৰি তোলা এই বিশেষ সম্বৰ্ধনা অনুষ্ঠানটি আঁত ধৰে ত্ৰিধাৰা উপদেষ্টা মৃণাল কুমাৰ বৰুৱাই।

### শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয় চৌহদৰ পকী বেৰৰ আধাৰশিলা স্থাপন

# কৃষ্টি-সংস্কৃতিৰে চহকী শৰণীয়া কছাৰী জনগোষ্ঠী আজিও পিছপৰি আছে ঃ দীপজ্যোতি শৰণীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৮ জুন ঃ** সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ তামুলপুৰ জিলাৰ বাৰেইগাঁওস্থিত মুখ্য কাৰ্যালয় চৌহদৰ পকী বেৰ নিৰ্মাণৰ আজি আধাৰশিলা স্থাপন কৰা হয়। শৰণীয়া কছাৰী উন্নয়ন পৰিষদ, অসমৰ ২০২১-২২ বিত্তীয় বৰ্ষৰ অনুদানেৰে নিৰ্মাণ কৰিবলগীয়া সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয় চৌহদৰ পকী বেৰ নিৰ্মাণৰ আধাৰশিলা সম্পূৰ্ণ এক মাংগলিক পৰিৱেশত স্থাপন কৰে শৰণীয়া কছাৰী উন্নয়ন পৰিষদ, অসমৰ অধ্যক্ষ হিতেশ ডেকাই। আধাৰশিলা স্থাপন কৰি আগবঢ়োৱা চমু ভাষণত ডেকাই কয় - সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ৰ চৌহদৰ পকী বেৰ নিৰ্মাণ হৈ উঠিলে ছাত্ৰ সংগঠনটোৰ লগতে শৰণীয়া কছাৰী জনগোষ্ঠীৰ এটা বহু দিনীয়া অভাৱ পূৰণ হব। অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়াই কয়— শৰণীয়া কছাৰী জনগোষ্ঠীটো অসমৰ এটা আদিম জনজাতি জনগোষ্ঠী। নিজস্ব কৃষ্টি সংস্কৃতিৰে চহকী এই



জনগোষ্ঠীৰ লোকসকল কিন্তু আজিও বিভিন্ন দিশত পিছ পৰি থাকিব লগা হৈছে। জনগোষ্ঠীটোৰ লোকসকলৰ বিকাশ আৰু উত্তৰণৰ বাবে চৰকাৰে শৰণীয়া কছাৰী উন্নয়ন পৰিষদ, অসমলৈ ২০২১-২২ বিত্তীয় বৰ্ষত ৩১ লাখ টকা আবন্টন দিছে। কিন্তু বৃহত্তৰ জনগোষ্ঠীটোৰ আৰ্থ সামাজিক, শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰৰ উন্নয়ন আৰু বিকাশৰ বাবে এই ধন পৰ্যাপ্ত নহয়। এই ধন শৰণীয়া কছাৰী জনগোষ্ঠীৰ লোকসকলৰ উন্নয়নৰ বাবে তেনেই নগণ্য। সেয়েহে চৰকাৰে ২০১০ চনৰ পৰা ২০১৫ চনলৈকে শৰণীয়া কছাৰী উন্নয়ন পৰিষদ, অসমলৈ আগবঢ়োৱা ধনৰ সমান্তৰালকৈ বৰ্তমান সময়তো আগবঢ়াবলৈ ছাত্ৰ নেতা দীপজ্যোতি শৰণীয়াই চৰকাৰক অনুৰোধ জনাইছে। অনুষ্ঠানত শৰণীয়া কছাৰী উন্নয়ন পৰিষদ, অসমৰ উপাধ্যক্ষ কুমুদ দাস, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰবীণ ডেকা, তামুলপুৰ আঞ্চলিক শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সভাপতি ঘনকান্ত শৰণীয়া আদিকে ধৰি শৰণীয়া কছাৰী উন্নয়ন পৰিষদ, অসমৰ বিভিন্ন বিষয় ববীয়া, ছাত্ৰ সংগঠনটোৰ নেতা কৰ্মী আৰু ভালকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# এসময়ৰ সমাজ সেৱিকা ডালিমী বাই আজি অৱহেলিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৮ জুন ঃ** বোকাখাত মহকুমাৰ মহুৰামুখৰ উত্তৰ অংশৰ বানে ধোৱা অনগ্ৰসৰ অঞ্চলতোৰ সকলো সমস্যা নেতা-বিষয়াৰ আগত নিসংকোচে সাহসেৰে তুলি ধৰি নিজৰ বাকপটুতাৰে আঁজুৰি আনি সমাজ গঠনৰ বিভিন্ন দিশত অগ্ৰণী ভূমিকা পালন কৰা বংকোৱালৰ ডালিমী লইঙক এতিয়া বয়সে আঁচুৰিছে। এসময়ৰ ৰাংঢালী ডালিমী লইঙে সমাজ সেৱা কৰোতে কৰোতে পাহৰি পেলালে নিজৰ বিয়াৰ কথা। উত্তৰ মহুৰা পঞ্চায়তৰ সভানেত্ৰীৰ পদ অলংকৃত কৰা ডালিমী লইং নিজৰ কৰ্মদক্ষতাৰে আনুষ্ঠানিক শিক্ষা অবিহনে অনুষ্ঠান-প্ৰতিষ্ঠান, বাট-পথৰ লগতে নাৰী শিক্ষা সবলীকৰণ, নাৰীসকলৰ মাজত কৰ্মসংস্কৃতি গঢ়ি তোলাৰ প্ৰয়াসেৰে জনপ্ৰিয় হৈ পৰা স্পষ্টবাদী ডালিমী লইং হৈ পৰিছিল ডালিমী বাই। প্ৰাক্তন মুখ্যমন্ত্ৰীদ্বয় প্ৰয়াত হিতেশ্বৰ শইকীয়া আৰু প্ৰয়াত তৰুণ গগৈৰ স'তে অতি ঘনিষ্ঠ ডালিমী বাই সকলোৰে প্ৰিয় আছিল। সেই ডালিমী বাই আজি অৱহেলিত। এসময়ত বাঘিণীৰ দৰে অঞ্চলটোক সমস্যাবোৰক লৈ বিষয়া-মন্ত্ৰীৰ আগত গুজৰি উঠা ডালিমী বাইৰ গোঁজৰণিক কোনেও গুৰুত্ব নিদিয়া হ'ল। বৰ্তমান উত্তৰ মহুৰা গাঁও পঞ্চায়তৰ কাৰ্যালয়টো তেওঁৰ দিনতে নিৰ্মাণ কৰিছিল যদিও আজি কালি সেই কাৰ্যালয়লৈ গলেও বহিবলৈ চকী এখন দিয়াৰ কথাটো দূৰৰে কথা মাতষাৰো নিদিয়ে। সমাজৰ উন্নয়নৰ হকে নিজৰ জীৱন-যৌৱন ত্যাগ কৰা ডালিমী বাইৰ আজি নাই নিজাকৈ এটা ঘৰ। ভায়েক-ককায়েক, ভতিজাসকলৰ ঘৰবোৰত আশ্ৰয় লৈ থকা ডালিমী বায়ে বুকুত সাবটি ৰাখে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে দিয়া মানপত্ৰবোৰকে লৈ। অঞ্চলটোৰ বহু নিবনুৱাক চাকৰি-বাকৰিৰে সংস্থাপন দিয়া, বহু দুখীয়াক তেওঁৰ কাৰ্যকালত ঘৰ দিয়া বাইৰ আক্ষেপ তেওঁৰ দিনত হোৱা উন্নয়নৰ ধাৰাতো স্তিমিত হোৱাত, আক্ষেপ তেওঁৰ নিজৰ এটা ঘৰ নোহোৱাটো। সমাজখনে তেওঁক আদৰ কৰক অৱহেলা কৰক সেইবোৰলৈ গুৰুত্ব নিদিয়া বাইক বিগত বৰ্ষত নুমলীগড় ৰিফাইনেৰীত চৰকাৰে প্ৰদান কৰিলে সমাজসেৱিকাৰ সন্মান। প্ৰায়সংখ্যক লোকৰে লেই লেই চেই চেইৰ সন্মুখীন হোৱা বাইৰ জীৱনক লৈ জীৱিত কালত কবি-নাট্যকাৰ পলাশ লইঙে লিখা নাট জন্ম গাঁও বংকোৱালতে মঞ্চস্থ হোৱাত সুখী বাই। জীৱ শ্ৰেষ্ঠ বুলি কোৱা মানুহে কেনেদৰে পাহৰিছে বাইৰ ত্যাগক। অকল সভাই-সমিতিয়ে গামোচা পিন্ধাই সম্বৰ্ধনা জনায়েই কিয় সকলো দায়িত্ব সামৰিছে সচেতন ৰাইজে এনে হাজাৰ প্ৰশ্নৰ উদয় হয় বাইক দেখিলে।




### ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিংশতিতম দীক্ষান্ত সমাৰোহ উদ্‌যাপন

# লক্ষ্যহীৰা দাসলৈ ডি লিট আৰু জগদীশ মহন্তলৈ ডিএছচি সন্মান প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ জুন ঃ** আজি নাহৰৰ দেশ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বিংশতিতম দীক্ষান্ত সমাৰোহ সফলতাৰে অনুষ্ঠিত হৈ যায়। প্ৰতিকূল বতৰকো নেওচি মেধাৰ সমাহাৰ ঘটে নাহৰৰ দেশ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত। বিশ্ববিদ্যালয়ৰ বিংশতিতম দীক্ষান্ত সমাৰোহ উপলক্ষে এক উদুলি-মুদুলি পৰিৱেশে বিৰাজ কৰে। পুৱা বিশ্ববিদ্যালয়ৰ ২০সংখ্যক অধিৱেশনত অংশগ্ৰহণ কৰা বিভিন্ন বিভাগৰ শিক্ষাৰ্থীয়ে এক শোভাযাত্ৰাৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গীত পৰিৱেশন কৰি মুকলি সভাৰ শুভাৰম্ভ কৰে। আদৰণী ভাষণ প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাধ্যক্ষ এল কে নাথে। সমাৱৰ্তনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বৈজ্ঞানিক আৰু ঔদ্যোগিক অনুসন্ধান পৰিষদ-উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰীয়ে ভাষণ প্ৰদান কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° এল এন নাথ, পঞ্জীয়ক ড° জিতেন হাজৰিকা উপস্থিত থকা বিংশতিতম সমাৱৰ্তনত বিশিষ্ট কবি, গীতিকাৰ, গায়িকা, শিক্ষাবিদ তথা লেখক ড° লক্ষ্যহীৰা দাসলৈ ডি লিট আৰু বিশিষ্ট বিজ্ঞানী তথা আঞ্চলিক গৱেষণা কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক ড° জগদীশ মহন্তক ডি এছ চি সন্মান প্ৰদান কৰে। উল্লেখ্য যে এইবাৰৰ সমাৱৰ্তন অনুষ্ঠানত ২৯,৫২৬গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। তাৰে ১৮৮গৰাকীক PhD, ১৭২গৰাকীক M.Phil., ৩,৭৭৯গৰাকীক স্নাতকোত্তৰ আৰু ২৫,৩৮৭গৰাকী শিক্ষাৰ্থীক স্নাতক ডিগ্ৰী প্ৰদান কৰা হয়। সন্মান আৰু ডিগ্ৰী প্ৰদান কৰি অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য প্ৰাধ্যাপক জগদীশ মুখীয়ে কয়- অসমৰ নতুন শিক্ষা নীতিয়ে আমূল পৰিৱৰ্তন আনিব। সন্মান আৰু ডিগ্ৰীপ্ৰাপকসকলক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে শিক্ষা ক্ষেত্ৰত অধিক আগুৱাই নিয়াত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিংশতিতম দীক্ষান্ত সকলো শিক্ষাৰ্থীৰ লগতে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক অনুষ্ঠানটো সুন্দৰকৈ অনুষ্ঠিত কৰাত শলাগ লয়।

### কামৰূপৰ(গ্ৰাম্য) বানপীড়িত লোকৰ বাবে কামৰূপৰ(গ্ৰাম্য) প্ৰশাসনক

# গুৱাহাটী শোধনাগাৰৰ সাহায্য সামগ্ৰী প্ৰদান




**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুন ঃ** যি সময়ত ৰাজ্যখনৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ ফলত অসম ৰাজ্যখনৰ ২৮খন জিলাৰ ২২ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে আৰু আশ্ৰয়, খাদ্য আৰু স্বাস্থ্য সেৱাৰ দৰে মৌলিক সুবিধাসমূহৰ বাবে কঠোৰ সংগ্ৰাম কৰি আছে তেনে সময়ত এক দায়িত্বশীল কৰ্পোৰেট হিচাপে গুৱাহাটী শোধনাগাৰে কামৰূপ (গ্ৰাম্য) জিলাৰ বানপীড়িত লোকসকলৰ বাবে ২৭ জুনত কিছু পৰিমাণে সাহায্য সামগ্ৰী প্ৰদান কৰা হয়। শিশু খাদ্য,বিশুদ্ধ খোৱাপানী, ছেনিটাৰী নেপকিন আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীসমূহ কামৰূপ (গ্ৰাম্য) জিলাৰ উপায়ুক্ত কৈলাস কাৰ্তিক এন, (আই এএছ)ক আমিনগাঁওৰ কামৰূপ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত প্ৰদান কৰে । জিলাখনক দুৰ্যোগৰ সময়ত প্ৰদান কৰা এই সহায়ৰ বাবে উপায়ুক্তগৰাকীয়ে গুৱাহাটী শোধনাগাৰক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ কৰিব লগীয়া যে জিলাখনৰ মুঠ ১১ টা ৰাজহ চক্ৰৰ ভিতৰত ৰাজ্যখনৰ বৰ্তমানৰ বান পৰিস্থিতিত হাজো, ৰঙিয়া, কমলপুৰ, উত্তৰ গুৱাহাটী আৰু কয়া নামৰ পাঁচটা ৰাজহ চক্ৰৰ অধীনত থকা গাঁওসমূহ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে।

### প্ৰতিষ্ঠাবৰ্ষৰ কৃতী ছাত্ৰক সুঁৱৰি মাজুলী মহাবিদ্যালয়ত 'বদন-বন্দন' শীৰ্ষক অনুষ্ঠান

# কেৱল শ্ৰদ্ধাযুক্ত মনৰ অধিকাৰীজনেহে প্ৰকৃত জ্ঞান লাভ কৰিব পাৰে ঃ পীতাম্বৰ দেৱগোস্বামী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৮ জুন ঃ** মাজুলীৰ ঐতিহ্যমণ্ডিত মাজুলী মহাবিদ্যালয়ৰ প্ৰথম দলৰ ছাত্ৰ, বিশিষ্ট শিক্ষাবিদ, মাজুলীৰ সাহিত্য জগতৰ অন্যতম কাণ্ডাৰীস্বৰূপ, ৰসবেত্তা বদন দোলাকাষৰীয়াৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি মহাবিদ্যালয়খনত 'বদন-বন্দন' শীৰ্ষক এখন স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন হৈ যায়। মাজুলীৰ বৌদ্ধিক জগতৰ ভোটাতৰাস্বৰূপ ব্যক্তি সদ্যপ্ৰয়াত দোলাকাষৰীয়াক স্মৰণ কৰিবলৈ আজি দিনৰ ১২.৪৫ বজাৰ পৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিত প্ৰয়াত ব্যক্তিজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে দোলাকাষৰীয়াৰ ভাতৃ, শিল্পী জয় দোলাকাষৰীয়াই আৰু স্মৃতি তৰ্পণ কৰে তেওঁৰ পত্নী গোলাপী দোলাকাষৰীয়াই। মহাবিদ্যালয়ৰ অধ্যাপিকা ড° লীমা দত্তই আঁত ধৰা অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে তুলসী ৰাজখোৱাই। অনুষ্ঠানটি উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই দোলাকাষৰীয়াৰ জ্ঞানৰ বিশালতাৰ আৰু অধ্যয়নপিপাসাৰ বিষয়ে উল্লেখ কৰে। গীতাৰ ব্যাখ্যাৰ পৰা ইংৰাজী কবিৰ প্ৰসংগ, আকৌ তাৰ লগতে মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন আদিৰ প্ৰসংগ উপস্থাপনেৰে লিখা ভিন্নস্বাদৰ সমৃদ্ধ লেখাৰে মাজুলীৰ জ্ঞানৰ জগতখন তেওঁ কেনেকৈ জীপাল কৰি থৈ গ'ল, তাৰ চমু আলোকপাতেৰে বদন দোলাকাষৰীয়াৰ সাহিত্যকীৰ্তি সম্পৰ্কে ব্যাখ্যা কৰে। অনুষ্ঠানত মুখ্য বক্তা ঐতিহাসিক আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে নিজৰ সাৰগৰ্ভ বক্তব্যত উল্লেখ কৰে যে সমাজৰ সকলোতকৈ শ্ৰেষ্ঠ সম্পদেই হৈছে জ্ঞান। সাধাৰণ জ্ঞান সমাজৰ প্ৰতিজনৰ বাবেই লভ্যমান হ'ব পাৰে; কিন্তু কেৱল শ্ৰদ্ধাযুক্ত মনৰ অধিকাৰীজনেহে প্ৰকৃত জ্ঞান লাভ কৰি এজন প্ৰকৃত মানুহত পৰিণত হ'বলৈ সক্ষম হয়। জ্ঞানপিপাসু বদন দোলাকাষৰীয়া আছিল তেনে এজন প্ৰকৃত মানুহ, বয়স অনুযায়ী সমাজৰ সকলোকে যথোচিত সন্মান আৰু মৰ্যাদা প্ৰদান কৰিছিল। এনে এজন ব্যক্তিৰ জ্ঞানসমৃদ্ধ লেখাসমূহ সংৰক্ষণৰ বাবে আউনীআটী সত্ৰই ব্যৱস্থা লোৱাৰ বিষয়েও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, পৰিয়ালৰ তৰফৰ পৰা ললিত শইকীয়া, অৱসৰী অভিযন্তা জিতেন দোলাকাষৰীয়া, আউনীআটী হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰশান্ত দোলাকাষৰীয়া, সমাজকৰ্মী যুগল হাজৰিকা, মাজুলী মহাবিদ্যালয়ৰ অৱসৰী প্ৰশাসনিক সমন্বয়ক ড° আনন্দ হাজৰিকা, অৱসৰী অধ্যাপক অমৃতেশ্বৰ চুতীয়া, শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্ত, সমাজকৰ্মী জগত হাজৰিকা, সাংবাদিক দীপু বৰা, অধ্যাপক ড° ৰাজেন বৰা, অজয় প্ৰসাদ সিংহ আদিয়ে বদন দোলাকাষৰীয়াৰ বৰ্ণাঢ্য জীৱনৰ বিভিন্ন দিশৰ অৱলোকন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ আগ বঢ়ায় সহকাৰী অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্যই।





## NOTICE

| Sl.No. | Name | Roll No | Designation | Calling No |
|---|---|---|---|---|
| 1 | Arjun Pandey | 2021 | LDA | 3010 |
| 2 | Sumi Gogoi | 2041 | LDA | 3021 |
| 3 | Arcnana Satkia | 2043 | LDA | 3031 |
| 4 | Rampat Kuli | 2010 | LDA | 3011 |
| 5 | Satyam Chutia | 2047 | LDA | 3026 |
| 6 | Abhilash Haloi | 2049 | LDA | 3015 |
| 7 | Barsha Satkia | 2034 | Supervisor | 3019 |
| 8 | Kishor Kumar Gogoi | 2036 | District Coordinator | 3029 |
| 9 | Sammujjal Chetia | 2039 | District Coordinator | 3014 |
| 10 | Sonjib Koch | 2040 | LDA | 3012 |
| 11 | AbhiKhaund | 2048 | LDA | 3045 |
| 12 | Bimal Sharma | 2044 | LDA | 3058 |
| 13 | Kangkan Sarma | 2065 | LDA | 3078 |
| 14 | Binod Das | 2067 | LDA | 3049 |
| 15 | Sarumdra kalita | 2059 | LDA | 3038 |
| 16 | Aaimoni Dutta | 2096 | Gr.-IV | 3078 |
| 17 | Manik Ch. Das | 2094 | LDA | 3059 |
| 18 | Chandan Das | 2089 | LDA | 3073 |
| 19 | Mayuri Baruah | 2069 | Supervisor | 3074 |
| 20 | Nayana das | 2051 | Gr.-IV | 3082 |
| 21 | Suumar Poul | 2046 | LDA | 3072 |
| 22 | Bitu Dutta | 2035 | LDA | 3092 |
| 23 | Arbmd Sharma | 2091 | LDA | 3082 |
| 24 | Dipali Gohain | 2075 | LDA | 3096 |
| 25 | Quen Baruah | 2072 | Supervisor | 3082 |
| 26 | Mom Handique | 2082 | Supervisor | 3095 |
| 27 | Biman Chamuah | 2084 | LDA | 3016 |
| 28 | Chaya Rani Chetta | 2091 | Supervisor | 3019 |
| 29 | Kabita Deka | 2072 | LDA | 3020 |
| 30 | Sapna Chutia | 2025 | Supervisor | 3034 |
| 31 | Hasena Begum | 2027 | LDA | 3095 |
| 32 | Islam Ahmed | 2087 | Gr.-IV | 3075 |
| 33 | Chitra Das | 2086 | Gr.IV | 3099 |
| 34 | Karisma Kalita | 2066 | LDA | 3088 |
| 35 | Jayanta Saikia | 2033 | LDA | 3055 |

DY.DIRECTOR
SWD



*No.23/228/2021-2022/2* *Dated Kokrajhar, the 27/06/2022*

**SHORT NOTICE INVITING TENDER**

Sealed tender subsequently to be drawn in F-2 form affixing Non-refundable court fee stamp of **Rs.8.25p** (Rupees eight and paise twenty five) only are invited from the Registered PWD Contractor's under Class-1 (A, B, C) of Assam PWD (Rural Roads) and Class-II Roads category will be received for the following works up to **2-00 P.M. of 12-07-2022** in the office of the Executive Engineer, P.W.R.D, Kokrajhar Rural Roads Division, Kokrajhar which will be opened on the same date, place at **2.15 P.M** in presence of the tenderers or their authorized agent.

| Sl. No. | Name of work | Tender Amount (in Rs.) (Including G.S.T. L.W.C.) | Earnest Money (in Rs.) (ST, SC, OBC-1% & GEN-2%) | Cost of Tender Paper (in Rs.) | Time for completion In days |
|---|---|---|---|---|---|
| 1 | Temporary Restoration of flood damaged road from Kochugaon to Nabin Nagar Road (Eroded at approache of RCC Br. No. 2/2) under SDRF for the year 2021 -22. | Rs. 4, 13,879.00 | 1%-Rs.4,139/- 2%-Rs.8,278/- | 500.00 | 30 (Thirty) |
| 2 | Restoration of flood damaged approaches of RCC Br. No.3/1 on Kachugaon to Raimona Road under SDRF for the year 2021-22. | Rs. 19,99,898.00 | 1%-Rs. 19,999/- 2%-Rs.39,998/- | 1000.00 | 60 (Sixty) |

Details NIT may be seen in all working days in the office of the undersigned. Tender paper will be issued to the contractors or their authorized agent up to **12.00 Noon** on all working days from **29-06-2022 to 01-07-2022** in the office of the undersigned on payment of in the form of Banker cheque/Demand draft of any nationalized Bank (Preferable SBI) duly pledged to the Executive Engineer, PWRD Kokrajhar Rural Roads Division. The contractor should submit valid Registration certificate, GSTIN, PAN Card and Labour License along with the tender. In case the office remain closed in tender receiving/ opening day the same will be received/opened on the next working day.

**Note:-**

1. The Executive Engineer, PWD Rural Roads Division, Kokrajhar does not bind himself to accept the lowest tender and also reserves the right to reject all tenders without assigning any reason.
2. Payment will be made subject to availability of fund.
3. Taxes will be deducted as per relevant provision of Act.
4. Contractors will have to submit their tender with upto date registration certificate and item of annexure should be enclosed with the tender otherwise tender will be treated as cancelled.
5. No T&P and stock materials issued to the contractors by the deptt. Contractor has to arrange the same by himself
6. The tenderer should submit their tender with upto date **GSTIN** certificate and **PAN** card failing which the tender may be treated as cancelled.
7. The tenderer must demonstrate the key equipment for road work specially the road Roller etc. failing which the tender may be treated as cancelled.

Sd/-
Executive Engineer, PWD
Kokrajhar Rural Roads Division

*IPR(BTC)-140/2022*

## চেৰেলীয়া কাৰ্বি অ'ৰ্বে কিমি আছঙৰ ৰাজহুৱা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৮ জুন ঃ** বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত চেৰেলীয়াস্থিত বিহালী মিকিৰ প্ৰাথমিক বিদ্যালয়ত আজি স্থানীয় সংগঠন চেৰেলীয়া কাৰ্বি অ'ৰ্বে কিমি আছঙৰ উদ্যোগত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সদ্যহতে অসম চৰকাৰে অপমানসূচক গাঁৱৰ নাম, জাতি-সম্প্ৰদায়ৰ নাম উল্লেখ থকা গাঁওসমূহক জাননী প্ৰেৰণ সন্দৰ্ভত উক্ত সমিতিৰ সম্পাদক অমল ৰংপিয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে সভাপতি ৰঞ্জিত তিমুঙে। আজিৰ সভাত ক্ৰমে গাঁৱৰ নাম 'বিহালী মিকিৰ'ৰ ঠাইত বিহালী কাৰ্বি গাঁও আৰু বিহালী মিকিৰ প্ৰাথমিক বিদ্যালয়ৰ ঠাইত বিহালী কাৰ্বি প্ৰাথমিক বিদ্যালয় হ'ব লাগে বুলি সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## আলমগঞ্জ বজাৰত কংগ্ৰেছৰ তিনি ঘণ্টীয়া প্ৰতিবাদী ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২৮ জুন ঃ** আজি অগ্নিপথ আঁচনি বাতিলৰ দাবীত গৌৰীপুৰৰ আলমগঞ্জ বজাৰত কংগ্ৰেছৰ তিনিঘণ্টীয় প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। সমগ্ৰ ৰাজ্যৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নিৰ্দেশ মৰ্মে আজি গৌৰীপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দেবীতোলা আৰু ৰূপসী ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত কেন্দ্ৰৰ স্বেচ্ছাচাৰী বিজেপি চৰকাৰৰ নিবনুৱাবিৰোধী প্ৰতিৰক্ষা বাহিনীৰ নিযুক্তি সম্পৰ্কত বলৱৎ কৰিব বিচৰা অগ্নিপথ আঁচনি বাতিলৰ দাবীত শান্তিপূৰ্ণ সত্যাগ্ৰহ কাৰ্যসূচী আলমগঞ্জ বজাৰত পালন কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে কংগ্ৰেছৰ এই অগ্নিপথ আঁচনি বাতিলৰ দাবী কেন্দ্ৰীয় চৰকাৰে মানি নল'লে অনাগত দিনত গণতান্ত্ৰিক আন্দোলন চলি থাকিব বুলি প্ৰতিবাদকাৰীয়ে সাংবাদিকৰ আগত মত প্ৰকাশ কৰে।

# কাকত এজেঞ্চীৰ উদ্যোগত চামতাত হকাৰক ছাতি বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিন নলবাৰী, ২৮ জুন ঃ** পশ্চিম নলবাৰীৰ শোলমাৰাত অৱস্থিত জি ডি বৰ্মন কাকত এজেঞ্চীৰ বাতৰি কাকত বিতৰকসকলৰ মাজত যোৱা দেওবাৰে একোটিকৈ ছাতি, ৰেইনকোট আৰু নগদ ধন বিতৰণ কৰে এজেন্সীৰ স্বত্বাধিকাৰী চন্দনা বৰ্মনে। পুৱা ৬ বজাত চামতা মটৰষ্টেণ্ড চ'কৰ সুৰক্ষা মেডিকেলৰ সন্মুখত জি ডি বৰ্মন কাকত এজেঞ্চীৰ স্বত্বাধিকাৰী চন্দনা বৰ্মনৰ স্বামী গংগাধৰ বৰ্মনে আঁত ধৰা অনানুষ্ঠানিক সভাখনত ছাতি বিতৰণৰ শুভাৰম্ভ কৰে 'অসমীয়া প্ৰতিদিন' কাকতৰ সহকাৰী প্ৰচলন সচিব দীপক কলিতাই। বিতৰকসকলক উদ্দেশ্যি কলিতাই দিয়া শুভেচ্ছামূলক ভাষণত কয় যে বিতৰকসকল হ'ল বাতৰি কাকত উদ্যোগৰ মূল চালিকা শক্তি। বিতৰকসকলে ইচ্ছা কৰিলে কাকতৰ সংখ্যা বৃদ্ধি অথবা হ্ৰাস কৰিব পাৰে। যোৱা সপ্তাহত হোৱা প্ৰলয়ংকৰী বানপানী আৰু প্ৰবল বৃষ্টিপাতকো নেওচি জি ডি বৰ্মন কাকত এজেঞ্চীৰ বিতৰকসকলে ৰাইজৰ মাজত নিৰৱচ্ছিন্নভাৱে কাকত বিতৰণ কৰি অতুলনীয় সামাজিক দায়বদ্ধতাৰ পৰিচয় দিছে। তেওঁ এজেণ্ট চন্দনা বৰ্মনৰো শলাগ লয়। প্ৰতিজন বিতৰকক একোটিকৈ ছাতি (হকাৰ দীপকেশ শৰ্মাক প্ৰয়োজন অনুসৰি এটা ৰেইনকোট দিয়া হয়) দিয়াৰ উপৰি বানপানীত চাইকেলেৰে কাকত বিতৰণ কৰিবলৈ যাওঁতে পানীত ডুবি চাইকেল বেয়া হোৱা শোলমাৰাৰ হকাৰ নৃপেন শৰ্মা আৰু বসন্ত দাসক চাইকেল ভাল কৰিবলৈ নগদ ৫০০ টকাকৈ এজেঞ্চীৰ ফালৰ পৰা প্ৰদান কৰে স্বত্বাধিকাৰী চন্দনা বৰ্মনে। ইয়াৰ উপৰি বিতৰক দিবাকৰ বৰ্মনৰ পুত্ৰই হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮০ শতাংশ নম্বৰ পাই উত্তীৰ্ণ হোৱাত বৰ্মনৰ পুত্ৰ নিখিল বৰ্মনক কিতাপ কিনিবলৈ গংগাধৰ বৰ্মনে নগদ ১০০০ টকা প্ৰদান কৰে। জ্যেষ্ঠ বিতৰক দিবাকৰ বৰ্মনে তেখেতৰ মনৰ অনুভৱ ব্যক্ত কৰি কয় যে বৰ্মন দম্পতীয়ে আজিয়েই নহয় সময়ে সময়ে বিভিন্ন ধৰণে সহায় কৰি আহিছে। হিতেশ ডেকা, নৱজিৎ শৰ্মা, দীপকেশ শৰ্মা, ৰণজিত দাস, মুকুল বৰ্মন, হেমন্ত বৰ্মন, দিবাকৰ বৰ্মন, কুমুদ বৰ্মন, ধন বৰ্মন, বসন্ত দাস, নৃপেন শৰ্মা, যোগেশ বৰ্মন, ধীৰেন বৰ্মন আদি বিতৰকসকল উপস্থিত থকা সভাত বৰী-টাপা-ঠুটিকাটা মিলন বজাৰত অৱস্থিত শংকৰদেৱ হাইস্কুলৰ কৃতী হিন্দী শিক্ষক গণেশ চন্দ্ৰ বৰ্মন, সংবাদদাতা চন্দন শৰ্মা, ধনজিৎ দাস, সংবাদদাতা ৰাজকুমাৰ পাণ্ডে সহিতে প্ৰায় ৫০জন ব্যক্তি সভাত উপস্থিত আছিল। সভাৰ শেষত উপস্থিতসকলক এজেন্সীৰ তৰফৰ পৰা লঘু আহাৰেৰে আপ্যায়ন কৰা হয়।






## খাৰুপেটীয়াত অগ্নিপথ আঁচনি বাতিলৰ দাবীত প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, খাৰুপেটীয়া, ২৮ জুন ঃ** খাৰুপেটীয়াত অগ্নিপথ আঁচনিৰ বিৰোধিতাৰে কংগ্ৰেছৰ প্ৰতিবাদ। দেশ তথা ৰাজ্যৰ লগতে দৰঙৰ খাৰুপেটীয়াতো অগ্নিপথ আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদত বহিল কংগ্ৰেছ কৰ্মী। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নিৰ্দেশ মৰ্মে সোমবাৰে খাৰুপেটীয়াৰ ৰাজীৱ ভৱনত দলগাঁও, বেছিমাৰী আৰু খাৰুপেটীয়া টাউন ব্লক কমিটীৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অগ্নিপথ আঁচনি গ্ৰহণ কৰাৰ সিদ্ধান্ত বাতিলৰ দাবীত হাতে হাত প্লেকাৰ্ড লৈ শান্তিপূৰ্ণ সত্যাগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে মন্তব্য কৰে যে, কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্ত ভেঁকো-ভাওনা, অগ্নিপথ আঁচনিৰ চাকৰি কোনো চাকৰি নহয়, ইয়াৰ কোনো ভৱিষ্যৎ নাই, অগ্নিপথৰ চাৰিবছৰীয়া চাকৰিৰ কোনো ভৰসা নাই, চাকৰিৰ সময়ত কোনোবাৰ মৃত্যু হ'লে নাপাব কোনো পেন্সন, নাপাব কোনো ধৰণৰ চৰকাৰী সুবিধা। এইটো ভেঁকো-ভাওনাৰ বাদে একো নহয় বুলি মন্তব্য কৰে। উক্ত কাৰ্যসূচীত দলগাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক ইলিয়াছ আলীৰ লগতে জিলা, ব্লক আৰু পঞ্চায়ত পৰ্যায়ৰ শতাধিক নেতা-কৰ্মী উপস্থিত থাকে।

## নগাঁৱত অবৈধ কাঠফলা মিল জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুন ঃ** নগাঁও জিলা বন বিভাগৰ এটা অভিযানকাৰী দলে আজি জিলাখনৰ আলিটাঙনি আৰু মাহগুৰি অঞ্চলত অভিযান চলাই দুটাকৈ অবৈধ কাঠ ফলা মিল জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, দীৰ্ঘদিন ধৰি আলিটাঙনিৰ মঃ আব্দুল কুদ্দছ আৰু মাহগুৰিৰ মঃ কুদ্দছ আলী নামৰ ব্যক্তি দুজনে আলিটাঙনি আৰু মাহগুৰি অঞ্চলত অবৈধভাৱে দুটাকৈ কাঠ ফলা মিল চলাই আহিছিল। এই মিলত একাংশ অসাধু কাঠ ব্যৱসায়ীয়ে অতি মূল্যৱান কাঠ ফালি চোৰাংকৈ জিলাখনৰ বিভিন্ন স্থানলৈ সৰবৰাহ কৰি আহিছিল। এই খবৰ গোপন সূত্ৰে লাভ কৰি আজি নগাঁও বনাঞ্চলিক বিষয়া কল্যাণী মালাকাৰৰ নেতৃত্বত যোৱা দলটোৱে অবৈধ কাঠফলা মিল দুটা উৎখাত কৰে। এই অভিযানত বনাঞ্চলিক বিষয়া কল্যাণী মালাকাৰক সংগ দিয়ে বনপালক প্ৰভাত বৰা, প্ৰভাত বৰুৱাৰ লগতে কেইবাগৰাকীও বনকৰ্মীয়ে। অৱশ্যে আজিৰ অভিযানত অবৈধ কাঠমিলৰ লগত জড়িত কোনো লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই যদিও কাঠমিল দুটাৰ পৰা কিছু পৰিমাণৰ মূল্যবান কাঠ জব্দ কৰা হৈছে।



## বৈদ্যগড় আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বানপীড়িক বিনামূলীয়া চিকিৎসা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ২৮ জুন ঃ** বৈদ্যগড় আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি বানপীড়িত ৰাইজৰ স্বাস্থ্য সজাগতাৰ লক্ষ্যৰে বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। স্থানীয় শ্বহীদ ভৱন প্ৰাংগণত অনুষ্ঠিত চিকিৎসা শিবিৰত বানাক্ৰান্ত বৃহত্তৰ অঞ্চলটোৰ শিশু, ডেকা, বৃদ্ধ সমন্বিতে লোকসকলে স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে চিকিৎসা সেৱা গ্ৰহণ কৰে। কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি গোলোক ৰাজবংশী, বৈদ্যগড় আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক ক্ৰমে নিটু ৰাজবংশী, নৱজিৎ কলিতা প্ৰমুখ্যে নেতৃবৃন্দৰ নেতৃত্বত ৰূপায়িত চিকিৎসা শিবিৰত ৰঙিয়া প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ চিকিৎসক তথা স্থানীয় তৰণী উপ-স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰীসকলে চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে ঔষধো আগবঢ়ায়।

# হাজোত বানাক্ৰান্ত ৰাইজক এমুঠি আশ্বাস প্ৰদান কংগ্ৰেছ দলৰ নেতৃত্ববৃন্দৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৮ জুন ঃ** সমগ্ৰ ৰাজ্যতে বানৰ তাণ্ডৱ এতিয়াও অন্ত পৰা নাই। বানৰ তাণ্ডৱ অন্ত পৰা নাই হাজোতো। হাজোৰ বিধ্বংসী বানত ক্ষতিগ্ৰস্ত বানাক্ৰান্তসকলে এতিয়াও খাদ্যৰ অভাৱত বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। এনে এক জটিলৰ পৰা জটিল সময়ত বানাক্ৰান্তক কিছু সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি আহিছে কংগ্ৰেছ নেতৃত্ববৃন্দৰ এটা সঁজাতী দল। বানাক্ৰান্ত ৰাইজক বিপদৰ সময়ত এমুঠি অন্ন দিবলৈ আগবাঢ়ি আহিছে কংগ্ৰেছ নেতৃত্ববৃন্দৰ এটি সঁজাতী দলে। কামৰূপ (গ্ৰাম্য) জিলা কংগ্ৰেছ কমিটীৰ উদ্যেগত, অসম প্ৰদেশ কংগ্ৰছ কমিটীৰ নিৰ্দেশত হাজো ব্লক কংগ্ৰেছৰ সমূহ নেতৃবৃন্দৰ সহযোগত, হাজো সমষ্টিৰ অন্তৰ্গত দামপুৰ, ৰামদিয়া, সাতদলা, বাগটা, শনিয়াদি, ধুহিবালা আদি অঞ্চলৰ বানপীড়িত লোকসকলৰ মাজত প্ৰতিদিনেই কিছু খাদ্য-সামগ্ৰী বিতৰণৰ ব্যৱস্থা কৰা দেখিবলৈ পোৱা গৈছে। যাৰ বাবে আজি আশ্ৰয় শিবিৰৰ বানাক্ৰান্ত ৰাইজে কংগ্ৰেছ নেতৃত্ববৃন্দৰ মহানুভৱতাক একেমুখে শলাগিছে। লগতে ৰাইজৰ বিপদৰ সময়ত সদায় ৰাইজৰ কাষত থকাৰ আশ্বাস দিয়ে কংগ্ৰেছ নেতৃত্ববৃন্দৰ সঁজাতী দলটোৱে। আনহাতে, কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নিৰ্দেশ মৰ্মে হাজো ব্লক কংগ্ৰেছ কমিটীৰ সহযোগত কেন্দ্ৰৰ বিজেপি চৰকাৰে নিবনুৱাবিৰোধী প্ৰতিৰক্ষা বাহিনীৰ নিযুক্তি সম্পৰ্কত বলৱৎ কৰিব বিচৰা অগ্নিপথ আঁচনি বাতিলৰ দাবীত শান্তিপূৰ্ণ সত্যাগ্ৰহ কাৰ্যসূচীও ৰূপায়ণ কৰে। আজিৰ কাৰ্যসূচীত সক্ৰিয়ভাৱে উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক ছাহজাহান আলী, সাধৰণ সম্পাদক কংকন দাস, কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি দীপক কলিতা, হাজো ব্লক কংগ্ৰেছ কমিটীৰ সাধৰণ সম্পাদক অজিত ঠাকুৰীয়া, হাজো ব্লক কংগ্ৰেছ কমিটীৰ উপদেষ্টা শংকৰ দাস, কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰফিকুৰ ৰহমানকে প্ৰমুখ্য কৰি প্ৰায়সংখ্যক লোক আৰু গণ্য-মান্য বিশিষ্ট ব্যক্তি।




### ভেৰগাঁও মহকুমা অ'বিচি উন্নয়ন ব'ৰ্ডৰ উদ্যোগ ৰাষ্ট্ৰপতি নিৰ্বাচনত

## মনোনীত প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক উষ্ম অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৮ জুন ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমা অ'বিচি উন্নয়ন ব'ৰ্ডৰ তৰফৰ পৰা পৰৱৰ্তী ৰাষ্ট্ৰপতি নিৰ্বাচনৰ এনডিএৰ মনোনীত প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক উষ্ম অভিনন্দন আৰু আন্তৰিক শুভেচ্ছা জনোৱাৰ উদ্দেশ্যে ঔৰংগাজুলি চাহ বাগিচাৰ ১নং নিম্ন প্ৰাথমিক বিদ্যালয়ত আজি এখন সভা অনুষ্ঠিত কৰা হয়। ভেৰগাঁও মহকুমা অ'বিচি উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ মনোজ তাঁতীয়ে সঞ্চালনা কৰা উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি ওদালগুৰি জিলা আছাৰ সাংগঠনিক সম্পাদক ৰবীন গোৱালা, জিলা আটছাৰ সভাপতি দীপ তাঁতীৰ লগতে বিষয়ববীয়া, ইউপিপিএলৰ কৰ্মকৰ্তাই তেওঁৰ বিজয় নিশ্চিত। তেওঁ দেশৰ সৰ্বমংগলৰ হকে অহোপুৰুষাৰ্থ কৰিব বুলি মতপোষণ কৰে। উক্ত অনুষ্ঠানত উপস্থিত থকা আদিবাসী ৰাইজেও পৰৱৰ্তী ৰাষ্ট্ৰপতি নিৰ্বাচনত দ্ৰৌপদী মুৰ্মু বিপুল ভোটত বিজয়ী হৈ ভাৰতৰ প্ৰথমগৰাকী নাগৰিকৰ আসনত উপৱিষ্ট হৈ দেশৰ সেৱা কৰিব বুলি আশা প্ৰকাশ কৰে।

## অসমৰ ৩ সাহিত্যিকলৈ ২০২১ৰ সাহিত্য অকাদেমিৰ অনুবাদ বঁটা

**গুৱাহাটী, ২৮ জুন ঃ** আমাৰ বাবে অতি গৌৰৱৰ কথা যে এইবাৰ অসমৰ তিনিগৰাকী সাহিত্যিকলৈ ২০২১ বৰ্ষৰ সাহিত্য অকাদেমিৰ অনুবাদ বঁটা আগবঢ়োৱা হৈছে। লেখিকা, অধ্যাপিকা ড° পৰী হিলৈধাৰীক তেওঁৰ অনূদিত গ্ৰন্থ 'দাঁতিপাৰৰ মানুহ', ড° ইন্দিৰা বড়োক অনূদিত গ্ৰন্থ 'হিড়িম্বা' আৰু সঞ্জীৱ উপাধ্যায়ক তেওঁৰ অনূদিত গ্ৰন্থ 'বাবু-ছোৱা'ৰ বাবে সাহিত্য অকাদেমিৰ এই সন্মান আগবঢ়োৱা হৈছে। উল্লেখ্য যে সাহিত্য অকাদেমিৰ ভাষা সন্মান এইবাৰ অসমৰ এগৰাকী প্ৰখ্যাত অধ্যাপক, ধ্ৰুপদী-মধ্যযুগীয় সাহিত্যৰ অধ্যয়ন আৰু গৱেষণাৰে অসমীয়া সাহিত্য ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা বিশিষ্ট সাহিত্যিক ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীলৈ আগবঢ়োৱা হৈছে। অসমলৈ বিশেষ সন্মান কঢ়িয়াই অনা এই চাৰিওগৰাকী বিশিষ্ট সাহিত্যিকক পূব গুৱাহাটী শাখা লেখিকা সংস্থাৰ হৈ আন্তৰিক অভিনন্দন জনালোঁ।




## ধূলাত বন্যাৰ্তক খাদ্য-সামগ্ৰী বিতৰণ আল-ফালাহ ফাউণ্ডেচনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ২৮ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দৰং জিলাৰ বিভিন্ন ঠাইত কৃত্ৰিম বানে বিস্তৰ ক্ষতি সাধন কৰিছে। জিলাখনৰ বহু অঞ্চল বানৰ কবলত পৰি হাজাৰ হাজাৰ বিঘা কৃষি ভূমি, ঘৰ-বাৰী, অনুষ্ঠান-প্ৰতিষ্ঠান পানীৰ তলত বুৰ গৈ বিস্তৰ ক্ষতি হোৱাৰ লগতে বাট-পথসমূহ বিধ্বস্ত হৈ পৰিছে। যাৰ ফলত একাংশ বানাক্ৰান্ত লোকে নাৱেৰে অহা-যোৱা কৰিবলগীয়া হৈছে। সম্প্ৰতি জিলাখনত বানৰ প্ৰভাৱ কমি অহাৰ লগে লগে খাদ্য সংকটত ভুগিবলগীয়া হৈছে দৰিদ্ৰ লোকসকল। আনহাতে, জ্বৰ, কাহ, চৰ্দি, ডায়েৰীয়া আদি বিভিন্ন ধৰণৰ বেমাৰত আক্ৰান্ত হৈছে বহু লোক। সোমবাৰে দিনজোৰা কাৰ্যসূচীৰে আল-ফালাহ ফাউণ্ডেচন আৰু জামাত-ই-ইছলামী হিন্দৰ এটি সঁজাতী দলে জিলাখনৰ ধূলাৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি বানাক্ৰান্ত লোকৰ বুজ লয়। সেই বানাক্ৰান্ত লোকসকলৰ প্ৰতি লক্ষ্য ৰাখি আল-ফালাহ ফাউণ্ডেচনৰ উদ্যোগত আৰু জামাত-ই-ইছলামী হিন্দৰ স্থানীয় কৰ্মী বৃন্দৰ সহযোগত দৰং জিলাৰ ধূলা, খাটনিয়াপাৰা আৰু বালাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত ধূলা নাথ চুবা, ২নং থেকেৰাবাৰী, ২নং আটাকাটা, কাঁচিচৰ, পানীয়াখাট, নিজ শ্যামাবাৰী, বালাবাৰী, হিৰাপাৰা আদি গাঁৱৰ প্ৰায় ১৫০গৰাকী বানাক্ৰান্ত লোকৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৰা হয়। চাউল, দালি, বিস্কুট আদি সামগ্ৰী বিতৰণ কৰা কাৰ্যসূচীত ফাউণ্ডেচনৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে। আনহাতে, অনাগত সময়ত সমাজৰ দুখীয়া-দৰিদ্ৰ লোকক বিভিন্ন ধৰণে সহায় আগবঢ়াব।

# ধনশিৰিত আন্তৰ্জাতিক ড্ৰাগ্‌ছবিৰোধী দিৱস পালন

■ বৰবিহ এৰি ৰচিলে 'অভিমন্যু সংকল্প'

■ হেণ্ডেকাফ লগোৱা আৰক্ষী বিষয়াই পিন্ধালে গামোচা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২৮ জুন ঃ** ৰাজ্যৰ আন প্ৰান্তৰ সমান্তৰালকৈ গোলাঘাট জিলাৰ ধনশিৰি মহকুমাতো ২৬জুন তাৰিখে পালন কৰা হয় আন্তৰ্জাতিক ড্ৰাগ্‌ছ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস। কিছু ব্যতিক্ৰমী চিন্তা আৰু ব্যৱস্থাৰে বিশেষকৈ নৱ-প্ৰজন্মক ড্ৰাগ্‌ছৰ বিৰুদ্ধে সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্যে ধনশিৰি মহকুমা আৰক্ষী প্ৰশাসনৰ উদ্যোগত এই দিৱস পালন কৰা হয়। সম্প্ৰতি মহামাৰীৰ দৰে বিয়পি পৰা নিষিদ্ধ ড্ৰাগ্‌ছৰ কবলত পৰি ধ্বংসৰ মুখলৈ গতি কৰিছে বহু নৱ-প্ৰজন্ম। অমানিশা নামি আহিছে বহু প্ৰতিভাৱান যুৱক-যুৱতীৰ ভৱিষ্যতৰ লগতে পৰিয়ালৰ মাজলৈ। ব্যতিক্ৰম নহয় ধনশিৰি মহকুমা। আজিৰ তাৰিখলৈকে মহকুমাটোৰ বিভিন্ন অঞ্চলৰ পৰা শ শ ড্ৰাগ্‌ছ ব্যৱসায়ী, সৰবৰাহকাৰী, সেৱনকাৰী বিভিন্ন সময়ত আৰক্ষীৰ জালত পৰি কাৰাগাৰৰ আলহী হ'ব লগা হৈছে। ইয়াৰে একাংশই এই বৰবিহৰ পৰা নিজকে মুক্ত কৰি স্বাভাৱিক জীৱনলৈ ঘূৰি আহিছে। ইপিনে এটা জীৱন আৰু ভৱিষ্যতক অন্ধকাৰলৈ লৈ যোৱা এই নিষিদ্ধ ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান অব্যাহত থকাৰ সমান্তৰালকৈ ধনশিৰি মহকুমাৰ আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞাৰ নেতৃত্বত বিভিন্ন সময়ত দেখা গৈছে বহু ব্যতিক্ৰমী আৰু অভিনৱ পদক্ষেপ। যাৰ জৰিয়তে সমগ্ৰ ধনশিৰি মহকুমাকে ড্ৰাগ্‌ছমুক্ত কৰাৰ এক জাগৰণ সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে। তাৰেই অংশ হিচাপে দেৱাল অংকন আৰু সজাগতামূলক সভাৰ জৰিয়তে আন্তৰ্জাতিক ড্ৰাগ্‌ছবিৰোধী দিৱস মহকুমা প্ৰশাসনৰ উদ্যোগত পালন কৰা হয়। মহকুমাটোৰ বৰপথাৰ আৰু সৰুপথাৰত ১৯গৰাকী চিত্ৰশিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠে ড্ৰাগ্‌ছবিৰোধী বিভিন্ন ধৰণৰ আকৰ্ষণীয় সজাগতামূলক ছবিয়ে। ধনশিৰি আৰ্ট এছ'চিয়েচনৰ সহযোগত বৰপথাৰ নগৰৰ হাইস্কুল তিনিআলি আৰু সৰুপথাৰ নগৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ দেৱালত অংকন কৰা হয় এই ছবিসমূহ। দেৱাল অংকনৰ পাছতেই বিয়লি এখন সজাগতা সভা আয়োজন কৰে মহকুমা আৰক্ষী প্ৰশাসনে। এই সভাতেই বহুকেইজন যুৱক-যুৱতীয়ে সজাগতামূলক শ্ল'গান লিখা প্লেকাৰ্ড লৈ অংশগ্ৰহণ কৰা দেখা যায়। উল্লেখ্য যে কেইমাহমানৰ পূৰ্বে সৰুপথাৰ টেঙাহোলাৰ কুমাৰ অমৃতজ্যোতি গোহাঁই নামৰ মেধাসম্পন্ন তথা সম্ভাৱনাপূৰ্ণ সংস্কৃতিৱান যুৱক এজন ড্ৰাগ্‌ছৰ কবলত পৰি জে'ললৈ যাবলগীয়া হৈছিল। কিন্তু জে'লৰ পৰা ওলাই আহি পুনৰ ড্ৰাগ্‌ছৰ কবলত নপৰাৰ সংকল্প লোৱা এই যুৱকজনক এই অনুষ্ঠানতে মহকুমা আৰক্ষী বিষয়াজনে নিজ হাতেৰে গামোচা পিন্ধোৱা দৃশ্যই উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰা দেখা যায়। ইপিনে আৰক্ষী বিষয়াগৰাকীয়ে অমৃতজ্যোতি গোহাঁই সকলোৰে বাবে আদৰ্শ হওক বুলি মন্তব্য কৰে। উল্লেখ্য যে এই যুৱকজনেই অংগৰাগ মহন্তৰ জনপ্ৰিয় 'সোঁৱৰণী' নামৰ গীতটো ৰচনা কৰিছিল। আনহাতে, এই অনুষ্ঠানতে উচ্চ শিক্ষিত এই যুৱকজন কিদৰে ড্ৰাগ্‌ছৰ গ্ৰাসত সোমাই পৰিছিল সেই বিষয়ে নিজে ৰচনা কৰা 'অভিমন্যু সংকল্প' নামেৰে সংগীত আৰু শব্দৰ সুন্দৰ সংমিশ্ৰণেৰে তৈয়াৰ কৰা এটা কবিতা ৰাইজৰ মাজলৈ মুকলি কৰি দিয়ে। এই আন্তৰ্জাতিক ড্ৰাগ্‌ছ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসত অংশগ্ৰহণ কৰে জিলা সত্ৰ ন্যায়াধীশ বিনোদ চান্দুক, অতিৰিক্ত আৰক্ষী অধীক্ষক অঞ্জন পণ্ডিত, ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিনছেংফা বৰুৱাৰ লগতে মহকুমা আৰক্ষী বিষয়াগৰাকীয়ে।






## কচুৱা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি হাজী আব্দুল জব্বাৰ খানৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুন ঃ** সোমবাৰে বিশিষ্ট সমাজকৰ্মী তথা কচুৱা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি হাজী আব্দুল জব্বাৰ খানৰ মৃত্যু হয়। কচুৱা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সমাজসেৱক হাজী আব্দুল জব্বাৰ খানৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৮ বছৰ। তেখেতৰ চাৰিজন পুত্ৰ সন্তান আৰু ছগৰাকী কন্যা সন্তান এৰি থৈ মায়াময় পৃথিৱী এৰি পৰলোক গমন কৰে। তেখেতৰ পৱিত্ৰ জানাজাৰ নামাজ আলিটাঙনি শ্বাহী মছজিদ প্ৰাংগণত শ শ ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতিত পুৱা ১০ বজাত সম্পন্ন কৰা হয়।

■ আন্তৰ্জাতিক মহিলা কাব্য মঞ্চ ■

# কামৰূপ শাখাৰ জুন মাহৰ বহুভাষিক কবি সন্মিলন সম্পন্ন




**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২৮ জুন ঃ** আন্তৰ্জাতিক মহিলা কাব্য মঞ্চ, কামৰূপ শাখা, অসমৰ ২০২২ বৰ্ষৰ জুন মাহৰ বহুভাষিক কবি সন্মিলনখন ২৫ তাৰিখ, শনিবাৰে পাণবজাৰস্থিত কটন বিশ্ববিদ্যালয়ৰ ৩১১নং কোঠাত বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত কৰি সফলতাৰে সম্পন্ন হয়। মঞ্চৰ সচিব কুমুদ শৰ্মাৰ আদৰণী ভাষণেৰে সভাৰ শুভাৰম্ভ হয়। সকলোকে অভিনন্দন জ্ঞাপন কৰি আজিৰ সভাৰ অধ্যক্ষতা হেতু কামৰূপ শাখাৰ অধ্যক্ষ জ্যেষ্ঠ কবি বিৰজা দেৱী, সন্মানীয় মুখ্য অতিথি, মঃকাঃমঃ, অসমৰ মহাসচিব, লেখিকা, অনুবাদক তথা হিন্দী শিক্ষয়িত্ৰী মালৱিকা ৰায়মেধি দাস 'মেধা', অতি বিশিষ্ট অতিথি অৱসৰপ্ৰাপ্ত অধ্যাপিকা (অসমীয়া বিভাগ), কবি, অনুবাদক ড° লুটফা হানুম চেলিমা বেগম আৰু বিশিষ্ট অতিথি লেখিকা তথা সমাজ সেৱিকা কাঞ্চন কেজৰিৱাল আৰু মকাম, মুখ্য অতিথি মকাম অসমৰ অধ্যক্ষ মমতা গিনোড়িয়াক মঞ্চলৈ স-সন্মানে আদৰণি জনায় আৰু অতিথি বৃন্দক একোখন ফুলাম গামোচা আৰু কিতাপৰ টোপোলাৰে মঞ্চৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সক্ৰিয় সদস্য ৰীতামণি ভূঞাই সৰস্বতী বন্দনাৰে মঞ্চৰ পৰিৱেশ পৱিত্ৰ কৰি তোলে। মুখ্য অতিথি ৰাজ্যিক মহাসচিব মালৱিকা 'মেধা'ই আন্তঃৰাষ্ট্ৰীয় মহিলা কাব্য মঞ্চৰ উদ্দেশ্য ব্যাখ্যাৰ আৰম্ভণিতে গুৰু বন্দনা এফাঁকিৰে তেওঁৰ ভাষণ আৰম্ভ কৰে আৰু সভাত উপস্থিত আটাইকে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰাৰ লগতে মহিলাৰ বাবে মহিলাৰ দ্বাৰা হোৱা এই মঞ্চখনৰ কাৰণে ৰাষ্ট্ৰীয় অধ্যক্ষ পাটিয়ালা নিবাসী নৰেশ নাজক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁৰ বক্তব্যত উত্তৰ-পূবৰ প্ৰভাৰী ঋণু বৰুৱাৰ অনুৰোধত চাৰি বছৰ পূৰ্বে জন্ম লোৱা মহিলা কাব্য মঞ্চ, কামৰূপ শাখাৰ চমু বৃত্তান্ত দাঙি ধৰে। লাহে লাহে গঢ় লৈ উঠা মঞ্চখনত ইজনে সিজনৰ প্ৰেৰণাত কেনেকৈ মহিলাসকল ওলাই আহি কবিতাৰ জগতখনলৈ বৰঙণি আগবঢ়াইছে সেই কথাও উল্লেখ কৰে। মালৱিকা 'মেধা'ই নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে তেওঁৰ উদ্যোগত ইতিমধ্যে অসমৰ বিভিন্ন ঠাই যেনে যোৰহাট, কামৰূপ, শোণিতপুৰ, নলবাৰী, বৰপেটা, শিৱসাগৰ, বঙাইগাঁও, ডিব্ৰুগড় আদি বিভিন্ন জিলাত কাব্য মঞ্চৰ শাখা খোলা হৈছে আৰু আৰু কবিতা পাঠেই হৈছে এই মঞ্চৰ মুখ্য উদ্দেশ্য। 'আজাদী কা অমৃত মহোৎসৱ'ৰ সৈতে সংগতি ৰাখি প্ৰণয়ন কৰা গ্ৰন্থ এখনো এই সুযোগতে তেওঁ মঞ্চত উপৱিষ্ট অতিথিসৱক অৰ্পণ কৰে। তাৰ লগে লগে সভাৰ মুখ্য আকৰ্ষণ কবি সন্মিলনখন পূৰ্ব অধ্যক্ষ ড° মঞ্জুলা হুছেইনৰ সঞ্চালনাৰে অনুষ্ঠিত হয় আৰু প্ৰতিগৰাকী কবিয়ে বিভিন্ন ৰসেৰে ভৰপূৰ স্বৰচিত কবিতা পাঠেৰে মঞ্চৰ শোভা বৰ্ধন কৰে। মকাম, অসমৰ অধ্যক্ষ মমতা বাইদেৱে অসমৰ যোৰহাটত প্ৰথমে মহিলা কাব্য মঞ্চৰ আৰম্ভণি সম্পৰ্কে থোৰতে অৱগত কৰে আৰু মহিলাসকলক কবিতা লিখিবলৈ উৎসাহ যোগায়। তেখেতে কয় যে মহিলাসকলক এই ক্ষেত্ৰত আগুৱাই নিয়াই হ'ল মঞ্চৰ মুখ্য উদ্দেশ্য। তেওঁ 'সময়' শিৰোনামেৰে এটি হিন্দী কবিতাও পাঠ কৰে। কাঞ্চন কেজৰিৱালে আজিৰ কবি সন্মিলনৰ ভূয়সী প্ৰশংসা কৰে আৰু ভাষাৰ শুদ্ধতা আৰু উচ্চাৰণৰ প্ৰতি লক্ষ্য ৰখাৰ কথা তেওঁ বাৰম্বাৰ উল্লেখ কৰাৰ লগতে ভাষাই যে ভিন্নজনক একতাৰ ডোলেৰে বান্ধি ৰাখিব পাৰে তাকো ব্যক্ত কৰি নাৰী শক্তিক উৎসাহিত কৰে। অতি বিশিষ্ট অতিথি লুটফা হানুম চেলিমা বেগমে কবিসকলৰ প্ৰশংসা কৰি কয় যে প্ৰতিগৰাকীৰে কবিতাৰ বিষয়বস্তু ভিন্ন ভিন্ন যাৰ আধুনিক কবিতাৰ ধাৰাৰ সৈতে মিল দেখা যায়। কবিতা সম্পৰ্কীয় বহুতো মূল্যৱান কথা উল্লেখ কৰি তেওঁ কয় যে নিজে লিখাৰ লগতে আনৰো কবিতা শুনা আৰু দেশ-বিদেশৰ কবিতা পঢ়া উচিত যাৰ দ্বাৰা আগলৈ কবিসকল উপকৃত হ'ব। প্ৰতি দিনেই কিবা নহয় কিবা লিখা বা পঢ়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰি তেওঁ গছৰ ওপৰত লিখা এটি কবিতাৰ ইংৰাজী অনুবাদ শুনাই কবিতাৰ সৰলতা, সূক্ষ্মতা তথা গভীৰতাৰ ওপৰত নিজৰ অনুভৱ ব্যক্ত কৰে। প্ৰতীক, ৰূপক, আদিৰ প্ৰয়োগৰ ওপৰত জোৰ দি কাব্য মঞ্চৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে এটা স্বৰচিত কবিতা পাঠ কৰি সকলোকে ৰোমাঞ্চিত কৰি তোলে। ইয়াৰ পাছতে অধ্যক্ষা বিৰজা দেৱীয়ে চমু ভাষণ দি এটি স্বৰচিত কবিতা পাঠ কৰে। শেষত মঞ্চৰ মহাসচিব অৱনীত কৌৰ দীপালীয়ে শলাগৰ শৰাই আগবঢ়াই সভা সমাপ্তিৰ ঘোষণা কৰে। কবি সন্মিলনত স্বৰচিত কবিতা পাঠ কৰি প্ৰণীতা শৰ্মা, ড° আৰমেদা আহমেদ, হীৰামণি তালুকদাৰ, শেৱালি ভাগৱতী, নিজৰা দত্ত, ৰীতামণি ভূঞা, কাঞ্চন শৰ্মা, মীনাক্ষী দেৱী, জয়শ্ৰী দত্ত, জুৰি বৈশ্য, ধৰিত্ৰী দেৱী, ৰীমা দাস, অঞ্জলি মুখীয়া, অৰুণিমা দত্ত, আমুনা জেৰিয়ানা (গীত), কুমুদ শৰ্মা 'কাশ্মী', অৱনীত কৌৰ 'দীপালী', মালৱিকা ৰায়মেধি দাস 'মেধা', ড° মঞ্জুলা হুছেইন, বন্দনা ৰায়মেধি আৰু বিৰজা দেৱীয়ে সন্মিলনখনক সৰ্বোত্তম সফলতা প্ৰদান কৰে।

নতুন দিল্লী, ২৮ জুন ঃ

# ইউক্ৰেইনৰ ক্ৰেমেনচুকৰ বিপণন কেন্দ্ৰত ৰাছিয়াৰ মিছাইল আক্ৰমণ

## নিহত ১৬, আহত ৪০

**কিয়েভ, ২৮ জুন ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ ডেৰশ দিনীয়া দীঘলীয়া যুদ্ধৰ পৰিসমাপ্তি অনিশ্চিত হোৱাৰ মাজতে মঙলবাৰে ইউক্ৰেইনৰ পোলেটাভা অঞ্চলৰ ক্ৰেমেনচুকৰ এটা শ্বপিং চেণ্টাৰত মিছাইল আক্ৰমণত বহু লোক হতাহত হৈছে।শেহতীয়া বাতৰি অনুসৰি, কমেও ১৬জন লোক নিহত আৰু ৪০ জন লোক আহত হৈছে। অৱশ্যে হতাহতৰ সংখ্যা আৰু বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে কয় যে ক্ৰেমেনচুকৰ কেন্দ্ৰীয় চহৰৰ এখন জনবহুল শ্বপিং মলত আক্ৰমণটো সংঘটিত হোৱাৰ সময়ত ভিতৰত ১,০০০ তকৈও অধিক লোক আছিল। বিপণন কেন্দ্ৰটোত এতিয়া ব্যাপক উদ্ধাৰ অভিযান চলি আছে। স্থানীয় সময় অনুসৰি আবেলি প্ৰায় ৩.৩০ বজাত এমষ্টোৰ নামৰ শ্বপিং চেণ্টাৰত এটা মিছাইলে আঘাত কৰে। শ্বপিং চেণ্টাৰটো ৰাছিয়াৰ নিয়ন্ত্ৰিত এলেকাৰ পৰা প্ৰায় ৮১ কিলোমিটাৰ দূৰত। ৰাষ্ট্ৰসংঘৰ এজন মুখপাত্ৰ ষ্টিফেন ডুজাৰিকে অসামৰিক



প্ৰতিষ্ঠানৰ ওপৰত এনে আক্ৰমণক তীব্ৰ গৰিহণা দিছে। পোলটাভা অঞ্চলৰ মুখ্য প্ৰশাসনিক বিষয়া ডিমিট্ৰো লুনিনে এই আক্ৰমণক "যুদ্ধ অপৰাধ" বুলি অভিহিত কৰিছে।মধ্য ইউক্ৰেইনৰ দানিপাৰ নদীৰ পাৰত থকা এই ঔদ্যোগিকভাৱে সমৃদ্ধ চহৰখনত প্ৰায় ২,২০,০০০ লোক বাস কৰে। ইয়াৰ পূৰ্বেও চহৰখনৰ তেল শোধনাগাৰ আৰু অন্যান্য প্ৰতিষ্ঠানত ৰাছিয়াৰ মিছাইল আক্ৰমণ হৈছিল।



*জাৰ্মানীৰ এলমাউ চহৰত অনুষ্ঠিত হোৱা জি-৭ গোট আৰু ইয়াৰ সহযোগী পাঁচখন দেশৰ নেতৃত্বৰ বৈঠকত বাক স্বাধীনতা সুৰক্ষা কৰাৰ বাবে গ্ৰহণ কৰা হয় বিশেষ প্ৰস্তাৱ। লগতে সমাজৰ একতা আৰু স্বাধীনতা বৰ্তাই ৰখাৰ ক্ষেত্ৰত আটাইবোৰ দেশে এই সিদ্ধান্ত কাৰ্যকৰীৰ কৰাৰ ব্ৰত লয়, এই বৈঠকত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত আছিল*

### শ্ৰীলংকাত ভয়াৱহ তৈল সংকট!

# একেৰাহে দ্বিতীয় সপ্তাহৰ বাবে বন্ধ ৰখা হৈছে ইন্ধন বিক্ৰী

**কলম্বো, ২৮ জুন ঃ** তীব্ৰ বিত্তীয় সংকটত ভুগিছে শ্ৰীলংকা। ইন্ধন তেলৰো তীব্ৰ নাটনি। তাৰমাজতে শ্ৰীলংকা চৰকাৰে ইন্ধন তেলৰ বিক্ৰী নিষিদ্ধ কৰিছে। কেৱল জৰুৰীকালীন সেৱাত নিয়োজিত গাড়ীয়েহে পেট্ৰ'ল, ডিজেল পাব। চৰকাৰে সকলো ব্যক্তিগত কৰ্মচাৰীক ঘৰৰ পৰা কাম কৰিবলৈ নিৰ্দেশ দিছে। চৰকাৰৰ মুখপাত্ৰ বন্দুলা গুনাৱাৰ্দনাই কয় যে আজি মাজনিশাৰ পৰা স্বাস্থ্য খণ্ডত জৰুৰীকালীন সেৱাৰ বাহিৰে আন কাকো ইন্ধন তেল বিক্ৰী কৰা নহ'ব। কাৰণ আমি আমাৰ ওচৰত থকা তেলখিনি বচাই ৰাখিব বিচাৰো। এই অসুবিধাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। যোৱা সপ্তাহত সকলো চৰকাৰী বিদ্যালয় বন্ধ কৰাৰ নিৰ্দেশ জাৰি কৰা হৈছিল। কিছুমান কাৰ্যালয় কম সংখ্যক কৰ্মচাৰীৰ সৈতে চলি আছে। দেওবাৰে চৰকাৰে কৈছিল যে ইন্ধন তেল বিচাৰিলেই পোৱা নাযাব। কিন্তু এইবাৰ চৰকাৰে তেল দিয়া বন্ধই কৰি




দিছে। ইপিনে, বিভিন্ন পেট্ৰ'ল পাম্পৰ সন্মুখত ইতিমধ্যে গাড়ীৰ দীঘলীয়া শাৰী দেখা গৈছে। দেশখনৰ বাসিন্দাসকল ভীষণ চিন্তিত হৈ পৰিছে। ৰাষ্ট্ৰসংঘই ইতিমধ্যে কৈছে যে শ্ৰীলংকা গুৰুতৰ সমস্যাত পৰিছে। পাঁচজনৰ ভিতৰত চাৰিজনে এসাঁজ খাই জীয়াই আছে। মানৱীয় সংকট আৰম্ভ হৈছে। এইবাৰ আকৌ ভয়াবহ ইন্ধন সংকট আহি পৰিছে। তেনে ক্ষেত্ৰত দেশখনত ৰাস্তাবোৰ প্ৰায় গাড়ী শূন্য হৈ পৰাৰ সম্ভাৱনাই দেখা দিছে।

# ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধীৰ একত্ৰিত মঞ্চ ২০২৪ৰ লোকসভা নিৰ্বাচন পৰ্যন্ত অব্যাহত থকাৰ ইংগিত

**নতুন দিল্লী, ২৮ জুন ঃ** দেশত আগন্তুক ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে বিৰোধী ৰাজনৈতিক দলবোৰ অধিকাংশ একত্ৰিত হৈ পৰিছে। দলবোৰে শাসকীয় বিজেপি আৰু এনডিএ মৰ্চাৰ বিৰুদ্ধে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী যশৱন্ত সিনহাক প্ৰক্ষেপ কৰিছে। বিৰোধীৰ হাতত বৰ্তমানলৈকে জয়ী হ'ব পৰা পৰিমাণৰ ভোট মজুত আছে। অৱশ্যে শাসকীয় পক্ষই কৌশলেৰে বিৰোধীৰ বিভাজন ঘটাই ভোট সৰকাই নিয়াৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। কিন্তু বিৰোধীয়ে একত্ৰিত মঞ্চত সমৱেত হোৱা কাৰ্যই এই উমৈহতীয়া মঞ্চ দীঘলীয়া সময়ৰ বাবে বৰ্তী থকাৰ ইংগিত পোৱা গৈছে। ফলত কাৰচাজিৰে ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধীক পৰাস্ত কৰিবলৈ সক্ষম হ'লেও আগন্তুক লোকসভাৰ নিৰ্বাচনৰ বাবে এই একত্ৰিত মঞ্চ ভয়ানক হৈ উঠিব শাসকীয় পক্ষৰ বিৰুদ্ধে। উল্লেখ্য যে তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ আহ্বানত যোৱা ১৫ জুন তাৰিখে দিল্লীত ১৭টা বিৰোধী দলে একেলগ হৈছিল। মমতা বেনাৰ্জীয়ে মুঠ ২২টা বিৰোধী দলৰ প্ৰতি আমন্ত্ৰণ জনাইছিল। কিন্তু নিজৰ দলীয় স্বাৰ্থত কেইবাটাও বিৰোধী দলে এই উমৈহতীয়া মঞ্চ এৰাই চলিছে। বিজু জনতা দলে নিজৰ ৰাজ্যৰ পৰা বিজেপিয়ে দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী কৰাৰ বাবে ৰাজনৈতিক বৈৰীতা পৰিত্যাগ কৰিছে। আম আদমী পাৰ্টিয়ে বৰ্তমানলৈকে শাসক বা বিৰোধী কোনো পক্ষকে সমৰ্থন জনোৱা নাই। বহুজন সমাজ পাৰ্টিয়ে চৰকাৰী পক্ষলৈ সমৰ্থন জনাইছে। আনহাতে তেলেংগানাৰ শাসকীয় টি আৰ এছ দলে বিৰোধী পক্ষলৈ সমৰ্থন জনাইছে। এই দলকেইটাৰ বাহিৰে অন্য প্ৰায় সকলোবোৰ বিৰোধী ৰাজনৈতিক দলে শাসক পক্ষৰ বিৰুদ্ধে একত্ৰিত হৈছে। অহা ১৮ জুলাইত ভোটগ্ৰহণ আৰু ২১ জুলাইত ভোট গণনা আছে। তেতিয়াই দুয়ো পক্ষৰ শক্তিৰ প্ৰমাণ ওলাব। কিন্তু এই একত্ৰিকৰণ কেৱল ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে হোৱা নাই বুলি তৃণমূল কংগ্ৰেছৰ সাংসদ সৌগতা ৰয়ে প্ৰকাশ কৰিছে। ২০২৪ চনৰ লোকসভা নিৰ্বাচন পৰ্যন্ত বিৰোধী ঐক্য অব্যাহত থাকিব। দেশত বিৰোধীৰ হাতত এতিয়াও ৬৫ শতাংশ ভোট আছে, কিন্তু পাৰস্পৰিক দ্বন্দৰ বাবে একত্ৰিকৰণ হোৱা নাই। এইবাৰ একত্ৰিকৰণৰ সুযোগ আনি দিয়া বুলি কোৱা হৈছে। বৰ্তমান লোকসভাত কংগ্ৰেছৰ ৫৩, ডি এম কে দলৰ ২৪, তৃণমূল কংগ্ৰেছৰ ২৩, শিৱসেনাৰ ১৯, তেলেংগানা ৰাষ্ট্ৰীয় সমাজৰ ৯, এন চি পিৰ ৫ জন সাংসদ আছে। একেদৰে বিধানসভা সমূহতো বিৰোধী দলবোৰৰ স্থিতি মজবুত হৈ আছে। গতিকে নিৰ্বাচনত জয়ী হোৱাৰ ক্ষেত্ৰত এতিয়াও বিৰোধীয়ে আশা এৰি দিয়া নাই।



# সাৰদাৰ ধন ঘূৰাই দিবলৈ ন্যায়ালয়ৰ নিৰ্দেশ

**কলকাতা, ২৮ জুন ঃ** সাৰদা গোষ্ঠীৰ জমাকৃত ধনসমূহ গ্ৰাহকসকলক ঘূৰাই দিবলৈ কলকাতা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা জাৰি কৰিছে। ন্যায়ালয়ে সাৰদাৰ কেলেংকাৰী তদন্ত কৰা চি বি আই, এনফ'ৰ্চমেণ্ট আৰু চেবি সংস্থাক এই নিৰ্দেশনা প্ৰদান কৰিছে। উল্লেখ্য যে সাৰদাৰ সা-সম্পদ বিক্ৰী কৰি, বেংকৰ একাউণ্টসমূহ জব্দ কৰি যিবোৰ ধন আহৰণ কৰা হৈছে, সেইবোৰ গ্ৰাহকসকলৰ প্ৰাপ্য। উল্লেখ্য যে ন্যায়াধীশ এছ পি তালুকদাৰৰ নেতৃত্বত তদন্তৰ বাবে এজনীয়া সমিতি গঠন কৰি দিছিল। ১৫০০ কোটি টকা কেলেংকাৰী হোৱা বুলি তদন্তৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। এই গোচৰৰ তদন্তকাৰী সংস্থাসমূহে সাৰদাৰ বহু সম্পত্তি জব্দ কৰিছে। এই জব্দকৃত সম্পদসমূহ নিলাম কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিছে। লগতে নিলামৰ জৰিয়তে আহৰণ কৰিব লগা ধনৰাশি সাৰদাৰ ওচৰত ধন জমা কৰি ঘূৰাই নোপোৱা গ্ৰাহকসকলক প্ৰদান কৰিবলৈ কোৱা হৈছে। উল্লেখ্য যে বৰ্তমানলৈকে সাৰদাৰ পৰা জব্দকৃত সা-সম্পদ, ধন আদি তদন্তকাৰী সংস্থাৰ জিম্মাতে আছে। সেয়েহে এই বিষয়টো মুখনি মৰাৰ লগতে সাৰদা প্ৰতিষ্ঠান বন্ধ কৰি দিবলৈ ন্যায়ালয়ে পৰামৰ্শ দিছে। এজনীয়া আয়োগৰ মুৰব্বী ন্যায়াধীশ শ্যামল সেন আয়োগে দিয়া এই পৰামৰ্শৰ পিছত সাধাৰণ ৰাইজে জমাকৃত ধন ওভতাই পোৱাৰ আশা দেখিছে। উল্লেখ্য যে কমেও ১৪০ কোটি নগদ ধন উদ্ধাৰ কৰা হৈছিল। এই ধনৰাশি ৰাজ্য চৰকাৰৰ ওচৰত জমা ৰখা হৈছে। ইয়াৰ লগতে ছে বি, চি বি আই আৰু এনফ'ৰ্চমেণ্টৰ হাতত আছে ১২০০-১৩০০ কোটি টকাৰ সম্পদ। এই সম্পদসমূহ নিলাম কৰিছে প্ৰায় ১৫০০ কোটি টকা ঘূৰাই পাবলৈ সক্ষম হ'ব। এই বৃহৎ ধনৰাশি সাৰদা কোম্পানীত ধন জমা ৰাখি ঘূৰাই নোপোৱা গ্ৰাহকসকলক তেওঁলোকৰ জমা ধন ঘূৰাই দিয়া কাৰ্যত ব্যৱহাৰ কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশনা দিছে।

### বিজেপিক নিৰ্দোষী সজোৱাৰ প্ৰয়াস একনাথ সিন্দেৰ

# গুৱাহাটীলৈ নিজ ইচ্ছা মতে আহিছে বিসম্বাদী বিধায়ক!



**মুম্বাই, ২৮ জুন ঃ** গুৱাহাটীত বাহৰ পাতি থকা মহাৰাষ্ট্ৰৰ বিসম্বাদী বিধায়ক সকল অসমলৈ অহাৰ আঁৰত আন কাৰো হাত নাই। নিজ ইচ্ছামতেই অসমত আশ্ৰয়ৰ উদ্দেশ্যে উপস্থিত হৈছিলহি এই বিসম্বাদী বিধায়কগণ। মহাৰাষ্ট্ৰৰ ৰাজনৈতিক অস্থিৰতাৰ মূল নেতা একনাথ সিন্দেই আজি এই স্বীকাৰোক্তি দিছে। মহানগৰীৰ ৰেডিচন ব্লু হোটেলত বাহৰ পাতি থকা বিসম্বাদী নেতাগৰাকীয়ে কিছু সময় পূৰ্বে ৰেডিচন ব্লু হোটেলৰ মুখ্য প্ৰৱেশদ্বাৰৰ সন্মুখত সাংবাদিকৰ আগত এই মন্তব্য কৰিছে। সিন্দেই কয়, "আমি গুৱাহাটীলৈ নিজৰ ইচ্ছা মতে আহিছো। অতি সোনকালে আমি মহাৰাষ্ট্ৰলৈ উভতি যাম। আমি বাল ঠাকৰেৰ হিন্দুত্বৰ লগত আছো। এতিয়াও আমি শিৱসেনাৰ আছো। আমি বাল থাকৰেৰ হিন্দুত্বৰ আদৰ্শক আগুৱাই লৈ যাবলৈ বদ্ধপৰিকৰ।" উল্লেখ্য যে, মহাৰাষ্ট্ৰৰ শাসনাধিষ্ঠ চৰকাৰৰ বিৰুদ্ধে বিসম্বাদৰ সূচনা কৰাৰ পাছতে সিন্দেই শিৱসেনা মুৰব্বী উদ্ধৱ ঠাকৰেক এনচিপি আৰু কংগ্ৰেছৰ সৈতে মিত্ৰতা ভংগ কৰি বিজেপিৰ সৈতে পুনৰ মিত্ৰতা গঢ়িবলৈ দাবী জনাইছিল। এনে পৰিস্থিতি বিজেপিৰ সহযোগতে সিন্দেই দলীয় বিদ্ৰোহৰ সূত্ৰপাত ঘটাইছে বুলি চৰ্চা চলিছিল। তদুপৰি বিসম্বাদৰ সৃষ্টি কৰাৰ পাছতে প্ৰথমে গুজৰাট আৰু পিছত অসমলৈ ঢাপলি মেলিছিল ববিসম্বাদী শিবিৰটোৱে। এই দুয়োখন ৰাজ্যতে বিজেপিৰ চৰকাৰ থকালৈ চাই বিসম্বাদী দলটোৱে বিজেপিৰ পৃষ্ঠপোষকতা লাভ কৰিছে বুলি স্বাভাৱিকতেই চৰ্চিত হৈছিল।

### মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ মন্ত্ৰী-পুত্ৰ আদিত্যৰ চাঞ্চল্যকৰ দাবী!

# মহাৰাষ্ট্ৰৰ পৰা অপহৃত হৈছে ১৫-২০ জন বিধায়ক, ঘূৰি আহিব বিচাৰে মুম্বাইলৈ

**মুম্বাই, ২৮ জুন ঃ** মহাৰাষ্ট্ৰৰ পৰ্যটন মন্ত্ৰী তথা মুখ্যমন্ত্ৰী উদ্ধৱ ঠাকৰেৰ পুত্ৰ আদিত্য ঠাকৰেই দাবী কৰে যে একনাথ সিন্দেৰ বিদ্ৰোহী শিবিৰৰ বিধায়কসকলৰ ভিতৰত প্ৰায় ১৫ৰ পৰা ২০ জন শিৱসেনা বিধায়কে শিৱসেনাৰ কাষ চাপিছে আৰু তেওঁলোকক গুৱাহাটীৰ পৰা মুম্বাইলৈ ঘূৰাই আনিবলৈ দলক অনুৰোধ জনাইছে। ঠাকৰেই লগতে দাবী কৰে যে তেওঁলোকক বন্দীৰ দৰে হোটেলত ৰখা হৈছে আৰু তেওঁলোকে ঘূৰি আহিব বিচাৰে। শিৱসেনাই দাবী কৰিছে যে বিদ্ৰোহী শিবিৰে কিছুমান বিধায়কক অপহৰণ কৰিছে বা বলপূৰ্বক লৈ গৈছে। প্ৰায় ১৫-২০ জন বিধায়ক তেওঁলোকৰ সৈতে যোগাযোগত আছে বুলি কোৱা হৈছে। আদিত্য ঠাকৰেই মুম্বাইৰ উপকণ্ঠৰ কাৰজাহত শিৱসেনা কৰ্মীসকলক কয় যে প্ৰতিজন শিৱ সৈনিকে সাম্প্ৰতিক পৰিস্থিতিক এটা সমস্যা নহয় এটা সুযোগ হিচাপে চাইছে।



বৰ্তমান ৯জন মন্ত্ৰীকে ধৰি শিৱসেনাৰ বেছিভাগ বিধায়কে দলটোৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে। একনাথ সিন্দে মুঠ ৫৫ জন বিধায়কৰ সমৰ্থন থকা বুলি দাবী কৰিছে। আদিত্যই কৈছে যে কিছুমান নেতাক অন্ধভাৱে বিশ্বাস কৰা হৈছিল আৰু তেওঁলোকক সংগঠনটোত নিৰন্তৰ পদোন্নতিৰ সুযোগ দিয়া হৈছিল। তেওঁ লগতে কয় যে দল ত্যাগ কৰা বিধায়কসকল প্ৰকৃততে "বাৰিষা আৰম্ভ হোৱাৰ পূৰ্বে 'নলা' আৰু আৱৰ্জনা পৰিষ্কাৰ কৰাৰ দৰে।" আনহাতে, ৰাজ্যখনৰ ৰাজনৈতিক সংকটৰ মাজতে শিৱসেনাৰ নেতা তথা উদ্ধৱ ঠাকৰেৰ ঘনিষ্ঠ সঞ্জয় ৰাউতক ইডিয়ে ধন সৰবৰাহৰ এক গোচৰত তলব কৰিছে। ৰাউতে অৱশ্যে স্পষ্ট কৰি দিছে যে তেওঁ এতিয়া উপস্থিত নহয় আৰু কেন্দ্ৰীয় সংস্থাটোৰ পৰা সোধা-পোছাৰ বাবে আন এটা তাৰিখ বিচাৰিব।

# ৰিলায়েন্স জিঅ'ৰ নতুন অধ্যক্ষ আকাশ আম্বানি, মুকেশৰ পদত্যাগ

**নতুন দিল্লী, ২৮ জুন ঃ** দেশৰ লগতে বিশ্বৰ অন্যতম ধনাঢ্য ব্যক্তি মুকেশ আম্বানীয়ে ৰিলায়েন্স জিঅ' কোম্পানীৰ অধ্যক্ষ পদ ত্যাগ কৰিছে। ইয়াৰ বিপৰীতে কোম্পানীটোৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে আকাশ এম আম্বানীক। চলিত মাহৰ ২৭ জুনৰ পৰা এই সিদ্ধান্ত কাৰ্যকৰী হৈছে। ইয়াৰ উপৰিও কোম্পানীৰ পৰিচালন সঞ্চালক হিচাপে নিযুক্ত হৈছে পংকজ মোহন পাৱাৰ। আনহাতে স্বতন্ত্ৰ সঞ্চালক হিচাপে দায়িত্ব লাভ কৰিছে ৰমিন্দৰ সিং গুজৰাল আৰু কে ভি চৌধাৰীয়ে। উল্লেখ্য যে আম্বানী নেতৃত্বাধীন ৰিলায়েন্স ইণ্ড্ৰাষ্টি গোটৰ ডিজিটেল শাখা হ'ল ৰিলায়েন্স জিঅ' ইনফোকম লিমিটেড। প্ৰায় এবছৰৰ পূৰ্বে মুকেশ আম্বানীয়ে ব্যক্ত কৰিছিল যে তেওঁ পৰ্যায়ক্ৰমে কোম্পানীৰ দায়িত্ব সন্তানক অৰ্পন কৰিব। কিয়নো উত্তৰ প্ৰজন্মই কোম্পানীৰ পৰিচালনাত অধিক গতিশীলতা প্ৰদান কৰিব। ধীৰু ভাই আম্বানীয়ে প্ৰতিষ্ঠা কৰা ৰিলায়েন্স গোটৰ জৰিয়তে দেশৰ সমৃদ্ধি আৰু বিকাশত সহায় কৰি অহা বুলি ব্যক্ত কৰিছে। আনহাতে মুকেশ আম্বানীৰ পুত্ৰ আকাশ এম আম্বানী হ'ল অৰ্থনীতি বিষয়ত সন্মানসহ ব্ৰাউন বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী অৰ্জন কৰা মেধাৱী ছাত্ৰ। ইয়াৰ উপৰিও ডিজিটেল সেৱা আৰু গ্ৰাহক পৰিক্ৰমা বিষয়ত অতিৰিক্তভাৱে অধ্যয়ন কৰিছে। জিঅ' ৪-জি সেৱাৰ সময়ৰ পৰাই আকাশে অতি আন্তৰিকতাৰে কোম্পানীটোৰ বিকাশত অৰিহনা যোগাই আহিছে। ভাৰতত ২০১৭ চনৰ পৰা জিঅ' কোম্পানীৰ মোবাইল সেৱা আৰম্ভ হৈছিল।



### বোম্বে উচ্চ ন্যায়ালয়ত পি আই এল দাখিল

# মুখ্যমন্ত্ৰী উদ্ধৱ, মন্ত্ৰী-পুত্ৰ আদিত্য আৰু সাংসদ সঞ্জয় ৰাউতৰ বিৰুদ্ধে অভিযোগ



**মুম্বাই, ২৮ জুন ঃ** হেমন্ত পাটিল নামৰ এজন ব্যক্তিয়ে বোম্বে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে, তেওঁৰ পুত্ৰ তথা মন্ত্ৰী আদিত্য থাকৰে আৰু ৰাজ্যসভাৰ সাংসদ সঞ্জয় ৰাৱটৰ বিৰুদ্ধে ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হৈছে। কোৱা হৈছে যে এই তিনিও ব্যক্তিক ৰাজহুৱা কাৰ্যসূচীত অংশগ্ৰহণৰ পৰা বাৰণ কৰিব লাগে। তিনিওজনে সামাজিক অশান্তি বিয়পাবলৈ চেষ্টা কৰি থকা বুলি ন্যায়ালয়ত অভিযোগ কৰা হৈছে। উল্লেখ্য যে তিনিওজনে যোৱা কিছুদিন ধৰি মহাৰাষ্ট্ৰৰ বিভিন্ন স্থানত পৰিভ্ৰমণ কৰিছে আৰু উচতনিমূলক বক্তব্য প্ৰদান কৰা বুলি অভিযোগ উত্থাপন কৰিছে আবেদনকাৰীয়ে। তেওঁলোকে বিদ্ৰোহী বিধায়ক একনাথ সিন্দেৰ বিৰুদ্ধে ৰাইজক উচটাই আছে। ফলত নিজৰ প্ৰাণৰ মমতাত একনাথ আৰু অন্যান্য মন্ত্ৰী-বিধায়কসকলে নিজ ৰাজ্য এৰি বাহিৰত আত্মগোপন কৰিব লগা হৈছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে বিসম্বাদীসকলক ৱাই প্লাছ নিৰাপত্তা প্ৰদান কৰিবলৈ বাধ্য হোৱা বুলিও আবেদনকাৰীয়ে ন্যায়ালয়ৰ দৃষ্টিগোচৰ কৰিছে। অধিবক্তা আৰ এন কাছেভৰ জৰিয়তে আবেদনকাৰীয়ে ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে আৰু মুখ্যমন্ত্ৰী উদ্ধৱ, তেওঁৰ মন্ত্ৰী-পুত্ৰ আদিত্য আৰু সাংসদ সঞ্জয় ৰাৱটৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ মহাৰাষ্ট্ৰ আৰক্ষীক নিৰ্দেশ দিব লাগে বুলিও আবেদনকাৰীয়ে ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰিছে।



*চিকাগো বিশ্ববিদ্যালয়ৰ গৱেষণাত প্ৰকাশ পোৱা অনুসৰি বিশ্বৰ ভিতৰতে ভাৰতত ৪৪ শতাংশ বায়ু প্ৰদূষণ বৃদ্ধি হৈছে ২০১৩ চনৰ পৰা। ৯৭ শতাংশ বাসিন্দাই বসবাস কৰে আন্তৰ্জাতিকভাৱে সৰ্বাধিক প্ৰদূষিত অঞ্চলত*

# আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছ চহৰত ট্ৰাকৰ ভিতৰত উদ্ধাৰ ৪২টা মৃতদেহ

**টেক্সাছ, ২৮ জুন ঃ** এখন ৰখাই থোৱা ১৮চকীয়া ট্ৰাকৰ ভিতৰত ওলাইছে দুকুৰিতকৈ অধিক মৃতদেহ। এই অৰ্ধগলিত আৰু অচিনাকী মৃতদেহক লৈ সৃষ্টি হৈছে ব্যাপক চাঞ্চল্যৰ। প্ৰাপ্ত তথ্য মতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছ প্ৰদেশৰ চান এণ্টনিঅ' চহৰৰ ওচৰত এখন ১৮ চকীয়া ট্ৰাকৰ ভিতৰৰ পৰা কমেও ৪২ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। কমেও আন ১৬ জনক বিভিন্ন অৱস্থাত চিকিৎসালয়লৈ লৈ যোৱা হৈছে। স্থানীয় সংবাদ মাধ্যমৰ উদ্ধৃতিৰে বিবিচিয়ে এই বাতৰি প্ৰকাশ কৰিছে। ছ'চিয়েল মিডিয়াত পোষ্ট কৰা ফটোবোৰত দেখা গৈছে



যে বৃহৎ সংখ্যক জৰুৰীকালীন উদ্ধাৰকাৰী কৰ্মীয়ে এখন ডাঙৰ ট্ৰাকৰ চাৰিওফালে ভিৰ কৰিছে। কেএছএটি টিভি চেনেলৰ বাতৰি মতে গাড়ীখন চান এণ্টনিঅ'ৰ দক্ষিণ-পশ্চিম দিশত ৰেলপথৰ কাষত পোৱা গৈছে। নিউয়ৰ্ক টাইমছৰ বাতৰি অনুসৰি ছান এণ্টনিঅ'ৰ আৰক্ষী কৰ্মীসকলে ঘটনাস্থলীৰ পৰা সন্ধানহীন বাহনখনৰ চালকৰ সন্ধান চলাইছে। টে'ক্সৰ চান এণ্টনিঅ' আমেৰিকা-মেক্সিকো সীমান্তৰ পৰা ২৫০ কিলোমিটাৰ দূৰত অৱস্থিত। ট্ৰাকৰ ভিতৰত পোৱা মৃতদেহবোৰ প্ৰব্ৰজনকাৰী লোকৰ হ'ব পাৰে বুলি অনুমান কৰা হৈছে।



আয়াৰলেণ্ডৰ বিৰুদ্ধে টি-২০ত দীপক হুডাৰ প্ৰথম শতক

# এছিয়ান চাইক্লিং চেম্পিয়নশ্বিপত দেশৰ হৈ দুটা পদক লাভ অসম কন্যা চয়নিকা গগৈক ৰাজকীয় আদৰণি

**গুৱাহাটী, ২৮ জুন ঃ** চাইক্লিঙৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠা বিশ্বনাথ জিলাৰ গৌৰৱ প্ৰতিভাশালী চাইক্লিষ্ট চয়নিকা গগৈক গৃহ জিলাত উষ্ণ অভিনন্দন জ্ঞাপন কৰা হয়। বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত তথা বিশ্বনাথ জিলাৰ ষ্টেডিয়ামত হোৱা এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত বিশ্বনাথ জিলাৰ লগতে ৰাজ্যখনলৈ গৌৰৱ অনা চয়নিকা গগৈক বিশ্বনাথ জিলা প্ৰশাসন, বিধায়কদ্বয় প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা, বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ লগতে ভালেসংখ্যক অনুষ্ঠান প্ৰতিষ্ঠানে শৰাই, গামোচা, অভিনন্দন পত্ৰ আদিৰে ক্ৰীড়ী সাফল্যৰ বাবে উষ্ণ অভিনন্দন জনাই লগতে শুভেচ্ছাৰে ওপচাই দিয়ে। বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক তথা জিলা ক্ৰীড়া সন্থাৰ সভাপতি প্ৰমোদ বৰঠাকুৰ, গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক উৎপল বৰা, বিশ্বনাথৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, আৰক্ষী অধীক্ষক নবীন সিং, অতিৰিক্ত উপায়ুক্তদ্বয় লিজা তালুকদাৰ, বিশ্বজিৎ শইকীয়া, সহকাৰী আয়ুক্ত অনন্যা লহকৰ, জিলা ক্ৰীড়া বিষয়া, শোণিতপুৰ ফনীন্দ্ৰ কুমাৰ মুদৈ, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি অপূৰ্ব দাস, সম্পাদক ৰাতুল শইকীয়া প্ৰমুখ্যে বিষয়ববীয়া তথা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু ভালেসংখ্যক ক্ৰীড়ানুৰাগী ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত হয় এই বিশেষ অভিনন্দন অনুষ্ঠান। কৃতী চাইক্লিষ্ট চয়নিকা গগৈক বিশ্বনাথ চাৰিআলি ষ্টেডিয়ামলৈ প্ৰথমে ঢোলে দগৰে আদৰি অনা হয় আৰু জিলা প্ৰশাসনৰ হৈ উপায়ুক্তই, ক্ৰীড়া বিষয়া তথা কাৰ্যালয়ৰ কৰ্মচাৰী গোট, শাৰীৰিক শিক্ষা নিৰ্দেশক সনঞ্জহা, জিলা ক্ৰীড়া সন্থা, বিশ্বনাথ আৰু গহপুৰৰ বিধায়কদ্বয়, আৰক্ষী অধীক্ষক, বিশ্বনাথ চাৰিআলি পৌৰ সভা, জ্যেষ্ঠ নাগৰিক সন্থা, চেম্বাৰ্চ অব কমাৰ্চ, অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদ, উদ্দীপ্ত চ'ৰা, বিশ্বনাথৰ মৎস্যজীৱি সমিতি আদিয়ে অভিনন্দন জ্ঞাপন কৰে। এই অনুষ্ঠানতে বিশ্বনাথ জিলাৰ গৌৰৱ চাইক্লিষ্ট চয়নিকা গগৈৰ প্ৰশিক্ষক জীৱন বৰা আৰু পিতৃ-মাতৃ ক্ৰমে কৃষক মৃদুল গগৈ আৰু পবিত্ৰা গগৈকো বিপুল সম্বৰ্ধনা জনোৱা হয়। বিদ্যুৎ শৰ্মাই আঁত ধৰা অনুষ্ঠানত নাতিদীৰ্ঘ ভাষণত চয়নিকা গগৈয়ে তেওঁৰ কৃতকাৰ্যতাৰ আঁৰৰ সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। চয়নিকাক গহপুৰৰ বিধায়ক উৎপল বৰাই ৫০ হেজাৰ টকা আৰু বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে ১০ হাজাৰ টকাৰ আৰ্থিক পুৰস্কাৰ ঘোষনা কৰাৰ লগতে জিলাখনৰ সুপ্ত ক্ৰীড়া প্ৰতিভাক বিকশিত কৰাৰ স্বাৰ্থতে বিশ্বনাথ চাৰিআলিৰ ষ্টেডিয়ামক অত্যাধুনিক ৰূপ দিয়াৰ লগতে আন্তঃগাঁঠনি উন্নয়নৰ বাবে ৫০ কোটি টকাৰ অনুমোদন হোৱা বুলি সভাত উপায়ুক্তই প্ৰকাশ কৰে আৰু সেই কাম অচিৰেই আৰম্ভ হ'ব বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে, নতুন দিল্লীত অনুষ্ঠিত হোৱা জুনিয়ৰ এছিয়ান চাইক্লিং চেম্পিয়নশ্বিপত ভাৰতীয় দলৰ হৈ অংশগ্ৰহণ কৰি দুটা ব্ৰঞ্জৰ পদক লাভ কৰি গৌৰৱৰ অধিকাৰী হৈছে অসমৰ প্ৰতিভাশালী চাইক্লিষ্ট চয়নিকা গগৈ। বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ অন্তৰ্গত ডুবিয়া বড়িগাঁও নিবাসী, কৃষক মৃদুল গগৈ আৰু পবিত্ৰা গগৈৰ সুযোগ্য সন্তান চয়নিকা গগৈৰ এনে সফলতাত ৰাজ্যৰ লগতে সমগ্ৰ বিশ্বনাথ জিলাবাসীয়েই গৌৰৱ অনুভৱ কৰিছে। প্ৰতিভাধৰ চাইক্লিষ্ট গৰাকীয়ে ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন চাইক্লিং প্ৰতিযোগিতাত সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক আজুৰি আনিবলৈ সক্ষম হৈছে। সম্প্ৰতি প্ৰতিভাধৰ চাইক্লিষ্ট গৰাকীয়ে পঞ্জাৱৰ গুৰু নানক দেৱ বিশ্ববিদ্যালয়ত স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰিছে।

# জুনিয়ৰ ৰাষ্ট্ৰীয় ফেন্সিঙৰ বাবে কটকলৈ ৰাওনা অসম দল

**গুৱাহাটী, ২৮ জুন ঃ** উড়িশাৰ কটকত অহা ২৯ জুনৰ পৰা দুই জুলাইলৈ অনুষ্ঠিত হ'ব ৩০ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় ফেন্সিং প্ৰতিযোগিতা । এই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে ২৬ জনীয়া অসম দলটো ৰাওনা হৈছে । অসমৰ প্ৰশিক্ষক হিচাপে আছে ললিত সিংহ আৰু চুমি দত্ত । আনহাতে, অসমৰ পৰা ৰেফাৰী হিচাপে যাব মাণিক বড়ো । পুৰুষৰ ১২ জন আৰু মহিলাৰ ১২ গৰাকী খেলুৱৈয়ে এপি, ফইল আৰু ছেৱাৰ শাখাত ব্যক্তিগত আৰু দলীয় শাখাত অংশগ্ৰহণ কৰিব । অসম দলৰ খেলুৱৈসকল হ'ল- পুৰুষ ঃ ৰাজীৱ বড়ো, দ্বীপজ্যোতি মাহাতো, দেৱৰাজ ডেকা, ৰাহুল চৌধুৰী, ৰোহিত চাহু, দিব্যজ্যোতি ভট্টাচাৰয্য, শিৰম ৰয়, লয়ংবা সিংহ, ইনেশ সিংহ, লামানগামবা মেইটেই, জ্যোতিৰ্ময় ৰাভা আৰু হৰেশ্বৰ বসুমতাৰী। আনহাতে, মহিলা ঃ পালমনি বৰগোঁহাই, দেৱীকা বৰা, ইস্মিতা দাস, ছানিয়া, কৰিস্মিতা মৰাণ, চয়নিকা গগৈ, ছুইতি দাস, নেহা ৰাভা, সুপ্ৰিয়া বৰা, দিশ কাশ্যাপ, হিমাশ্ৰী মৰাণ আৰু তনময়ুৰী চাংমাই।

## বঙাইগাঁৱত আন্তঃৰাষ্ট্ৰীয় টেবুল টেনিছ ফেডাৰেচন প্ৰমাণিত প্ৰশিক্ষকৰ দ্বাৰা টেবুল টেনিছৰ গ্ৰীষ্মকালীন শিবিৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বঙাইগাঁও, ২৮ জুন ঃ** অহা ৩ জুলাইৰ পৰা ৩১ জুলাইলৈ ষ্টেডিয়াম ৰক্ষণাৰেক্ষণ সমিতিৰ দ্বাৰা বঙাইগাঁও চিলাৰায় ইণ্ডোৰ ষ্টেডিয়ামডডত এক টেবুল টেনিছৰ মাহ যোৱা গ্ৰীষ্মকালীন শিবিৰ আয়োজন কৰা হৈছে । এই শিবিৰটো হাইদৰাবাদ তেলেংগানাৰ পৰা অহা পেচাদাৰী আন্তঃৰাষ্ট্ৰীয় টেবুল টেনিছ ফেডাৰেচন প্ৰমাণিত প্ৰশিক্ষক সকলে পৰিচালনা কৰিব । ইয়াৰ জৰিয়তে শিশু আৰু প্ৰাপ্তঃবয়স্ক সকলে টেবুল টেনিছ শিকিবলৈ এটা সুযোগ লাভ কৰিব, যিটো প্ৰথম বাৰৰ বাবে বঙাইগাঁৱত অনুষ্ঠিত কৰা হ'ব । শিবিৰটোত ৭-৯ বছৰৰ ল'ৰা-ছোৱালী, ১০-১২ বছৰৰ ল'ৰা-ছোৱালী, ১৩-১৫ বছৰৰ ল'ৰা-ছোৱালী, ১৬-২১ বছৰৰ ল'ৰা-ছোৱালীৰ লগতে ২১ বছৰ বা তাতকৈ অধিক বয়সৰ পুৰুষ আৰু মহিলা সকলোক সামৰি লোৱা হৈছে । এই শিবিৰটোৰে ল'ৰা-ছোৱালী তথা পুৰুষ-মহিলা সকলোক Fit India movementৰ সৈতে মিলিত হ'বলৈ সহায় কৰিব । শিবিৰটো আন্তঃৰাষ্ট্ৰীয় টেবুল টেনিছ ফেডাৰেচন প্ৰমাণিত প্ৰশিক্ষক , মাইগু প্ৰশিক্ষক তথা বা'য় এনাৰ্জেটিচিয়ান (ফ্ৰান্সৰ পৰা), লেখক তথা ৰাষ্ট্ৰীয় মাষ্টাৰছ ২০১৯ আৰু ২০২০ পদক বিজয়ী ক্ৰীড়াবিদ হাইদৰাবাদৰ ভি ভেংকট এছ, আন্তঃৰাষ্ট্ৰীয় টেবুল টেনিচ ফেডাৰেচন আৰু নেচনেল ইনষ্টিটিউট অব স্পৰ্টছৰ প্ৰশিক্ষক দীপক এমৰ লগতে ফীটনেছ প্ৰশিক্ষক আৰু তেওঁলোকৰ দলে পৰিচালনা কৰিব ।

# গুৱাহাটীৰ ঐতিহ্যমণ্ডিত ইণ্ডিয়া ক্লাবৰ নতুন কমিটী গঠন

**গুৱাহাটী, ২৮ জুন ঃ** গুৱাহাটীৰ ইণ্ডিয়া ক্লাবৰ ৮৫ সংখ্যক সাধাৰণ সভাখন কালি অনুষ্ঠিত হয়। এই সভাতে নতুন কাৰ্যকৰী কমিটীখনো গঠন কৰে ক্লাবে। সেই অনুসৰি সভাপতিৰূপে বিমল ভড়ালী, উপ-সভাপতিৰ দায়িত্বত গৌতম গাংগুলী আৰু দিপক কুমাৰ দাস, সম্পাদকৰূপে দিগন্ত ঠাকুৰ, কোষাধ্যক্ষ সুৰেশ কুমাৰ বেৰিয়া নিৰ্বাচিত হয়। আনহাতে, টেনিছৰ যুটীয়া সম্পাদক অৰ্ণৱ কুমাৰ শৰ্মা, খেল বিভাগৰ যুটীয়া সম্পাদক অংশুমান দাস আৰু ক্লাব সেৱাৰ যুটীয়া সম্পাদক তীৰ্থৰাজ শৰ্মা নিৰ্বাচিত হয়। পাঁচগৰাকী কাৰ্যকৰী সদস্য হ'ল- দিপাংকৰ বৰুৱা, গৌৰৱ চৌধুৰী, ভাস্কৰ হাজৰিকা, কৌশিক তালুকদাৰ আৰু অৰ্জুন ভড়ালী। উল্লেখ্য যে নতুন কাৰ্যকৰী কমিটীখনৰ কাৰ্যকাল ২০২৪ লৈ থাকিব।

### উইম্বলডনতো কৰ'না আতংক

# পৰীক্ষাৰ অন্তত নাম প্ৰত্যাহাৰ কৰিলে মাৰ্টিন-বেৰেটিনিয়ে

**লণ্ডন, ২৮ জুন ঃ** আন্তৰ্জাতিক ক্ৰিকেট চলি থকাৰ লগতে ইংলণ্ডত আৰম্ভ হৈছে বছৰৰ তৃতীয়খন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন। কিন্তু কৰ'নাৰ ত্ৰাসে সকলোকে চিন্তি কৰি তুলিছে। কৰ'নাত আক্ৰান্ত হৈছে স্বয়ং নীতি-নিয়মৰ মাজত থকা খেলুৱৈ। ভাৰত আৰু ইংলণ্ডৰ ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত এইবাৰ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনত অংশ লোৱা দুই খেলুৱৈৰ শৰীৰত ধৰা পৰিছে কৰ'না। মাৰ্টিন কিলিক আৰু বেৰেটিনিয়ে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে কৰ'নাত আক্ৰান্ত হোৱাৰ হোৱাৰ বাবে। উল্লেখ্য যে ইয়াৰপূৰ্বে কৰ'নাত আক্ৰান্ত হৈ এতিয়া হোটেলত বন্দি হৈ আছে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা আৰু ইংলেণ্ডৰ ক্ৰিকেটাৰ বেন ফ'কছ। নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তৃতীয় টেষ্টৰ সময়তে কৰ'নাত আক্ৰান্ত হৈছিল ফ'কছ। সেয়ে দলৰ পৰা বাদ দিয়া হৈছে তেওঁক। ইপিনে ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মাও কৰ'নাত আক্ৰান্ত হোৱাৰ কথা বি চি চি আইৰ তৰফৰ পৰা সদৰী কৰা হৈছে। লিছেষ্টাৰৰ বিৰুদ্ধে খেলা প্ৰস্তুতি মেচখনৰ তৃতীয় দিনাৰ খেলৰ অন্তত ব'ৰ্ডে ৰোহিত কৰ'নাত আক্ৰান্ত হোৱা বুলি জনাইছে। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। ইফালে, ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা একমাত্ৰ টেষ্টখনৰ বাবে ভাৰতীয় দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। ৰোহিত শৰ্মা কৰ'নাত আক্ৰান্ত হোৱাৰ বাবে দলত তেওঁৰ স্থানত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক।

# দিচাংঘাটত টাং-চু-ডু সমকলা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, দ্ৰোণশিঙিয়া শিৱসাগৰ, ২৮ জুন ঃ** শিৱসাগৰ নগৰৰ সমীপৰ দিচাংঘাট প্ৰাথমিক বিদ্যালয়ৰ সন্মুখত দেওবাৰে টাং-চু-ডুৰ প্ৰশিক্ষণ কেন্দ্ৰ এটি মুকলি কৰা হয়। দিচাংমুখ অঞ্চলৰ সমাজকৰ্মী তথা যুৱক ক্ৰিয়া সংগঠক হাফিজুদ্দিন আহমেদ ওৰফে মিণ্টুৰ তত্ত্বাৱধানত প্ৰতিষ্ঠা কৰা প্ৰশিক্ষণ কেন্দ্ৰটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। সমৰকলা প্ৰশিক্ষণ কেন্দ্ৰটি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰা পিছতেই উক্ত স্থানতে অনুষ্ঠিত কৰা হয় এখনি মুকলি সভা। ৱালিফুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত জিলা পৰ্যায়ৰ কেইবাগৰাকী সমৰকলা প্ৰশিক্ষকে সমৰকলা প্ৰদৰ্শন কৰি খেলুৱৈ সকলক উৎসাহিতৰ কৰি তোলে। আনহাতে টাং-চু-ডুৰ সমৰকলা কেন্দ্ৰটিত শুড় আৰম্ভণিতে ভালেসংখ্যক প্ৰশিক্ষাৰ্থীয়ে নামভৰ্তি কৰে। উল্লেখঞ্জ্য যে দৈনন্দিন যোগ বা সমকলা অনুশীলনে প্ৰশিক্ষাৰ্থী সকলৰ সুস্থ শৰীৰৰ লগতে একাগ্ৰতা, শাৰীৰিক-মানসিক দৃঢ়তা প্ৰদান কৰে। নিশ্চিতভাৱে সাম্প্ৰতিক সময়ত আমাৰ সমাজত ব্যাধিত পৰিণত হোৱা নৱপ্ৰজন্মৰ ৰাগীয়াল দ্ৰব্যৰ প্ৰতি আসক্তি বৃদ্ধি,স্বাস্থ্যৰ প্ৰতি অমনোযোগিতা, মানসিক হতাশা আদি পৰা আঁতৰাই ৰাখিবলৈ দৈনন্দিন জীৱনত ছাত্ৰ ছাত্ৰী মাজত যোগ বা সমকলা দৰে অনুশীলন আৰু অভ্যাসে ব্যক্তিৰ শাৰীৰিক-মানসিক সু-স্বাস্থ্যৰ লগতে সমাজত সুস্থ বাতাবৰণ সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি ক্ৰিয়া প্ৰেমি ৰাইজে আশা কৰিছে। দেওবাৰে অনুষ্ঠিত হোৱা "টাং-চু-ডু"ৰ প্ৰশিক্ষণ কেন্দ্ৰটি শুভ উদ্বোধন কৰা অনুষ্ঠানত ভালে সংখ্যক প্ৰশিক্ষক,খেলুৱৈ,অভিভাৱক তথা ক্ৰিয়া প্ৰেমি ৰাইজ উপস্হিত আছিল।

# ইংলণ্ডক বিশ্বকাপৰ চেম্পিয়ন ট্ৰফী দিয়া অধিনায়ক মৰ্গানৰ অৱসৰ ঘোষণা



**লণ্ডন, ২৮ জুন ঃ** ইংলণ্ডক বিশ্ব চেম্পিয়ন কৰোৱা অধিনায়ক ইয়ন মৰ্গানে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ কথা আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। উল্লেখ্য যে ২০১৯ ত ইংলেণ্ডক ৫০ অভাৰৰ আই চি চি বিশ্বকাপৰ গৌৰৱময় চেম্পিয়ন ট্ৰফী প্ৰথমবাৰৰ বাবে দিছিল মৰ্গানে। আজি সফল অধিনায়কগৰাকীয়ে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰিলে। 'নিঃসন্দেহে মোৰ কেৰিয়াৰৰ নিজৰ লগতে অনুৰাগীসকলৰ বাবেও আটাইতকৈ উপভোগ্য আৰু গৌৰৱৰ এক অধ্যায়। কিন্তু অৱসৰ গ্ৰহণ এটা সহজ সিদ্ধান্ত নহয় যদিও এয়া সময় আহ্বান। মই বিশ্বাস কৰোঁ যে এতিয়াই অৱসৰ গ্ৰহণ কৰাৰ সঠিক সময়, মোৰ বাবে আৰু ইংলেণ্ডৰ ক্ৰিকেট দলৰ উত্তৰণৰ বাবে। দলক মই এই পৰ্যায়লৈ লৈ গৈছো। আশা কৰিছো আৰু সফলতা আহিব।' মৰ্গানে কয়। উল্লেখ্য যে মৰ্গানে অভিলেখ গঢ়ি ইংলণ্ডক ১২৬ খন এদিনীয়া আৰু ৭২ খন টি-২০ খেলত নেতৃত্ব দিছিল। দুয়োটা ফৰ্মেটৰ মাজেৰে অধিনায়ক হিচাপে তেওঁ ১১৮ খন মেচত জয় অৰ্জন কৰি আন এক অভিলেখ গঢ়িছে। ইংলেণ্ডৰ হৈ সৰ্বাধিক এদিনীয়া ৰাণ (৬,৯৫৭), সৰ্বাধিক টি-২০ ৰাণ (২,৪৫৮) আৰু দুয়োটা ফৰ্মেটতে ইংলেণ্ডৰ বাবে সৰ্বাধিক ছিক্সাৰ মৰাৰ ৰেকৰ্ডৰ লগতে তেওঁৰ নামত অন্য বহুতো অভিলেখ আছে।



অসম আৰ্চাৰী এছ'চিয়েচনৰ সংবাদমেল

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১১ লাখ টকা অসম ক্ৰিকেট সন্থাৰ

**গুৱাহাটী, ২৮ জুন ঃ** মুখ্যমন্ত্ৰীৰ বান সাহায্য পুঁজিলৈ ১১ লাখ টকা প্ৰদান কৰিছে অসম ক্ৰিকেট সন্থাই । অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, কোষাধ্যক্ষ ত্ৰিদিব কোঁৱৰ আৰু সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰীতম মহন্তৰ দ্বাৰা গঠিত এক সজাতি দলে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক দিছপুৰত সাক্ষাৎ কৰি ৰাজ্যখনৰ বান পীড়িত লোকৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ উক্ত পৰিমাণৰ ধনৰ চেক প্ৰদান কৰে । অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়াই জনোৱা অনুসৰি ৰাজ্যখনৰ বিধংসী বানৰ কবলত পৰা লোকৰ লগত অসম ক্ৰিকেট সন্থাই সম্পূৰ্ণ সহমৰ্মিতা প্ৰকাশ কৰিছে লগতে এই সংকট কালত বান সাহায্য ব্যৱস্থাবলীৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ সহায়ৰ বাবে এই সামান্য অনুদানে কিছু হ'লেও সকাহ দিব বুলি আশা কৰিছে।

# সোণাপুৰতে ৰাষ্ট্ৰীয় আৰ্চাৰী কেন্দ্ৰ ৰখাৰ সিদ্ধান্ত কেন্দ্ৰৰ

**গুৱাহাটী, ২৮ জুন ঃ** সোণাপুৰ এল এন আই পি ইত থকা নেছনেল চেন্টাৰ অৱ এক্সেলেন্স আৰ্চাৰী কেন্দ্ৰ উঠাই নিয়াৰ নিয়াৰ যি চৰ্চা চলি আছিল তাত বিৰাম লগালে দেশৰ ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰে। আজি গুৱাহাটীত আয়োজিত এক সংবাদমেলত এই কথা জনাইছে অসম আৰ্চাৰী সন্থাৰ উপ সভাপতি ৰিতুবৰণ শৰ্মাই। উল্লেখ্য যে অসম আৰ্চাৰসকলক কুঠাৰাঘাট কৰি সোণাপুৰৰ পৰা উঠাই নিব বিচৰা হৈছিল নেচনেল চেন্টাৰ অৱ এক্সেলেন্স আৰ্চাৰী কেন্দ্ৰটো । ইয়াৰ পাছতে জাঙুৰ খাই উঠে অসমৰ সচেতন ক্ৰীড়াবিদসকল । উপযুক্ত আন্তঃগাঁঠনিৰ অভাৱৰ দোহাই দি এই সিদ্ধান্ত মানি ল'ব নোৱাৰি সজোৰে প্ৰতিবাদ কৰিছিল অসম আৰ্চাৰী সন্থাই। সংশ্লিষ্ট বিভাগক বিষয়টো অৱগত কৰাৰ লগতে অসমৰ মুখ্যমন্ত্ৰীৰ লগতে কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰীকো প্ৰদান কৰিছিল এই বিষয়ে স্মাৰক পত্ৰ। অসম আৰ্চাৰী সন্থাৰ স্মাৰক পত্ৰ লাভ কৰাৰ পাছতে ইতিবাচক আশ্বাস প্ৰদান কৰি সুখবৰ জনালে ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰে। উল্লেখ্য যে শেহতীয়াকৈ গুজৰাটৰ এক সভাত অসমৰ পূৰ্বৰ ক্ৰীড়া মন্ত্ৰী বিমল বৰাৰ আগত সোণাপুৰৰ পৰা আৰ্চাৰী কেন্দ্ৰটো উঠাই নিনিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে ঠাকুৰে। আজিৰ সংবাদমেলত উপস্থিত থাকে অসম আৰ্চাৰী সন্থাৰ উপ সভাপতি পুলিন সাহা সম্পাদক জয়ন্ত বড়োসহ অসম আৰ্চাৰী সন্থাৰ বিভিন্ন বিষয়ববীয়া সকল।

নং- এমজিপিআৰ/এডিভিটি/১/২০১৫/২৯০

জাননী

লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে তেখেতৰ জীৱন আৰু বীৰত্বৰ গৌৰৱোজ্জ্বল কাহিনী/ঘটনাৱলী/জীৱনবৃত্তৰ ওপৰত লিখিত টোকা আহ্বান কৰা হৈছে। এক বা দুই পৃষ্ঠাৰ ভিতৰত সীমিত উক্ত লিখনিসমূহ "জিলা জনসম্পৰ্কৰক্ষী বিষয়া, মৰিগাঁও"লৈ ইংৰাজী ১৫ জুলাইৰ ভিতৰত পঠাওক। নতুবা ই-মেইলযোগে "janasanyogmorigaon@gmail.com" পঠাব পাৰিব। এই লিখনি সকলোৰে বাবে উন্মুক্ত থাকিব।

স্বাক্ষৰ-
উপায়ুক্ত, মৰিগাঁও।

Janasanyog/D/6416/22

# গুৱাহাটীত সদৌ অসম শ্বুটিং চেম্পিয়নশ্বিপ

**গুৱাহাটী, ২৮ জুন ঃ** গুৱাহাটী কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ন প্ৰকল্পত অৱস্থিত শ্বুটিং ৰেঞ্জত অহা ১৯-২২ জুলাইত অনুষ্ঠিত হ'ব ১৭ সংখ্যক সদৌ অসম শ্বুটিং চেম্পিয়নশ্বিপ । উল্লেখ্য যে ৰাজ্যিক প্ৰতিযোগিতাখনত মুঠ ছটা শাখাত খেল অনুষ্ঠিত হ'ব। শাখাবোৰ হ'ল ঃ ছাব-যুৱ, য়ুথ, জুনিয়ৰ, ছিনিয়ৰ, ভেটাৰ্ণ আৰু পেৰা । আনহাত অসম ৰাইফল এণ্ড শ্বুটিং এছচিয়েছনৰ সম্পাদক তথা আই এছ এছ এফ জাজ ভৱ কলিতাই জনোৱা অনুসৰি এই ৰাজ্যিক শ্বুটিং চেম্পিয়নশ্বিপৰ ইভেণ্টসমূহ হ'ল ঃ ১০ মিটাৰ এয়াৰ পিষ্টল (পুৰুষ, মহিলা), ১০ মিটাৰ পিপ ছাইট এয়াৰ ৰাইফল (পুৰুষ, মহিলা), ২৫ মিটাৰ স্পৰ্টছ পিষ্টল (মহিলা, জুনিয়ৰ পুৰুষ), ২৫ মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টল (পুৰুষ), ২৫ মিটাৰ চেণ্টাৰ ফায়াৰ পিষ্টল (পুৰুষ), ৫০ মিটাৰ পিপ ছাইট ৰাইফল, প্ৰণ পজিছন (পুৰুষ, মহিলা), ৫০ মিটাৰ পিপ ছাইট ৰাইফল, থ্ৰী পজিছন (পুৰুষ, মহিলা) আৰু ৫০ মিটাৰ ফ্ৰী পিষ্টল (পুৰুষ)। অংশগ্ৰহণকাৰী খেলুৱৈসকলে অহা ১০-১৯ জুলাইৰ ভিতৰত নাম পঞ্জীয়ন কৰিব লাগিব।

## জি এছ এ 'চি' ডিভিজন কোৱালিফায়িং ৰাউণ্ড ফুটবল নিউ ষ্টাৰ আৰু উদয়ন কৃষ্টি সংঘৰ অগ্ৰগতি

**গুৱাহাটী, ২৮ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত 'চি' ডিভিজন কোৱালিফায়িং ফুটবল প্ৰতিযোগিতাত আজি হোৱা খেলত জয়লাভ কৰি নিউ ষ্টাৰ ক্লাব আৰু উদয়ন কৃষ্টি সংঘই পৰৱৰ্তী ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিছে । উল্লেখ্য যে নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত নিউ ষ্টাৰ ক্লাবে লিণ্ডা এফচিক ৩-২ গ'লত আৰু উদয়ন কৃষ্টি সংঘই কাজিৰঙা এফ চিক ২-০ গ'লত পৰাস্ত কৰে । চলিত 'চি' ডিভিজন কোৱালিফায়িং ফুটবল প্ৰতিযোগিতাৰ কাইলৈ নিউ ষ্টাৰে কে এম চি বিৰুদ্ধে আৰু উদয়নে আছাম ৰাৰিয়ৰ্ছৰ বিৰুদ্ধে গুৰুত্বপূৰ্ণ মেচত অৱতীৰ্ণ হ'ব । উল্লেখ্য যে কাইলৈৰ মেচৰ বিজয়ী দল দুটাই গুৱাহাটী ক্ৰীড়া সন্থাৰ চি ডিভিজনলৈ উন্নীত হ'ব।

# গোলাঘাটত এ ডিভিজন ফুটবল লীগৰ সমাপ্তি



দৈনন্দিন বাৰ্তা বিশেষ সেৱা, ২৮ জুন :—গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা এ ডিভিজন ফুটবল লীগৰ আজি সফল সমাপ্তি হয়। মুঠ ১৮ টা দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ চূড়ান্ত খেল আমোলাপট্টি ক্লাৱ আৰু গোলাঘাট ছাইৰ মাজত সম্পন্ন হয়। বিয়লি অনুষ্ঠিত হোৱা এই চূড়ান্ত প্ৰতিযোগিতাখন নিৰ্ধাৰিত সময়ত দুয়োপক্ষৰ মাজত ফলাফল শূন্য হোৱাত পুনৰ ট্ৰাইবেকাৰত হোৱা খেলখনত আমোলাপট্টি ক্লাৱে বিজয় সাব্যস্ত কৰে । প্ৰতযোগিতাখনত ফেয়াৰ পে ট্ৰফী লাভ কৰে মিলিজুলি এফ চি দলে আৰু হেমন্ত সোণোৱালে সৰ্বাধিক গলদাতাৰ সন্মান লাভ কৰে।

জাননী
২৭ জুন, ২০২২

ইয়াৰ দ্বাৰা আপোনাসবক অৱগত কৰা হয় যে, যোৱা ৩০মে', ২০২১ তাৰিখে জুৰীয়া থানাৰ গোচৰ নং ২০০/২০২১ ইউ এছ ৩৫৩/৩০৭/৫০৬ আই পি চি আৰ/ডব্লিউ চেকচন ২৫ (১-এ)/২৭ আৰ্মচ এক্ট অনুসৰি আৰক্ষীৰ অভিযানত জাইতুল কবিৰ, পিতা- মৃত ছাইদুৰ ৰহমান, সাং- কদমনি টাউন (বেপাৰী বস্তি) থানা- জুৰীয়া, জিলা- নগাঁও নামৰ ব্যক্তিজন গুলিবিদ্ধ হোৱা ঘটনাৰ তদন্তৰ হেতু নিম্ন স্বাক্ষৰকাৰীক নগাঁও জিলাৰ দণ্ডাধীশ মহোদয়ে আদেশ নং- এম.এম ৭৪/২০২১/৩৬, তাৰিখে-১০/০৬/২০২২ যোগে হুকুম দিছে।

সেয়েহে, উক্ত ঘটনাৰ বিষয়ে সাক্ষ্য প্ৰদান কৰিব বিচৰা সকলো ব্যক্তি-সংগঠনক অহা ২২/৭/২২ তাৰিখে নিম্নোক্ত স্থান আৰু সময়ত নিৰ্দিষ্ট সময়ত উপস্থিত থাকি তেখেতসকলৰ সাক্ষ্য প্ৰদান কৰিব বাবে জনোৱা হ'ল।
স্থান ঃ কোঠা নং-৮,
উপায়ুক্ত কাৰ্যালয়, নগাঁও
তাৰিখ ঃ ২২ জুলাই, ২০২২
সময় ঃ পুৱা ১১.০০ বজাৰ পৰা বিয়লি ১ বজালৈ

অতিৰিক্ত জিলা দণ্ডাধীশ
নগাঁও

জাননী
২৭ জুন, ২০২২

ইয়াৰ দ্বাৰা আপোনাসবক অৱগত কৰা হয় যে, যোৱা ২১ এপ্ৰিল, ২০২২ তাৰিখে জাজৰি থানাৰ অন্তৰ্গত ৰাইডঙ্গীয়াত ইদ্ৰিচ আলী (৬২ বছৰ), পিতা- মৃত ছমেদ আলী, সাং- ৰামপুৰ পাম, থানা- বটদ্ৰৱা, জিলা- নগাঁও নামৰ ব্যক্তিজন গুলিবিদ্ধ হোৱা ঘটনাৰ তদন্তৰ হেতু নিম্ন স্বাক্ষৰকাৰীক নগাঁও জিলাৰ দণ্ডাধীশ মহোদয়ে আদেশ নং- এনআৰএডি৩৯/২০২২/২, তাৰিখে-৭/০৬/২০২২ যোগে হুকুম দিছে।

সেয়েহে, উক্ত ঘটনাৰ বিষয়ে সাক্ষ্য প্ৰদান কৰিব বিচৰা সকলো ব্যক্তি-সংগঠনক অহা ২০/৭/২২ তাৰিখে নিম্নোক্ত স্থান আৰু সময়ত নিৰ্দিষ্ট সময়ত উপস্থিত থাকি তেখেতসকলৰ সাক্ষ্য প্ৰদান কৰিব বাবে জনোৱা হ'ল।
স্থান ঃ কোঠা নং-৮,
উপায়ুক্ত কাৰ্যালয়, নগাঁও
তাৰিখ ঃ ২০ জুলাই, ২০২২
সময় ঃ পুৱা ১১.০০ বজাৰ পৰা বিয়লি ১ বজালৈ

অতিৰিক্ত জিলা দণ্ডাধীশ
নগাঁও

Janasanyog/D/6427/22

# আপ্পুন পেগু আৰু আন এক দীঘলীয়া যাত্ৰা



■ দ্বীপৰাজ পেগু

২০১৮ চনৰ এপ্ৰিল মাহৰ ১৮ তাৰিখ । ব'হাগ বিহুৰ ভৰপক সময়। ব'হাগ বিহুৰ আনন্দ ল'বলৈ ঘৰৰ পৰা ওলাই গৈ মই শ্ৰদ্ধাৰ ককাইদেউ ৰতিকান্ত পেগু ঘৰ পালোগৈ। ৰতিকান্ত পেগু এগৰাকী পৰিৱেশ, সাংস্কৃতিক কৰ্মী আৰু পেছাত এগৰাকী শিক্ষক। তেওঁৰ ঘৰ ধেমাজি জিলাৰ গোগামুখৰ কচুতলিত । তেওঁৰ ঘৰলৈ মোৰ সঘনাই অহা-যোৰা চলি থাকে যদিও আপোন মানুহৰ ঘৰত বিহুৰ আমেজ লোৱাৰ আমেজেই সুকীয়া। ৰতি দা আৰু তেওঁৰ পৰিবাৰৰ মাজত কথাৰ মছলা মাৰি থাকোঁতে কণমানি চাৰিগৰাকী ছোৱালীয়ে বিহু মৰা আৰম্ভ কৰা দেখিলো। কণমানি কেইজনীয়ে হাত চাপৰি বজাই অই নিঃতম গাই নাচিবলৈ আৰম্ভ কৰিলে। হাতত একোটিকৈ কপৌ ফুলৰ থোপা। মই ৰতি দাক সুধিলো ক'ৰ ছোৱালী এইকেইজনী? ৰতি দাই ক'লে 'আটাইকেইজনী আমাৰ পৰিয়ালৰ। তাৰে এগৰাকী মোৰ আই আৰু আতাইৰ তোলনীয়া জী। নাম হৈছে আপ্পুন। আপ্পুন বহুত ভাল নৃত্য কৰে আৰু পঢ়াটো ভাল। জন্মগতভাৱে হৃদৰোগত আক্ৰান্ত আছিল। তেতিয়াৰ স্বাস্থ্য মন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৫ লাখ থকা তৎকালীন বাবে মুকলি কৰি দি কলকাতাত আপ্পুনৰ চিকিৎসা কৰাইছিল।' ৰতি দাৰ কথা শুনি লগে লগে মই আপ্পুনৰ ১২খন ফটো বিভিন্ন এংগলৰ পৰা তুলিছিলো। তাৰ পিছত মোৰ ফেচবুক একাউন্টত আপলোড কৰিছিলো। মোৰ ফেচবুক একাউন্টত আপ্পুনৰ কাহিনীয়ে ব্যাপক হাৰত প্ৰচাৰ লাভ কৰিছিল।

আপ্পুনৰ য়াঃয়' (আইতাক) চিত্ৰাজ্যোতি পেগুৱে 'জনোৱা মতে কলকাতাত চিকিৎসা কৰাৰ সময়ত ৫ গৰাকী এনে জটিল ৰোগত আক্ৰান্ত শিশু আছিল। তাৰে চাৰিগৰাকীৰ অস্ত্ৰোপচাৰ সফল নহ'ল আৰু চাৰিগৰাকীয়ে মৃত্যুক সাবতি লৈছিল । কিন্তু ভগৱান আপ্পুনক সংগ দিলে। আপ্পুনৰ অস্ত্ৰোপচাৰ সফল হ'ল। আপ্পুনে লাভ কৰিলে নতুন জীৱন।'

আপ্পুনৰ জন্ম হৈছে ধেমাজি জিলাৰ গোগামুখৰ লটাকত। এক বিশেষ পৰস্হিতিত আপ্পুনৰ তাঃত আৰু য়াঃয়ই আপ্পুনক তুলি লৈছিল । আপ্পুনৰ তাঃত-য়ায়ৰ ঘৰ হৈছে ধেমাজি জিলাৰ গোগামুখৰ কচুতলিত। তাঃতৰ সমগ্ৰ পৰিয়ালটোৱে সাংস্কৃতিক জগতৰ লগত নিকপকপীয়াকৈ জৰিত। তাতে তাঃত নিজে সুন্দৰ মেণ্ডলীন বজায় আৰু অভিনয় কৰে। তাঃতৰ এগৰাকী ভাল খেতিয়ক হিচাপেও নাম আছে। দীৰ্ঘদিন ধৰি তাঃত গাঁৱে-ভূঁঞে পুতলা নাচ চলাই ফুৰিও সাংস্কৃতিক কৰ্মৰাজিৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখিছিল। এনে সুন্দৰ সাংস্কৃতিক পৰিৱেশ পোৱাৰ বাবে আপ্পুনে নিজৰ প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰিছিল।

আপ্পুনৰ তাঃত' অৰ্থাৎ ককাক মই চিনি পোৱা নাছিলো। কিন্তু সাধাৰণ সংবাকৰ্মী হিচাপে তেওঁ মোক জানে। এইকথা মই অৱগত হৈছিলো আপ্পুনে জি টিভিৰ ডি আই ডি লিটিল মাষ্টাৰ নৃত্য প্ৰতিযোগিতাৰ টপ ১৫ ৰাওণ্ডত প্ৰৱেশ কৰাৰ সময়ত আপ্পুনৰ বিষয়ে আলোচনা কৰোঁতে।

আপ্পুনৰ নৃত্য জগতত প্ৰৱেশ দীৰ্ঘদিনীয়া। আপ্পুনে অসমৰ লগতে অসমৰ বাহিৰতো বিভিন্ন নৃত্য প্ৰতিযোগিতা আৰু কৰ্মশালাত অংশগ্ৰহণ কৰিছে আৰু অজস্ৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। তাৰে ২০১৯ চনত আপ্পুনে সৰ্বভাৰতীয় পৰ্যায়ৰ ডান্স প্ৰতিযোগিতাৰ ডান্স দিৱানাৰ মূল ৰাওণ্ডলৈ প্ৰৱেশ কৰিছিল যদিও প্ৰচাৰৰ অভাৱত মূল ৰাওণ্ডৰ পৰাই বাহিৰ হৈছিল।

চলিত বছৰৰ মাৰ্চ মাহ । ৰতি দাই মোক লগ কৰি ক'লে- দ্বীপৰাজ আপ্পুন জি টিভিৰ ডি আই ডি লিটিল মাষ্টাৰৰ সৰ্বভাৰতীয় নৃত্য প্ৰতিযোগিতাৰ মূল ৰাওণ্ডত প্ৰৱেশ কৰিছে। আপ্পুনৰ বাবে প্ৰচাৰৰ বহুত প্ৰয়োজন। হৰ্ডিং-বেনাৰ-পষ্টাৰ লাগে, ইনষ্টাগ্ৰাম, ফেচবুক ইউটিউবত লাইক, কমেন্ট, শ্বেয়াৰ লাগে আৰু ভিউৱাৰ্চৰ প্ৰয়োজন। ৰতি দাই মোক তাঃতৰ ফোন নম্বৰটো দিছিল। মই তাঃতৰ লগত সকলো কথা পাতিলো। জানিলো আৰ্থিকভাৱেও আপ্পুনক বহুত সহায়ৰ প্ৰয়োজন। আপ্পুনৰ আৰ্থিক দুৰৱস্হাৰ কথা শুনি মোৰ দুখ লাগিল। মই তাঃতৰ পৰা এইটোও জানিছিলো যে, আপ্পুনৰ বাবে ইতিমধ্যে বহুতে প্ৰচাৰ চলাই আছে যদিও আৰু অধিক প্ৰচাৰৰ প্ৰয়োজন। তাঃতৰ কথাবোৰ মই মোৰ বন্ধু বৰ্গৰ লগত শ্বেয়াৰ কৰিছিলো। মোৰ বন্ধু বৰ্গই বহু সোণকালে আপ্পুনৰ বাবে কাম আৰম্ভ কৰি দিলে । আপ্পুনৰ বাবে প্ৰথমে ওৱাটচ্এপপ, ফেচবুক আৰু ইনষ্টাগ্ৰামত প্ৰচাৰ আৰম্ভ কৰিলে। বহু সঁহাৰি পালে। আমাৰ




ফালৰ পৰাও বিভিন্নজনক বেনাৰ-পষ্টাৰ বাবে অনুৰোধ কৰিলো। সকলোৱে সঁহাৰি জনালে। জনপ্ৰিয় শিল্পী ৰূপা মিলিয়েও ভিডিঅ' বনাই প্ৰচাৰ আৰম্ভ কৰিলে। অসম-অৰুণাচল প্ৰদেশৰ বহু ওৱাটচ্এপপ, ফেচবুক গ্ৰুপত আপ্পুনৰ সমৰ্থক সকলে প্ৰচাৰ আৰম্ভ কৰিলে। পূৰ্ণোদ্যমে কামত আহিল । টিভি আৰু বাতৰি কাকত একোৱে বাদ দিয়া নাছিল আপ্পুনৰ প্ৰচাৰৰ বাবে। অৱশেষত অসম-অৰুণাচল প্ৰদেশবাসীৰ বিভিন্ন দল-সংগঠন, শিল্পী, কলা-কুশলীৰ ব্যাপক প্ৰচাৰৰ ফলত আপ্পুন টপ ১২ ত প্ৰৱেশ কৰিলে এক নম্বৰ প্ৰতিযোগী হিচাপে। টপ ১০ লৈ অৰ্থাৎ ভোটিং পৰ্যায়ৰ প্ৰথম ৰাওণ্ডলৈ আপ্পুন এক নম্বৰতে থাকিল । টপ আঠতো আপ্পুন এক নম্বৰ স্থানতে আছিল। টপ ৭ত আপ্পুন দ্বিতীয় স্থানলৈ অৱনমিত হৈছিল। অৱনমিত হোৱাৰ কাৰণ আছিল আমাৰ একাংশ লোকৰ আপ্পুনৰ প্ৰতি থকা অতিভক্তি আৰু ভুল প্ৰচাৰ।

বহু দল-সংগঠন আৰু মিচিং শিল্পী সমাজৰ আপ্ৰাণ প্ৰচেষ্টাত আপ্পুন ফাইনেল ৰাওণ্ডলৈ অৰ্থাৎ ফেন্টাষ্টিক ৫ লৈ এক নম্বৰ হৈ প্ৰৱেশ কৰিলে। আপ্পুনৰ সমৰ্থক সকলে ভাৱিছিল আপ্পুন জয়ী হোৱাটো নিশ্চিত । মিচিং সমাজৰ জনপ্ৰিয় অভিনেতা ফিৰোজ পেগুৱে কেবাদিনৰ আগতে জনাইছিল যে আমাৰ অসমীয়া শিল্পীৰ বহু জনপ্ৰিয় অভিনেতা-অভিনেত্ৰী আৰু কণ্ঠশিল্পীক আপ্পুন পেগুৰ হৈ প্ৰচাৰ চলাবলৈ অনুৰোধ কৰিছো। ১৭ জুনত আমাৰ জনপ্ৰিয় লেখক জুৰেল পেগুৱে মোক ফোন কৰি ক'লে যে আপ্পুন পেগুৰ বিষয়ে ৭-৮ লাইনৰ লেখা এটা দিব লাগে। আমাৰ অসমীয়া শিল্পী সমাজে প্ৰচাৰ চলাব। লিখি দিলো। এইমতে অসমীয়া শিল্পী সমাজে প্ৰচাৰো চলালে। সুন্দৰ পৰিকল্পনাৰে প্ৰচাৰ চলি থকাৰ লগতে অসম-অৰুণাচল প্ৰদেশৰ বিভিন্ন দল-সংগঠনৰ নেতৃত্বত ভোট দান প্ৰক্ৰিয়াও সুন্দৰ ভাৱে আগবাঢ়ি আছিল। অসমৰ বাহিৰৰ বহু ইউটিউবাৰেও আপ্পুনৰ বিজয় নিশ্চিত বুলি সমীক্ষা চলাইছিল। কিন্তু ভৰা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি। ভোটদান প্ৰক্ৰিয়া চলি থাকোতে বহুতৰ বহু কথা শুনিলো। তাঃতৰ ভইচ ৰেকৰ্ডিঙো চ'ছিয়েল মেডিয়াত শুনিলো। আনকাট তাঃতৰ ভইচ। এগৰাকী গায়িকাক তাঃতই ধন্যবাদ জ্ঞাপন কৰা বুলিও গায়িকাগৰাকী নিজেই ফেচবুকত শ্বেয়াৰ কৰিলে। মই নকওঁ যে এইবোৰে আপ্পুনৰ জয়যাত্ৰাত হেঙাৰ হৈ থিয় দিলে বুলি । কিন্তু আমি পৰিকল্পিতভাৱে আগবাঢ়িলৈ কিছুমান কথা আৰু কাম গোপনে ৰাখিব লাগে। যিহেতু আপ্পুনৰ সকলো প্ৰতিদ্বন্দ্বিয়ে আছিল শক্তিশালী আৰু তেওঁলোক জনসংখ্যাৰ ফালৰ পৰাও অধিক আছিল। আমি যিকোনো কাম কৰোঁতে অতীত, বৰ্তমান, ভৱিষ্যত বা স্থান-কাল-পাত্ৰ প্ৰয়োজন সাপেক্ষে অধ্যয়ন কৰি আগবাঢ়িব লাগে।

অৱশেষত জি টিভিয়ে ডি আই ডিৰ ৰিজাল্ট দিলে। আপ্পুন প্ৰথম ৰাণাৰ আপ হিচাপে সন্তুষ্টি লভিব লগা হ'ল। অৱশ্যে আপ্পুনৰ সমৰ্থক সকলে জি টিভিৰ ভোট গ্ৰহণ প্ৰক্ৰিয়াক লৈ সন্তুষ্ট নহয়। আপ্পুন হাৰিছে বুলি স্বীকাৰ কৰা নাই। কাৰণ জি টিভিয়ে জনসাধাৰণৰ ভোটৰ জৰিয়তে প্ৰতিযোগীৰ জয়-পৰাজয় নিৰ্ণয় কৰা বুলি ঘোষণা কৰিছে যদিও কোনে কিমান ভোট পাইছে তাক জনসাধাৰণক জনোৱা নাই।

জি টিভিৰ এনে নীতি গণতান্ত্ৰিকভাৱে সঠিক নহয় যদিও আমি আমাৰ নিজৰ কাম-কাজবোৰো নিজে টুকৰ মাৰি ছোৱাৰ প্ৰয়োজন আছে।

তাঃত আৰু য়াঃয় প্ৰকৃততে



অতি সহজ-সৰল আৰু মৰমীয়াল ব্যক্তি। আজিৰ জটিল সমাজ ব্যৱস্থাৰ লগত যুঁজ দিবলৈ এতিয়াও তেওঁলোক বহুদূৰ বাকী। নিঃস্বাৰ্থ আৰু অকৃত্ৰিমভাৱে মানুহৰ লগত কথা পাতে আৰু চিধা-চিধিকৈ কথাবোৰ কৈ দিয়ে। ইয়াৰ সুযোগ লৈ একাংশ আপ্পুনপ্ৰেমীয়ে তিলটোকে তাল কৰিলে। ই যি কি নহওক য়াঃয় আৰু তাঃতই এতিয় আপ্পুনক লৈ দীঘলীয়া যাত্ৰাৰ বাবে সাজু হ'ব লাগিব। জি টিভিত আপ্পুনে কি পুৰস্কাৰ পালে বা কিমান টকা পালে এইবোৰৰ হিচাপ কৰাৰ প্ৰয়োজন নাই। আপ্পুনক জি টিভিয়ে পৰ্যাপ্ত একো নিদিলেও দিছে প্ৰতিভা বিকাশৰ বিশাল মঞ্চ। সমগ্ৰ ভাৰতবাসীৰ নিচেই চিনাকি এতিয়া আপ্পুন। আপ্পুনৰ নৃত্যশৈলীয়ে বলিউদৰ বহু খ্যাতনামা শিল্পীৰ লগতে কোটি কোটি ভাৰতীয়ৰ হৃদয় জয় কৰিছে। জি টিভিৰ ডি আই ডি লিটিল মাষ্টাৰৰ ছিজন ৫-ৰ সৰ্বাধিক জনপ্ৰিয়তা আৰু প্ৰচাৰ লাভ কৰা নৃত্য শিল্পীগৰাকীয়ে হৈছে আপ্পুন। আপ্পুনৰ প্ৰতিভা আৰু জনপ্ৰিয়তা অটুট ৰাখিবলৈ য়াঃয় আৰু তাঃতই এতিয়া আৰু অধিক সাৱধান হ'ব লাগিব। কাৰণ ডি আই ডিৰ দৰে য শ্ব'বোৰত অংশগ্ৰহণ কৰা প্ৰতিভাবোৰ পিছৰ পৰ্যায়ত প্ৰায়েই হেৰাই যোৱা দেখা যায় । ইয়াৰ মূল কাৰণ হৈছে নিজৰ প্ৰতিভা ধৰি ৰাখিব নোৱাৰা, অত্যধিক সংগপ্ৰিয়তা, সস্তীয়া জনপ্ৰিয়তাৰ লগত দৌৰিফুৰা আৰু বেপৰোৱা জীৱন। এইবোৰৰ পৰা আপ্পুনক আঁতৰাই ৰাখিব লাগিব।

এতিয়া য়াঃয় আৰু তাঃতই সৰ্বাধিক জোৰ দিব লাগিব আপ্পুনৰ শিক্ষাৰ ওপৰত। গুণগত শিক্ষাৰে আপ্পুনক শিক্ষিত কৰিব পাৰিলে ভৱিষ্যতলৈ এগৰাকী সু-নাগৰিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিব । য়াঃয় আৰু তাঃতলৈ আমাৰ অনুৰোধ- আপ্পুনক চেলিব্ৰিটি হিচাপে বনোৱাৰ সলনি মানৱ সম্পদ হিচাপে গঢ় দিয়াৰ প্ৰয়াস কৰিব লাগে। অৰ্থহীন বিতৰ্কৰ পৰা আঁতৰাই ৰাখি নীতি শিক্ষাৰ পাঠ দিয়াৰ লগতে অধ্যয়নৰ সুন্দৰ পৰিৱেশ এটা গঢ়ি তুলি দিব লাগে। অৱশ্যে ইয়াত আমাৰ সমাজৰো সহযোগিতাৰ প্ৰয়োজন হ'ব। আপ্পুন যিহেতু ভাৰতীয় নৃত্য শাস্ত্ৰৰ ভিতৰত থকা সকলো নৃত্যই কৰিব পাৰে যেতিয়া ভাৰত নাট্যম বা ক্লাছিকেল ডান্সত অধিক মনোনিৱেশ কৰিবলৈ দিব লাগে। এইবোৰ নৃত্য কৰিলে চৰকাৰী সা-সুবিধা পোৱাৰ সম্ভাৱনাও অধিক থাকে।

শেষত আমাৰ অনুৰোধ ৰক্ষা কৰি যি সকল মহান ব্যক্তিয়ে আপ্পুনক আৰ্থিক সাহায্য আগবঢ়োৱাৰ লগতে জি টিভিৰ সেই বিশাল মঞ্চত আপ্পুনক ফাইনেলত উপনীত কৰালে সেইসকলক কণমানি আপ্পুনৰ হৈ মই এই লেখাৰ জৰিয়তে শতকোটি প্ৰণাম জনাইছো। গোগামুখ প্ৰেছগীল্ড, উত্তৰ অসমৰ প্ৰাগ নিউজৰ ব্যুৰ ছীফ, সাংবাদিক কুশল শইকীয়া, ভিডিঅ' জাৰ্নেলিষ্ট বন্ধু ৰন্টু. সতীৰ্থ সাংবাদিক তথা বন্ধু ডিম্পুল, নিউজ লাইভৰ ধেমাজিৰ জেষ্ঠ সাংবাদিক বন্ধু ভাস্কৰ, পবন, এন কে টি ভিৰ লখিমপুৰৰ সাংবাদিক হেমন্ত বেজ, ৰকেট দেউৰী আদিয়ে আপ্পুনৰ বাবে প্ৰচাৰৰ বাবে যি যুদ্ধংদেহি মনোভাৱ লৈ আগবাঢ়িছিল তাক লৈ মই সদায় গৌৰৱ কৰি থাকিম।



# জিটিভিৰ লিটিল চেম্প্ছ বিজয়ী নৱজিত নাৰ্জাৰীক উষ্ম আদৰণি




**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৮ জুন ঃ** দেশৰ অতিকৈ জনপ্ৰিয় জি টি ভিৰ অনুষ্ঠান ডি আই ডি লিটল চেম্প ছিজন ফাইভৰ চেম্পিয়ন গোলাঘাট জিলাৰ মেৰাপানী নবজিৎ নাৰ্জাৰি সুদুৰ মায়া নগৰী মুম্বাইৰ পৰা আহি আজি অসমত ভৰি দিলে। অসমৰ বিভিন্ন জিলাত, বড়ো সাহিত্য সভা, নিখিল বড়ো ছাত্ৰ সন্থাৰ লগতে বড়ো কছাৰী জনগোষ্ঠীৰ বিভিন্ন দল- সংগঠনে উষ্ম আদৰণি জনায়। ঠিক অনুৰূপ ধৰণে আজি বাকসা জিলাৰ বেন্নীবাৰীৰ বড়োলেণ্ড গেষ্ট হাউছৰ সমীপতে হাউলী অঞ্চলৰ এবছুৰ লগতে বড়ো সাহিত্য সভাৰ হাউলী গোটৰ উপৰিও শালবাৰী দুই কুৰিধিক অনুষ্ঠান প্ৰতিষ্ঠান,দল সংগঠনৰ লগতে বৰপেটা ইয়িান জাৰনেলিষ্ট জিলা সম্পাদক মনজিৎ দাসেও ফুলাম গামোচা,ফুলৰ মালাৰে উষ্ম আদৰণি জনায় নৱজিত নাৰ্জাৰীক।

## পত্নী হত্যাৰ অভিযোগত বৰপেটাত পতিক দহ বছৰ সশ্ৰম কাৰাদণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা ২৮ জুন ঃ** বৰপেটাৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ চি চতুৰ্বেদীৰ আদালতে আজি পত্নী হত্যাৰ অভিযোগত পতিক দহ বছৰ সশ্ৰম কাৰাদ' দিয়াৰ লগতে তিনি লাখ টকা জৰিমনা বিহে। জৰিমনা অনাদায়ে অতিৰিক্ত তিনি বছৰ কাৰাদ'ৰ নিৰ্দেশ দিয়ে। জানিব পৰা মতে, বৰপেটা দক্ষিণ হাটী নিবাসী কংকনজ্যোতি দাসে চহৰ খনৰ দহাটীৰ অধিবক্তা প্ৰীতিৰেখা দাসক সামাজিক ভাবে যোৱা ২০১৪ চনৰ ৬ ডিচেম্বৰত বিবাহ কৰায় ।কিন্ত যোৱা ২০১৫ চনৰ ১৮ ফেব্ৰুৱাৰীৰ পুঁৱতি নিশা কংকন জ্যোতিৰ ঘৰৰ দ্বিতীয় মহলাৰ চাদত প্ৰীতিৰেখা দাস জুই জ্বলাই আত্মহত্যা কৰা বুলি প্ৰীতিৰেখাৰ পৰিয়ালক খবৰ দিয়ে। পিছত প্ৰীতিৰেখাৰ ভাতৃয়ে বৰপেটা সদৰ আৰক্ষী থানাত এই ঘটনা সম্পৰ্কত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে স্বামী কংকনজ্যোতি দাস আৰু ককায়েক অংকুৰজ্যোতি দাসক আৰক্ষীয়ে আটক কৰে। এই সন্দৰ্ভত বৰপেটা সদৰ আৰক্ষী থানাত ৪২৯য১৫ গোচৰ পঞ্জীয়ন কৰে ।এজাহাৰ অনুসৰি বিবাহৰ দিন ধৰি স্বামী কংকনজ্যোতি দাসে যৌতুক বিচাৰি পত্নী প্ৰীতিৰেখা দাসক শাৰীৰিক আৰু মানসিক ভাবে অত্যাচাৰ কৰিছিল। পিছত বৰপেটা সদৰ থানাৰ তদন্তকাৰী আৰক্ষীয়ে চাৰ্জশ্বিট দাখিল কৰাত বৰপেটাৰ আদালতত ৩০২য৩০৪ ( বি) ধাৰাত গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয় ।বিভিন্ন সাক্ষী বাদীৰ পিছত আজি বৰপেটাৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ চি চতুৰ্বেদীৰ আদালতে প্ৰীতিৰেখাৰ পতি কংকনজ্যোতি দাসক দহ বছৰ সশ্ৰম কাৰাদ'ৰে দ'ি কৰাৰ লগতে তিনি লাখ টকা জৰিমনা বিহে। জৰিমনা অনাদায়ে অতিৰিক্ত তিনি বছৰ কাৰাদ'ৰ নিৰ্দেশ দিয়ে ।চৰকাৰী পক্ষৰ হৈ আদালতত যুক্তি দৰ্শাইছিল অধিবক্তা প্ৰীতি দাসে ।বৰপেটা উকীল সন্হাৰ সদস্য প্ৰীতিৰেখা দাসৰ মৃত্যু সন্দৰ্ভত বৰপেটাৰ অধিবক্তা সকলে আচামী পক্ষৰ হৈ ওকালতি নকৰাত আচামী পক্ষৰ হৈ গুৱাহাটীৰ অধিবক্তাই যুক্তি দৰ্শাইছিল।

## কপিলীৰ বুকুত চলিছে বালি মাফিয়াৰ অবৈধ খনন

### খেৰণিত মেচিন-জেচিবিৰে কঢ়িয়াইছে নিতৌ ডাম্পাৰে ডাম্পাৰে বালি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ২৮ জুন ঃ** পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ বুকুৰেদি বৈ যোৱা অন্যতম এক প্ৰাকৃতিক সৌন্দৰ্য হৈছে কপিলী নদীৰ মনোমোহা দৃশ্য। কিন্তু এই কপিলী নদীৰ বুকুতেই চলিছে ভয়ানক আতিশায্য। একাংশ বালি মাফিয়াই নিতৌ আৰম্ভ কৰিছে অবৈধ খনন প্ৰক্ৰিয়া। পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ খেৰণি অঞ্চলৰ মাজেৰে বৈ যোৱা কপিলী নদীৰ পাৰত সংঘটিত হৈছে মেচিন-জেচিবিৰে খনন কৰি নিতৌ ডাম্পাৰে ডাম্পাৰে কঢ়িয়াইছে নিছে বালি। নামতহে আছে বালি মহলৰ নথি-পত্ৰ কিন্তু কাৰ্যত বালি মাফিয়াই এখন অনুজ্ঞাপত্ৰৰ চালেনেৰেই তিনি-চাৰি বাৰতকৈ অধিকবাৰ নিতৌ লংকা, হোজাই, লামডিঙলৈ অবৈধভাৱে সৰবৰাহ কৰি নিছে বালি। একাধিক ডাম্পাৰেৰে কঢ়িয়াই নিয়া বালি মাফিয়াৰ বিৰুদ্ধে এই অভিযোগ আনিছে স্থানীয় ৰাইজে। খেৰনিত সংঘটিত ডাম্পাৰৰ দৌৰাত্ম আৰু পকী পথ বিনষ্ট কৰা কাৰ্যক লৈ শেহতীয়াকৈ অতিষ্ঠ হৈ পৰিছে অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজ। আনকি খেৰণিস্থিত কাছাৰী গাওঁৰ পথেৰে ডাম্পাৰ চলাচলত বাধা প্ৰদান কৰিছে স্থানীয় গাওঁবাসীয়ে। কিন্তু এই ক্ষেত্ৰত কাণসাৰ নাই জিলা প্ৰশাসন কিম্বা বিভাগীয় কৰ্তৃপক্ষৰ। কুম্ভকৰ্ণৰ নিদ্ৰাত থকা খেৰণি বন বিভাগটোৰ কাৰ্য্যালয়ৰ মাথো ৫-৬ শ মিটাৰ দূৰত্বত চলা এই ভয়ানক অবৈধ বেহা চলাৰ অভিযোগ উত্থাপন কৰিছে সচেতন মহলে। খেৰনিৰ আন একাংশ সচেতন ৰাইজে প্ৰশ্ন কৰিছে যে কাৰ ছত্ৰছাঁয়াত কাকোকে কেৰেপ নকৰাকৈ বালি মাফিয়াই চলাইছে এই অবৈধ বেহা। সমগ্ৰ বিষয় সন্দৰ্ভত প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগক এক সন্দেহৰ দৃষ্টিৰে চাবলৈ ধৰিছে বৃহত্তৰ অঞ্চলবাসীয়ে।









শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি